


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৫ ■ গুৱাহাটী ■ শুকুৰবাৰ, ৩০ ছেপ্টেম্বৰ, ২০২২, ১৩ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 55 Dainandin Barta ■ Guwahati, Friday ■ 30 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




২০২২ৰ অক্টোবৰৰ পৰা যাত্ৰীবাহী ৰে'লৰ নতুন সময়সূচী প্ৰৱৰ্তন

## উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৫৫খন ৰে'লৰ ভ্ৰমণ সময় হ্ৰাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ৰে'লৱেই ১ অক্টোবৰ, ২০২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ যাত্ৰীবাহী ৰে'লৰ বাবে ইয়াৰ সৰ্বভাৰতীয় নতুন সময়সূচী প্ৰকাশ ■ ৮ পৃষ্ঠাত

## গোৰেশ্বৰত এচিদ আক্ৰমণ

আহতৰ ভাষ্যৰ ভিত্তিত সোধা-পোছাৰ বাবে আটক ৩


**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২৯ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানা এলেকাৰ উত্তৰ কেৰ্পাভিঠা গাঁৱত ■ ৮ পৃষ্ঠাত

## বিটিআৰৰ পৰা গাঁও কৰ্তনৰ দাবী

গোৰেশ্বৰত অবড়ো সুৰক্ষা সমিতিৰ অবস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২৯ ছেপ্টেম্বৰ ঃ** অবড়ো সুৰক্ষা সমিতি, অসমৰ গোৰেশ্বৰ ৰাজহ চক্ৰ সমিতিয়ে আজি ■ ৮ পৃষ্ঠাত




*দুৰ্গা পূজা উপলক্ষে মহানগৰৰ ছাত্ৰীবাৰীত পেন্সিলেৰে দুৰ্গাৰ মূৰ্তি, কিতাপেৰে মণ্ডপ আৰু লাইব্ৰেৰীৰ আৰ্হিৰ মণ্ডপ নিৰ্মাণ*

## মহিলা সবলীকৰণ বাদ দি গ্ৰাম্য অৰ্থনীতি সম্ভৱ নহয় ঃ উৰ্খাও গৌৰা ব্ৰহ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** মহিলা সবলীকৰণ বাদ দি গ্ৰাম্য অৰ্থনীতি কেতিয়াও সম্ভৱ নহয়, জীৱিকা সখীসকলৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰধান ভূমিকা আছে। এই মন্তব্য হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ। আজি বাক্সা জিলাৰ মুছলপুৰৰ ■ ৮ পৃষ্ঠাত

ধুবুৰীত ভয়ংকৰ নাও দুৰ্ঘটনা— ফুলবাৰী দলঙৰ নিৰ্মাণকাৰ্যৰ সমীপত এই দুৰ্ঘটনা

# নিৰ্মীয়মাণ খুঁটাত খুন্দিয়াই ডুবিল নাও

চক্ৰ বিষয়া সঞ্জু দাস, জিলা পৰিষদৰ সদস্য বেবী বেগম, স্কুলীয়া ছাত্ৰ ৫ গৰাকীসহ প্ৰায় ৫০গৰাকী লোক নিখোঁজ ঃ উদ্ধাৰ হৈছে একমাত্ৰ লাট মণ্ডল নমিজুদ্দিন আহমেদ ঃ আমিনা চৰত বান পৰিদৰ্শন কৰিব গৈছিল ঃ ঘটনাস্থলীত উপস্থিত উপায়ুক্ত আৰু উদ্ধাৰকাৰী দল



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৯ ছেপ্টেম্বৰ ঃ** আজি আইৰণজংলা দ্বিতীয় খণ্ডত অৱস্থিত, এল এণ্ড টি কোম্পানীৰ দ্বাৰা ধুবুৰী - ফুলবাৰী নিৰ্মীয়মাণ দলঙৰ পানীৰ তলত ওপঙি থকা এটা খুঁটাত নৌকাৰ তুলি লাগি ফুটা হোৱাৰ ফলত দুৰ্ঘটনা সংঘটিত হয়। নৌকাখনত, ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাস, স্কুলীয়া ছাত্ৰ-ছাত্ৰীসহ প্ৰায় ৪০জন ব্যক্তি পানীত ডুবি বৰ্তমানলৈকে সন্ধানহীন হৈ আছে। অৱশ্যে, বৰ্তমানে ■ ৮ পৃষ্ঠাত

## মাজুলীৰ দুৰ্ঘটনাৰ পিছতো শিক্ষা নহ'ল জল পৰিবহণ বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ নাও দুৰ্ঘটনাৰ পিছত আভ্যন্তৰীণ জল পৰিবহণ বিভাগটো কিছু দায়িত্বশীল হোৱাৰ আশা কৰিছিল ৰাইজে। চৰকাৰেও দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে ■ ৮ পৃষ্ঠাত

## নাও দুৰ্ঘটনাই আৰু কিমানৰ সপোন ধ্বংস কৰিব

দৈনন্দিন বাৰ্তা ■ দিবাকৰ ৰেণু

অইন দিনাৰ দৰে কালি পুৱা আঠ বজাতেই চাইকেলখন লৈ স্কুললৈ ওলালোঁ। এল এণ্ড টি কোম্পানীৰ অস্থায়ী পথৰেই আমাৰ প্ৰতিদিনৰ যাত্ৰা। সেই পথত দুখনকৈ দলং পাৰ হ'ব লাগে। ধুবুৰী ■ ৮ পৃষ্ঠাত



দিনজোৰাকৈ বৰপেটা ভ্ৰমণ মুখ্যমন্ত্ৰী শৰ্মাৰ

## অনুদান বুলি গণ্য কৰিব কঁাহ-পিতল উদ্যোগীলৈ দিয়া ৫ কোটি টকাৰ ঋণ

কয়াকুছিত নতুন পৰিদৰ্শন বঙলা উদ্বোধন- সৰুক্ষেত্ৰী জগন্নাথ মন্দিৰৰ নতুন মণিকূট, বাটচ'ৰাৰ আধাৰশিলা স্থাপন ঃ সৰ্থেবাৰীৰ অসামৰিক চিকিৎসালয় অত্যাধুনিক স্বাস্থ্যসেৱা কেন্দ্ৰলৈ তাৎক্ষণিকভাৱে উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়াকুছিস্থিত লোক নিৰ্মাণ বিভাগৰ নৱ নিৰ্মিত পৰিদৰ্শন বঙলাটি আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন ■ ৮ পৃষ্ঠাত

# এনে আইএএছ বিষয়াও আছে

আদৰণীয়



■ বাছ দুৰ্ঘটনাত আহত শিশুক সাক্ষাৎ কৰি উচুপি উঠিল আইএএছ বিষয়া

■ নেপকিন বিচৰাৰ বাবে কণ্ডমৰ কথা কৈ ছাত্ৰীক ককৰ্থনা কৰা আইএএছ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আশ্বাস মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ ছেপ্টেম্বৰ ঃ** এপিনে বিহাৰত এগৰাকী আইএএছ বিষয়াই ছেনিটাৰী পেড বিচৰাৰ বাবে ছাত্ৰীক ককৰ্থনা কৰাৰ খবৰে দেশত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে আন এগৰাকী আইএএছ বিষয়াৰ মহানুভৱতাই দেশত বাঃ বাঃ বুটলিছে। বুধবাৰে উত্তৰ প্ৰদেশৰ লখিমপুৰ জিলাৰ ৭৩০নং ৰাষ্ট্ৰীয় ঘাই পথত এখন মিনি ট্ৰাক আৰু ব্যক্তিগত বাছৰ সংঘৰ্ষত ■ ৮ পৃষ্ঠাত

....................



## গোসাঁইগাঁৱৰ হাৰাপুটাত গুলীচালনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ ■ ৮ পৃষ্ঠাত



পোষণ মাহৰ সামৰণী অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ

## সবল নাৰী, সাক্ষৰ শিশু, সুস্থ ভাৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৯ ছেপ্টেম্বৰ ঃ** 'সবল নাৰী, সাক্ষৰ শিশু, সুস্থ ভাৰত'- এই বাণীৰে দেশজুৰি উদ্‌যাপিত ৰাষ্ট্ৰীয় পোষণ মাহ, ২০২২ৰ লগত সংগতি ৰাখি ৰাজ্যিক পৰ্যায়ৰ পোষণ মাহৰ ■ ৮ পৃষ্ঠাত



*গুৱাহাটী বিমান বন্দৰত উপস্থিত ভাৰতীয় ক্ৰিকেট দল*



*তেজপুৰত ভাৰতীয় সেনাৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং*

## ৮ অক্টোবৰত গুৱাহাটীলৈ আহিব নাড্ডা আৰু গৃহমন্ত্ৰী শ্বাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২৯ ছেপ্টেম্বৰ ঃ** অসমীয়াত এষাৰ কথা আছে তেওঁলোকে কৰিলে লীলা আৰু সাধাৰণ ৰাইজে কৰিলে ধৰি বান্ধি ■ ৮ পৃষ্ঠাত

গৰ্ভপাত, 'বৈবাহিক ধৰ্ষণ' সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়

## অবিবাহিত মহিলায়ো কৰিব পাৰিব গৰ্ভপাত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ ছেপ্টেম্বৰ ঃ** গৰ্ভপাত, 'বৈবাহিক ধৰ্ষণ' সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আজি এক গুৰুত্বপূৰ্ণ ৰায় দিয়ে। উচ্চতম ন্যায়ালয়ে কয় যে দেশৰ সকলো মহিলাই সুৰক্ষিত গৰ্ভপাত কৰিব পাৰে। বৃহস্পতিবাৰে, উচ্চতম ন্যায়ালয়ে এনে এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰি কয় যে গৰ্ভপাতৰ ক্ষেত্ৰত বিবাহিত আৰু অবিবাহিত মহিলাসকলক পৃথক কৰাটো অসাংবিধানিক। অবিবাহিত মহিলাসকলেও ২০ৰ পৰা ২৪ সপ্তাহৰ ভিতৰত গৰ্ভপাত কৰাব পাৰে। ■ ৮ পৃষ্ঠাত

কংগ্ৰেছৰ সভাপতি নিৰ্বাচন

## প্ৰতিদ্বন্দ্বিতা বন্ধুত্বপূৰ্ণ হ'ব শত্ৰুতাৰ কথাই নাহে

দিগ্বিজয় সিঙক ক'লে শশী থাৰুৰে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৯ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ সভাপতি নিৰ্বাচনক লৈ এতিয়া দলটোৰ ভিতৰত আৰম্ভ হৈছে ব্যাপক তৎপৰতা। ইয়াৰ মাজতে আজি কংগ্ৰেছ সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰাৰ সম্ভাৱনা থকা জ্যেষ্ঠ কংগ্ৰেছ নেতা দিগ্বিজয় সিঙে আন এজন শীৰ্ষ প্ৰতিদ্বন্দ্বী শশী থাৰুৰক সাক্ষাৎ কৰে ■ ৮ পৃষ্ঠাত



## অসম-অৰুণাচল সীমান্তৰ বিবাদক লৈ আলোচনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল আৰু অসমৰ সীমা বিবাদক কেন্দ্ৰ কৰি বছৰ বছৰ ধৰি দুয়োখন ৰাজ্য মাজত সংঘাত সৃষ্টি হৈ অহাৰ সময়তে ডিব্ৰুগড়ত আজি অনুষ্ঠিত হয় এক গুৰুত্বপূৰ্ণ বৈঠক। অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেন আৰু মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত গঠিত আঞ্চলিক সমিতিৰ অসম-অৰুণাচল সীমান্তৰ সীমা ■ ৮ পৃষ্ঠাত






# দক্ষিণ শালমাৰা-মানকাচৰ জিলা গাঁওপ্ৰধান সন্থাৰ উদ্যোগত বাল্য বিবাহ-শিশু শ্ৰমিকৰ বিৰুদ্ধে সজাগতা সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৯ ছেপ্টেম্বৰ ঃ** দক্ষিণ শালমাৰাত জিলা গাঁও প্ৰধান সন্থাৰ উদ্যোগত বাল্য বিবাহ আৰু শিশু শ্ৰমিকৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত হয়। যোৱা কালি বিয়লি ৫ বজাত দক্ষিণ শালমাৰা-মানকাচৰ জিলা গাঁও প্ৰধান সন্থাৰ উদ্যোগত বাল্য বিবাহ আৰু শিশু শ্ৰমিক বন্ধ কৰাৰ বাবে অনুষ্ঠিত সজাগতা সভাখনত জিলা সহকাৰী আয়ুক্তা হিয়া মেধী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে জিলা সীমান্ত উপ আৰক্ষী অধীক্ষক ছফৰ আলী, দক্ষিণ শালমাৰা আৰক্ষী চক্ৰ বিষয়া ৰিতুপৰ্ণ বনিয়া, চৰকাৰী কাজী মৌলানা আবুল কালাম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। গাঁও প্ৰধান সন্থাৰ উদ্যোগত অনুষ্ঠিত এই সজাগতা সভাত স্থানীয় সচেতন লোকৰ লগতে স্থানীয় আশা কৰ্মী সকলো উপস্থিত থাকি সমাজৰ পৰা বাল্য বিবাহ আৰু শিশু শ্ৰমিক বন্ধ কৰাৰ বিষয়ে আলোচনা কৰা হয়। লক্ষণীয় যে প্ৰায় তিনি মাহ পূৰ্বে জিলাখনত ইতিমধ্যে সম্পন্ন হোৱা মুছলিম বিবাহৰ প্ৰায় ৪৪% শতাংশ বাল্য বিবাহ হোৱা বুলি ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্যৰ এক সমীক্ষাত পোহৰলৈ আহিছিল। তেতিয়াৰ পৰাই জিলা উপায়ুক্ত, জিলা আৰক্ষী অধীক্ষক জিলাখনৰ গাঁও প্ৰধানসকল, চৰকাৰী কাজী তথা জিলাখনৰ আশাকৰ্মীসকলে এনে কু-প্ৰথা সমাজৰ পৰা নাইকীয়া কৰিবলৈ বিভিন্ন ধৰণৰ সজাগতামুলক সভা অনুষ্ঠিত কৰি আহিছে। ইতিমধ্যে কেবাটাও স্থানত এনে সজাগতা কৰাৰ ফলত জিলাখনত প্ৰায় ৮০শতাংশ বাল্য বিবাহ নিয়ন্ত্ৰণলৈ আহিছে যদিও জিলাখনক সম্পূৰ্ণৰূপে বাল্য বিবাহৰ কবলৰ পৰা নিয়ন্ত্ৰণলৈ অনাৰ বাবে গাঁওপ্ৰধানসকলে এনে সজাগতা সভা কৰি যাব বুলি দক্ষিণ শালমাৰাত অনুষ্ঠিত এই বাল্য বিবাহ আৰু শিশু শ্ৰমিক বন্ধৰ সজাগতা সভাত সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

# মাৰ্ঘেৰিটাত ৰাষ্ট্ৰীয় পোষণ মাহৰ সামৰণি




**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৯ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সংহত শিশু উন্নয়ন প্ৰকল্পৰ সৌজন্যত ভিতৰপাৰে গাঁও পঞ্চায়তৰ অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা সহযোগত নিজ মাকুম প্ৰাথমিক বিদ্যালয়ৰ সভাকক্ষত পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহৰ বুধবাৰে সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিশু আৰু মহিলা কল্যান বিভাগৰ যোৰহাট সংমণ্ডলৰ মাণ্ডলিক বিষয়া কুঞ্জলতা লাচন, মাৰ্ঘেৰিটা মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোম, মাৰ্ঘেৰিটা খণ্ড উন্নয়ন বিষয়া উৰ্বশী চেতিয়া মাৰ্ঘেৰিটা সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া মঞ্জু ৰাই, নিজ মাকুম প্ৰাৰ্থমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমন্ত কোঁৱৰ তিনিচুকীয়াৰ মহকুমা কৃষি বিষয়া ভদ্ৰাৰতী পেগু, যুৱ সাংবাদিক মানস প্ৰতিম গগৈ, চাইল্ড লাইনৰ বিষয়া শ্যাম উপাধায় সহ কেইবাজনো গণ্যমান্য ব্যক্তি উপস্থিত থকা মুকলি সভাখন পৰিচালনা কৰে ভিতৰ পাৰে গাঁও পঞ্চায়তৰ সভাপতি সুমন খালেনে। সভাৰ অন্তত ভিতৰপাৰে গাওঁ পঞ্চায়তৰ লৈকে এক শোভাযাত্ৰা কৰা হয়। তদুপৰি অংগনবাড়ী কৰ্মীসকলে থলুৱা ভাৱে পোৱা উপাদান সমূহেৰে তৈয়াৰ কৰা খাদ্যৰ প্ৰদৰ্শনী প্ৰদৰ্শন কৰে। মাৰ্ঘেৰিটা প্ৰকল্পৰ পোষণ মাহৰ সামৰণি অনুষ্ঠানত প্ৰকল্পটোৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ অধিনৰ অংগনবাড়ী কৰ্মীসকল, মুখ্যসেৱিকা বিদ্যা চুতীয়া, জোহানী বাৰ্লা, দুলাৰী কোঁৱৰ,পৰিসংখ্যা সহায়ক নৱজ্যোতি পাটোৱাৰী, মাৰ্ঘেৰিটা প্ৰকল্পৰ ব্লক কৰ্ডিনেটৰ ৰূপা ফুকন আদিয়ে অংশগ্ৰহণ কৰে।

## পূজাৰ তিনি দিনৰ ভিতৰত অসমৰ ১,১৯,৯৯৮গৰাকী মধ্যাহ্ন ভোজন ৰান্ধনীৰ বন্ধ হৈ থকা দৰমহা মুকলিৰ নিৰ্দেশ শিক্ষা বিভাগৰ

# ৩৩খন জিলালৈ জানুৱাৰীৰ পৰা ছেপ্টেম্বৰলৈ দৰমহা চৰকাৰৰ মুকলি ৪০,৩০,৯৫,০০০ টকা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৯ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিনীয়া প্ৰতিক্ষাৰ অন্তত পুজাৰ পূৰ্বে ভাল খবৰ আহিল অসমৰ মধ্যাহ্ন ভোজন ৰান্ধনী সকলৰ বাবে। প্ৰতি মাহৰ বাবদ ৰান্ধনী সকলে লাভ কৰিবলগীয়া ১৫০০ টকা দৰমহাতো গত জানুৱাৰীৰ পৰা ছেপ্টেম্বৰ ২০২২ লৈ বন্ধ হৈ আছিল। যাক লৈ বিভিন্ন সময়ত চৰকাৰৰ বিৰুদ্ধে আন্দোলন প্ৰতিবাদত বহিছিলে এই ৰান্ধনীসকল। ইতিমধ্যে ৩৩ জিলাৰ ১,১৯,৯৯৮ গৰাকী মধ্যাহ্ন ভোজন ৰান্ধনীৰ দৰমহাৰ বাবদ পাব লগা ৪০,৩০,৯৫,০০০ টকা মুকলি শিক্ষা বিভাগৰ। ৰান্ধনী সকলৰ দৰমহা মুকলি সন্দৰ্ভত যোৱা ২৮য৯য২০২২ তাৰিখে এছএছএ/এমডিএম/এডিডি/হনাৰিয়াম/৩২/২০২১/২২৪৮ নিৰ্দেশনা যোগে মিছন ডাৰেক্টৰে প্ৰতিখন জিলা সদৰলৈ প্ৰেৰণ কৰে। অলপতে সদৌ অসম মধ্যাহ্ন ভোজন ৰান্ধনী সন্থাৰ কেন্দ্ৰীয় উপদেষ্টা তৃষ্ণা নাথ, সভানেত্ৰী সবিতা বড়ো, সাধাৰণ সম্পাদক চুনিল ৰংপীসহ এটি কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি দলৰে হোৱা আলোচনা অন্তত ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক এই দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰিবলৈ কৰা দাবীৰ প্ৰতি সহাৰী জনাইছিল শিক্ষা মন্ত্ৰীগৰাকীয়ে। শিক্ষা মন্ত্ৰীগৰাকীয়ে এই আলোচনাৰ অন্তত এই সকল ৰান্ধনীৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানকল্পে চলিত বৰ্ষয়ৰ জানুৱাৰী মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈকে সকলো দৰমহা ৰাজ্য ৩৩খন জিলাৰ ১ লাখ ১৯ হাজাৰ ৯৯৮ গৰাকী ৰান্ধনীৰ বন্ধ হৈ থকা দৰমহা দুৰ্গা পূজাৰ উপলক্ষে তাৎক্ষণিকভাৱে পূৰ্বৰ বকেয়া ধন তিনিদিনৰ ভিতৰত মোকলাই দিবলৈ নিৰ্দেশ দিয়ে। এক দীৰ্ঘ দিনীয়া সমস্যা সমাধান কৰাত সদৌ অসম মধ্যাহ্ন ভোজন ৰান্ধনী সহায়িকা সন্থাৰ তৰফৰ পৰা শিক্ষামন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীকো ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে মধ্যাহ্ন ভোজন ৰান্ধনী সন্থাৰ কেন্দ্ৰীয় উপদেষ্টা তৃষ্ণা নাথ, সভানেত্ৰী সবিতা বড়ো, সাধাৰণ সম্পাদক চুনিল ৰংপীয়ে।

## সুৰক্ষিত পথৰ ডিজাইন প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৯ ছেপ্টেম্বৰ ঃ** চেণ্টাৰ অফ এনভাইৰনমেণ্ট এডুকেশ্যন (চি ই ই)ৰ উদ্যোগত যোৰহাটত অৱস্থিত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ বাবে এক আন্তৰ্জাতিক পৰ্যায়ত যোৰহাট চহৰৰ সুৰক্ষিত পথৰ আৰ্হিৰ (ডিজাইন)এক প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে চি ই ইয়ে ২০১৭ চনৰ পৰা যোৰহাট চহৰত এটা শিশু পথ সুৰক্ষা প্ৰকল্প ৰূপায়ণ কৰি আহিছে আৰু ইয়াৰ জৰিয়তে শতাধিক শিক্ষাৰ্থীক সামৰি ক্ষেত্ৰভিত্তিক কৰ্মশালা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। চি ই ইয়ে যোৰহাট নগৰত ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীৰ বাবে অনুকূল পথৰ আন্তঃগাঁথনি উন্নয়ন আৰু সজাগতা বৃদ্ধিৰ বাবে কাম কৰি আহিছে। একে লক্ষ্যৰে চি ই ইয়ে এইবাৰ কাৰিকৰী শিক্ষাৰ্থীসকলৰ মাজত সুৰক্ষিত পথ ব্যৱস্থা বিষয়ক আৰ্হি (ডিজাইন) প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিক্ষাৰ্থীসকলে ceenortheast@ceeindia.org লিংক ceeindia.orgবা ই-মেইলৰ জৰিয়তে প্ৰতিযোগিতাৰ বাবে অনলাইন আবেদন কৰিবলৈ পঞ্জীয়ন কৰিব পাৰে। বিজয়ী প্ৰতিযোগীক পথ সুৰক্ষা ডিজাইন চেম্পিয়ন হিচাপে পুৰস্কৃত কৰা হ'ব আৰু বিভিন্ন প্ৰতিনিধি যেনে আই আই টি গুৱাহাটী, ৱৰ্ল্ড ৰিচৰ্চ ইনষ্টিটিউট আৰু গোলকীয় পথ সুৰক্ষা অংশীদাৰীত্ব আৰু বহুতো প্ৰতিনিধিৰ সন্মুখত তেওঁলোকৰ ডিজাইন আৰু ধাৰণা উপস্থাপন কৰাৰ সুযোগ পাব।

# অৱসৰপ্ৰাপ্ত শিক্ষক বাহাৰ আলী খানক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২৯ ছেপ্টেম্বৰ ঃ** হে জ্ঞানৰ পূজাৰী আপুনি মহান। আপোনাৰ আত্মবলিদানৰ ফলতেই কণ কণ শিশুবোৰ আজি দেশৰ উজ্জ্বল নক্ষত্ৰ হিচাপে জিলিকি আছে। আপোনাৰ অৱসৰপ্ৰাপ্ত বিদায় বেলাত আমি হেৰুৱালো এজন সুদক্ষ পৰামৰ্শদাতাক। উল্লেখ্য যে এজন অৱসৰপ্ৰাপ্ত শিক্ষকৰ সম্বৰ্ধনা সভাত এই দৰে ভাগি পৰিল শিক্ষক-শিক্ষয়িত্ৰী সকল। দৰঙৰ দলগাঁও শিয়ালমাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত খাৰুপেটীয়া প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বাহাৰ আলী খানে অৱসৰগ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক বাহাৰ আলী খানে ১৯৮৩ চনত দৰঙৰ নাংলী চৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে নিযুক্তি লাভ কৰি সুদীৰ্ঘ প্ৰায় ৩৯ বছৰ শিক্ষকতা কৰ্মত নিয়োজিত থাকি খাৰুপেটীয়া প্ৰাথমিক বিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে অৱসৰগ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক জনক সম্বৰ্ধনা উপলক্ষে ওজাগাঁও মণ্ডল সমল কেন্দ্ৰৰ কাৰ্যালয় সভাকক্ষত দলগাঁও শিয়ালমাৰী শিক্ষা খণ্ডৰ সহ-পৰিদৰ্শক মতিউৰ ৰহমান,খণ্ড দক্ষ ব্যক্তি আব্দুল হামিদ অৱসৰপ্ৰাপ্ত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ইউছুফ আলী,মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক হাইদৰ আলী, মণ্ডল সমল কেন্দ্ৰ সমনন্বয়ক মৃণাল নাথ, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ছফিকুল ইছলামৰ লগতে বিভিন্ন বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ উপস্থিতিত ওজাগাঁও মণ্ডল সমল কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সভাপতি তথা পশ্চিম ওজাগাও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল মজিদৰ সঞ্চালনাত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক জনক এখন ফুলাম গামোচা, জাপি, শৰাই, চেলেং চাদৰ, ছাতি, এখন পৱিত্ৰ গ্ৰন্থ, এখন জাই নামাজ, এখন তছবি আৰু টুপী, পাঞ্জাৰী-পায়জামা আৰু মানপত্ৰৰে শিক্ষকগৰাকীক সম্বৰ্ধনা জনোৱা হয়।

## বিশ্বনাথত বিশ্ব জলাতংক দিৱস পালন

### পশুপালন-পশু চিকিৎসা বিভাগ আৰু স্বাস্থ্য বিভাগৰ উদ্যোগ

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৯ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ পশুপালন আৰু পশু চিকিৎসা বিভাগ আৰু বিশ্বনাথৰ স্বাস্থ্য বিভাগৰ যুটীয়া উদ্যোগত কালি 'বিশ্ব জলাতংক' দিৱস লেহুগাঁওস্থিত আঞ্চলিক কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰত পালন কৰা হয়। বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই গছপুলি ৰোপণ কৰি আৰম্ভ কৰা উক্ত অনুষ্ঠানত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা প্ৰতিজন পশু চিকিৎসাৰ লগত জড়িত কৰ্মীক বিনামূলীয়াকৈ প্ৰতিষেধক প্ৰদান কৰাৰ লগতে পশু চিকিৎসা বিভাগৰ পৰা ডেৰ শতাধিক কুকুৰ আৰু মেকুৰীক জলাতংক প্ৰতিৰোধী চিতা প্ৰদান কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে পালন কৰা অনুষ্ঠানটিত উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা পৰিষদৰ সদস্য সত্যেন্দ্ৰ হাজৰিকা, স্বাস্থ্য বিভাগৰ জিলা চাৰ্ভিলেন্স বিষয়া ডাঃ এলিজা ডেকা, আঞ্চলিক কৃত্ৰিম গো প্ৰজনন বিষয়া ডাঃ সৌৰভ বৰগোঁহাই, পশুচিকিৎসা বিষয়াদ্বয় মহেন্দ্ৰ ভৰালী আৰু দিগন্ত শৰ্মা, সহকাৰী আয়ুক্ত কংকনা শইকীয়া আৰু আয়োজক কমিটিৰ হৈ লেহুগাঁও পশু চিকিৎসালয়ৰ পশু চিকিৎসা বিষয়া ডাঃ পাৰ্থ প্ৰতিম বৰা আদি ভালেসংখ্যক বিশিষ্ট ব্যক্তি এই বিশেষ শিবিৰটোত উপস্থিত থাকে।

## Name Correction

My Father's actual and correct name is Meser Ali Munshi. My father's name has been recorded in all of my Documents as Hazi Md. Meser Ali Munsi in place of Meser Ali Munshi. Meser Ali Munshi and Hazi Md Meser Ali Munsi is the same and One person .

Md . Nur Islam Sheikh
S/O - Meser Ali Munshi
Vill - Jogirmahal pt-1
P.O - Barkanda
P.S - Bilasipara
Dist - Dhubri ( Assam)

# চেঙেলীয়াঝাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ বিদায় সম্বৰ্ধনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ ছেপ্টেম্বৰ ঃ** 'শিক্ষকতা বৃত্তি এক মহান বৃত্তি। এই শিক্ষকতাক পেচা হিচাপে নলৈ যদি নিচা হিচাপে গ্ৰহণ কৰা হয় তেনেহ'লে শিক্ষকতা জীৱন স্বাৰ্থক হয়।' এই মন্তব্য চেঙেলীয়াঝাৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ তথা অৱসৰী কৃতী প্ৰধান শিক্ষক হাজী নুৰমহম্মদ আলীৰ। আজি চেঙেলীয়াঝাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তমজিদুল হকৰ বিদায়ী সম্বৰ্ধনা সভাত উপস্থিত থাকি তেওঁ আৰু কয় যে এগৰাকী শিক্ষকে অৱসৰ পালেই তেওঁৰ কৰ্মজীৱনৰ সমাপ্তি নহয়। অৱসৰৰ পিছতো সমাজ আৰু বিদ্যালয়ৰ প্ৰতি শিক্ষকৰ দায়িত্ব জড়িত হৈ থাকে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বিদায়ী সভাখনত বিদায়ী শিক্ষক তমজিদুল হকক ফুলাম গামোচা, জাপি, শৰাই, মানপত্ৰ, কলম, ধৰ্মগ্ৰন্থ, ফুলৰ থোৱা আদিৰে সম্বৰ্ধনা জনোৱা হয়। প্ৰাক্তন ছাত্ৰী, অধ্যয়নৰত ছাত্ৰীসকলেও শিক্ষকগৰাকীক সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে বিদায়ী শিক্ষক তমজিদুল হকে বিদ্যালয়খনত ১৯৯৯ চনৰ২২ নবেম্বৰত যোগদান কৰি ২০২২ চনৰ ৩১ মে'ত চৰকাৰীভাৱে অৱসৰ গ্ৰহণ কৰা বুলি উল্লেখ কৰি তেওঁ কৰ্মজীৱনৰ লাভ কৰা স্মৃতিবোৰ সোঁৱৰণ কৰি আবেগিক হৈ পৰে আৰু অজানিতে কৰা ভুলৰ বাবে ক্ষমা ভিক্ষা বিচাৰে। সভাত চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতুল চহৰীয়াই নিজৰ বক্তব্যত কয় যে বিদায়ী শিক্ষকগৰাকী তেওঁৰে এসময়ৰ সহকৰ্মী হিচাপে লাভ কৰা কৰ্মময় জীৱনৰ ওপৰত চমু বক্তব্য আগবঢ়ায়। আন এগৰাকী বক্তা দৰঙৰ জ্যেষ্ঠ সাংবাদিক তথা উদীয়মান নিবন্ধকাৰ ইন্দাদুল হকে শিক্ষকসকলে গোটেই জীৱনটো বিদ্যামন্দিৰত জ্ঞানৰ পোহৰ বিলাই অতিবাহিত কৰাৰ পিছত অৱসৰৰ দিনটোৰ পৰা সমাজৰ প্ৰতি এক গধুৰ দায়িত্ব আহি পৰে বুলি উল্লেখ কৰে।সভাত যুৱ সমাজসেৱী আহমদ আলীয়ে চমুকৈ দুআষাৰ বক্তব্য আগবঢ়োৱাৰ পিছত অৱসৰী কৃতী প্ৰধান শিক্ষক তথা কবি আব্বাচুদ্দিন আহমেদে কবিতা পাঠ কৰি আমোদ দিয়ে। হীৰণ্য শৰ্মাই আঁতধৰা সভাত শিক্ষক গোটৰ হৈ প্ৰধান শিক্ষক মণিপুৰ ৰহমান, হিৰণ্য শৰ্মাইয়ো বিদায়ী প্ৰাৰ্থী গৰাকীৰ ওপৰত বক্তৃতা প্ৰদান কৰে। সভাৰ সভাপতিৰ বক্তব্যৰ পিছত শলাগৰ শৰাই আগবঢ়াই শিক্ষক ৰাহিদুৰ ৰহমানে। সভাৰ শেষত বিদায়ী প্ৰাৰ্থী গৰাকীক তৰাগাঁৱস্থিত বাস গৃহলৈ শিক্ষক, অভিভাৱক, ছাত্ৰীসকলে আদৰি নি পৰিয়ালক চমজায় থৈ আহে। জানিব পৰা মতে শিক্ষক গৰাকীৰ ঘৰতো অৱসৰী প্ৰধান শিক্ষক ৰোস্তোম আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আন এক সম্বৰ্ধনা সভাত উপস্থিত সকলোকে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# দৈপামত গাঁওৰক্ষী বাহিনীৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুলা, ২৯ ছেপ্টেম্বৰ ঃ** দৰঙৰ দলগাঁও সমষ্টিৰ দৈপাম আৰক্ষী চকীৰ অন্তৰ্গত দৈপাম গাঁওৰক্ষী বাহিনীৰ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। দৈপাম গাঁৱৰ বিভিন্ন সমস্যা সমাধান, কু-সংস্কাৰ, অন্ধ বিশ্বাস, জুৱা খেল আদি বন্ধ কৰাৰ উদ্দেশ্যে দৈপাম গাঁৱত এখন গাওঁৰক্ষী বাহিনী গঠনৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন জনোৱা হৈছিল। উক্ত আবেদনৰ ভিত্তিত ২৫ ছেপ্টেম্বৰত দৈপাম গাঁও পঞ্চায়তত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাখনত দৈপাম পশ্চিম উত্তৰ চুবাৰ বাবে জহুৰুদ্দিন আহমেদক সভাপতি, শিৰাজুল হকক সম্পাদক, আচমত আলীক নায়ক আৰু ১০ গৰাকী সদস্যক লৈ ১৩ জনীয়া এখন সমিতি গঠন কৰে। দলগাঁও আৰক্ষী থানাৰ সভাপতি ছাইফুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত দলগাঁৱৰ চক্ৰ সংগঠক কুশল কোঁৱৰ মেধি, সহকাৰী সংগঠক কমল ভাণ্ডাৰী, দৈপাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হিতেশ বৰা, দৈপাম গাঁও পঞ্চায়তৰ সভাপতি হবিবুৰ ৰহমান, পঞ্চায়ত প্ৰতিনিধি, শিক্ষক সমাজৰ লগতে প্ৰায় দুই শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।

## ৰাশিফলত আজিৰ দিনটো

**১৩ আহিন, শুকুৰবাৰ, ৩০ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**

**সূৰ্যোদয়- ৫-১৮-৪৭, সূৰ্যাস্ত- ৫-৯-৪০**



■ **মেষ ঃ** সাহিত্য সেৱা ■ **বৃষ ঃ** বন্ধুৰ আগমন ■ **মিথুন ঃ** প্ৰতিভা বৃদ্ধি ■ **কৰ্কট ঃ** উৎসৱত অংশগ্ৰহণ ■ **সিংহ ঃ** নতুন প্ৰেম ■ **কন্যা ঃ** অশুভ ■ **তুলা ঃ** প্ৰমোদ বিলাস ■ **বৃশ্চিক ঃ** স্থান পৰিৱৰ্তন ■ **ধনু ঃ** শুভ ■ **মকৰ ঃ** শুভ কাৰ্য ■ **কুম্ভ ঃ** ভাল দিন ■ **মীন ঃ** মানসিকভাৱে সবল


No. DVT-223/RIDF-XXVII (S)/Golaghat/2022-23/6

**PRESS NOTICE INVITING TENDER**

The Director of A.H. & Veterinary Deptt., Assam, on behalf of the Governor of Assam, invites bids for the following works under **RIDF-XXVII** in two Bid System from the eligible contractors duly registered under Animal Husbandry & Veterinary Department, Assam and Dairy Development. Assam with e- Tendering system provider through e- Tendering Portal **www.assamtenders.gov.in.** Detail may be seen in the website **www.assamtenders.gov.in.** and also in the Engineering Cell of this Directorate during office hours from **29.09.2022 to 21.10.2022.**

| Sl. No | Work Description | Estimated Cost (Rs.) | Cost of Bidding Documents incl. of GST (Rs.) | Bid Security (Rs.) | Completion Period |
|---|---|---|---|---|---|
| 1 | Construction Assam Type Sub-Centre Building with electrification. Water supply and sanitary works etc. at **Morongi** in Golaghat District. | 33.71.000.00 | 1,200.00 | 67,420.00 | 120 days |
| 2 | Construction Assam Type Sub-Centre Building with, electrification. Water supply and sanitary works etc. at **Baruabamun Gaon** in Golaghat District. | 33.71.000.00 | 1,200.00 | 67,420.00 | 120 days |
| 3 | Construction Assam Type Sub-Centre Building with electrification. Water supply and sanitary works etc. at **Khangia** in Golaghat District. | 33.71.000.00 | 1,200.00 | 67,420.00 | 120 days |
| 4 | Construction Assam Type Sub-Centre Building with electrification. Water supply and sanitary works etc. at **Kacharihat** in Golaghat District. | 33.71.000.00 | 1,200.00 | 67,420.00 | 120 days |
| 5 | Construction Assam Type Sub-Centre Building with 5 electrification. Water supply and sanitary works etc. at **Geleki** in Golaghat District. | 33.71.000.00 | 1,200.00 | 67,420.00 | 120 days |

Bidders submitting Bids through online have also to submit each copy of the Documents of Technical Bid manually. The cost of Bid Document and Bid Security should be deposited through net banking before the expiry of online Bid submission date and time as mentioned in the Tender Schedule. Bid will be rejected / cancelled if Financial Bid submitted off line / hard copy.

| TENDER SCHEDULE | |
|---|---|
| DATE OF AVALIBILITY OF BIDDING DOCUMENTS ON e- PROCUREMENT PORTAL | **29.09.2022** (11.00 HRS) **21.10.2022** (14.00 HRS) |
| PRE - BID MEETING | **07.10.2022** at 13.00 HRS |
| LAST DATE AND TIME FOR ONLINE BID SUBMISSION | Up to 14.00 HRS on **21.10.2022.** |
| LAST DATE AND TIME FOR HARD COPY SUBMISSION (TECHNICAL BID) | Up to 14.00 HRS on **21.10.2022** |
| DATE AND TIME OF TECHNICAL BID OPENING | 14.30 HRS on **25.10.2022.** |
| DATE AND TIME OF FINANCIAL BID OPENING | Intimated later on |

Director
A. H. & Vety. Department, Assam,
Chenikuthi, Guwahati-3

*Janasanyog/C/11056/22*


# পদ্মাথান দেৱালয়ৰ পুখুৰীত এৰি দিলে দুষ্প্ৰাপ্য কাছ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৯ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ আন্ধেৰীঘাটৰ সমীপৱৰ্তী বৰপথাৰ নিবাসী সমাজৰ হৈ কৰ্মস্পৃহা থকা এগৰাকী ব্যৱসায়ী, যুৱ সমাজকৰ্মী ক্ষিৰোদ শৰ্মাই আজি দুষ্প্ৰাপ্য ১৫ কিঃগ্ৰাঃ ওজনৰ কাছ এটা ঐতিহ্যমণ্ডিত পদ্মাথান দেৱালয়ৰ পুখুৰীত দান কৰে। জানিব পৰামতে যুৱকজনে কৰ্মসূত্ৰে ওলাই আহি নিশা ১১.৩০ মান বজাত ঘৰলৈ উভতি অহাৰ সময়ত পদ্মাঝাৰ- বৰপথাৰ সংযোগী পথত এটি কাছ দেখা পায় লগে লগে পথৰ ওচৰৰ কেইজনমান ব্যক্তিৰ সহায়ত উদ্ধাৰ কৰি নৰেন নাথৰ ঘৰত নিশাটো ৰাখি বৰপথাৰৰ যুৱকজনে আজি পুৱা পদ্মাথান দেৱালয়ৰ সংৰক্ষিত পুখুৰীত কাছটো এৰি দিয়ে। যাৰ বাবে যুৱকজনৰ এই মহান পদক্ষেপৰ বাবে অঞ্চলবাসীয়ে এতিয়া ভূয়সী প্ৰশংসা কৰাৰ লগতে শলাগো লোৱা পৰিলক্ষিত হয়।

## চিএফ আইৰ ওদালগুৰি জিলা সভাপতিৰ পদত্যাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা, ২৯ ছেপ্টেম্বৰ ঃ** কেম্পাচ ফ্ৰন্ট অফ ইণ্ডিয়াৰ অসম ৰাজ্যিক সমিতিৰ অন্তৰ্গত ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰফিকুল ইছলামে সংগঠনটোৰ সভাপতি পদৰ লগতে প্ৰাথমিক সদস্যৰ পৰা পদত্যাগ কৰে। চলিত বৰ্ষৰ মাৰ্চ মাহৰ পৰা ইছলামে সংগঠনটোৰ ওদালগুৰি জিলা সমিতিৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল যদিও সাংগঠনিক কোনো ধৰণৰ কাম কৰা নাছিল বুলি জানিবলৈ দিয়ে। মঙ্গলবাৰে সম্পূৰ্ণ ব্যক্তিগত কাৰণত ৰফিকুল ইছলামৰ স্বাক্ষৰিত এক পদত্যাগ পত্ৰ কেম্পাচ ফ্ৰন্ট অফ ইণ্ডিয়াৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি-সাধাৰণ সম্পাদকলৈ প্ৰেৰণ কৰে। এতিয়াৰে পৰা ৰফিকুল ইছলাম কেম্পাচ ফ্ৰন্ট অফ ইণ্ডিয়াৰ কোনো কামৰ সৈতে জড়িত নাথাকিব লগতে সাংগঠনিক কোনো কামৰ বাবে ৰফিকুল ইছলামৰ সৈতে যোগাযোগ নকৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষ আহ্বান জনাইছে।

# পাটাছাৰকুছিৰ ১১৪সংখ্যক দুৰ্গা পূজাৰ বাবে ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২৯ ছেপ্টেম্বৰ ঃ** এইবেলিও নৱগঠিত বজালী জিলাৰ পাটাছাৰকুছিৰ ঐতিহ্যমণ্ডিত শিৱদুৰ্গা প্ৰাংগণত ১১৪সংখ্যক পাটাছাৰকুছিৰ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপনৰ ব্যাপক আয়োজন কৰা হৈছে। বিগত বছৰৰ দৰে এইবেলিও শাৰদীয় দুৰ্গাপূজা ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ উদযাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতিৰৰ প্ৰায় সম্পূৰ্ণ হৈছে। অঞ্চলটোৰ এক আকৰ্ষণীয় পূজা হিচাপে পৰিগণিত এই দুৰ্গা পূজা মহোৎসৱ পৰিচালনা থেঁ ইতিমধ্যে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজ কৰ্মী মাণিক চৌধুৰীক সভাপতি আৰু যুৱ সমাজকৰ্মী তথা প্ৰাক্তন আছু নেতা দিগন্ত গোস্বামীক সম্পাদক হিচাপে লৈ এখনি ৩১ জনীয়া এখন বিশেষ শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হৈছে।তদুপৰি কেইবাখনো উপসমিতি গঠন কৰা হৈছে। ১অক্টোবৰৰ সন্ধিয়া বেলবৰণৰ স্থায়ী বেদী উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে। তাৰ পাছতে ক্ৰমে দুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ আৰু ষষ্ঠী বিহিত পূজা, দেৱীৰ বোধন,আমন্ত্ৰণ আৰু অধি বাস। ওজাপালিৰ দ্বাৰা দেৱী বন্দনা, নাম প্ৰসংগ, নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ। পূজাৰ আন আন দিনৰ কাৰ্যসূচী ভিতৰত আছে দেৱী পূজা, নাম-প্ৰসংগ, ঢুলীয়া প্ৰদৰ্শন,ওজাপালি প্ৰদৰ্শন, আৰতি, নাট্যাভিনয় আদি। বৈদিক প্ৰথাৰে অনুষ্ঠিত কৰাৰ সমান্তৰালভাৱে প্ৰতিদিনে নানা মাংগলিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে বিজয়া দশমীৰ দিনা প্ৰতিমা বিসৰ্জনৰ সময়ত কালদিয়া নদীত বন্তি প্ৰজ্বলিত কলভেল প্ৰতিযোগিতা আৰু বিশেষ ধৰণৰ আতবাজী প্ৰদৰ্শন আৰু ৰাৱণ দাহন বিশেষ আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। শাৰদীয় দুৰ্গা পূজাৰ লগত সংগতি ৰাখি পাটাছাৰকুছিৰ কালদিয়া নৈৰ পাৰত ৪০ ফুট উচ্চতাৰ এটি প্ৰকাণ্ড ৰাৱণ নিৰ্মাণ কৰা হৈছে। বিগত ২০-২৫ দিন ধৰি প্ৰকাণ্ড ৰাৱণটো নিৰ্মাণত ব্যস্ত হৈ আছে বজালীৰ দেনাটাৰী যুৱ শিল্পী প্ৰদীপ পাল। আয়োজক সমিতিয়ে পূজা ভাগ সাফল্যমণ্ডিত কৰাৰ বাবে সমূহ ৰাইজৰ উপস্থিতত আৰু আন্তৰিকতাৰে কামনা কৰিছে।

# দ' পথাৰৰ কথাৰে উজলিল বিষ্ণুজ্যোতি মইনা পাৰিজাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৯ ছেপ্টেম্বৰ ঃ** সুপ্ত প্ৰতিভাই বিকাশৰ পথ বিচাৰি থাকে, পথ যেতিয়াই প্ৰশস্ত হয় প্ৰতিভাই তেতিয়াই স্ৰোতস্বিণী তীব্ৰ গতিত ধাৱমান হয় বিকাশৰ পথত। শিশুসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে কেই বছৰৰ মানৰ পুৰ্বে প্ৰতিষ্ঠা লাভ কৰা মৰিয়নি সমষ্টিৰ অন্তগৰ্ত অসম নগালেণ্ড সীমান্তবৰ্তী অঞ্চলৰ সোনাপুৰ গাঁৱৰ বিষ্ণু জ্যোতি মইনা পাৰিজাতে বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি শিৰোনামা দখল কৰিবলৈ সক্ষম হোৱাৰ লগতে শেহতীয়াকৈ জিলা আৰু আঞ্চলিক পৰ্যাত স্ব-গুণেৰে উজলিবলৈ সক্ষম হ'ল। জানিব পৰা মতে কিছুদিনৰ পুৰ্বে বাঘচোং আঞ্চলিক নাট প্ৰতিযোগিতাত মইনা বিষ্ণু জ্যোতি মইনা পাৰিজাতে নাট্যকাৰ দেৱজিৎ ৰাজখোৱাৰ 'দ পথাৰৰ কথা' নামৰ নাটক খন প্ৰতিযোগিতাত মঞ্চস্থ কৰি শ্ৰেষ্ঠ নাট্য দল, শ্ৰেষ্ঠ পৰিচালক,শ্ৰেষ্ঠ অভিনেতা আৰু দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী আৰু শ্ৰেষ্ঠ মঞ্চসজ্জাৰ পুৰস্কাৰ বুটলি আনি সমগ্ৰ অঞ্চললৈ গৌৰব কঢ়িয়াই আনিলে। নিলিময় ফুকনে পৰিচালনা কৰা নাট খনত শ্ৰেষ্ঠ অভিনেতা তন্ময় বৰুৱা দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী লাভলি বৰুৱা পুৰস্কাৰ লাভ কৰে। ইফালে জিলা ভিত্তিক অনুষ্ঠিত প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ নাট্য দল হিচাবে নিৰ্বাচিত হোৱাৰ লগতে শ্ৰেষ্ঠ অভিনেতা অনন্ত বৰা আৰু শ্ৰেষ্ঠ পৰিচালকৰ বটা নিলিম ফুকনে পাবলৈ সক্ষম হয়। নাটখনত আৱস সংগীতত অৰ্পিতা বৰা আৰু মৌচুমী বৰা সংগীত পৰিচালনাত দিগন্ত গগৈ, বিপুল বুঢ়াগোহাঁই আৰু সত্যনাথ বৰা, মঞ্চ সজ্জাত প্ৰবোধ বৰা, সোনাৰাম চুতীয়া, দেবেন বৰা, অৰুণ বৰা, মঞ্চ সজ্জাত জয়া বৰা আৰু মনি বৰুৱা আছিল। অভিনয়ত তন্ময় বৰুৱা, সত্যজিৎ বৰা, অভিজিৎ বৰা অনন্ত বৰা আৰু লাভলি বৰুৱাই অংশ গ্ৰহণ কৰে। অংশ গ্ৰহণ কৰাসকলোকে অভিনন্দন জনোৱাৰ উদ্দেশ্য আজি বিষ্ণুজ্যোতি মইনা পাৰিজাতৰ সভা কক্ষত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমাজকৰ্মী সিদ্ধেশ্বৰ বৰুৱাৰ পৌৰোহিত্য হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে সোনাৰাম চুতীয়াই। বিশিষ্ট শিক্ষক তথা বিশিষ্ট কবি থানেশ্বৰ বৰাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত নাট্যকাৰ দেৱজিৎ ৰাজখোৱা, পৰিচালক নিলিময় ফুকন সহপৰিচালক দিগন্ত গগৈ সংগীত পৰিচালক দিগন্ত বুঢ়াগোহাঁই আৰু সকলো পুৰস্কাৰ প্ৰাপকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰাক্তন মইনা ক্ৰমে আছু গগৈ আৰু দেৱজিৎ গগৈ আৰু বেবী হাজৰিকাক হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ হোৱাৰ বাবে দুয়োজন শিক্ষাৰ্থীক অভিনন্দন জনায়। অনুষ্ঠানত ৰাজ্যিক কৃতি শিক্ষক বঁটা প্ৰাপক নগেন গগৈ, বাঘচোং আঞ্চলিক মইনা পাৰিজাতৰ উপ সভাপতি দীন লাহন শিশু প্ৰেমী প্ৰদীপ কুৰ্মী কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিতুমনি ফুকন, ৱাৰ্ড মেম্বাৰ দেৱেন গগৈ আদি বিশিষ্ট ব্যক্তিসকলৰ উপৰিও কণ কণ মইনাসকল উপস্থিত থাকে।



## হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ বাৰ্ষিক কলা ক্ৰীড়া মহোৎসৱৰ মুকলি সভা-বঁটা বিতৰণী অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৯ ছেপ্টেম্বৰ ঃ** তীৰ্থনগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত তিনিদিনীয়া বাৰ্ষিক কলা, ক্ৰীড়া মহোৎসৱৰ সফল সামৰনি উপলক্ষে মুকলি সভা আৰু বটা বিতৰণী অনুষ্ঠানটি আজি অনুস্থিত হৈ যায়। সেই অনুসৰি মহাবিদ্যালয়ৰ মাধৱদেৱ ৰংগ মঞ্চৰ সভাকক্ষত আয়োজন কৰা মুকলি বটা বিতৰণী সভাত সভাপতিত্ব কৰে সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। আজিৰ সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি শিক্ষাবিদ কিশোৰ ভট্টাচাৰ্যই কয় যে, 'সফলতাৰ বাবে অধ্যয়ন একেবাৰে অপৰিহাৰ্য। ছাত্ৰ-ছাত্ৰীসকলে সফল জীৱনৰ বাবে অধ্যয়নৰ সমান্তৰালভাৱে আনুষংগিক সকলো বিষয়ত সম্যক জ্ঞানৰ পৰিসৰ থাকিব লাগিব। সমাজ জীৱনৰ বাবে মহান মনীষীসকলে কৰি যোৱা মহান কৰ্মসমূহৰ বাটেৰে আগবাঢ়ি যাবলৈ হ'লে তেনে বৰেণ্য লোকসকলৰ জীৱন পৰিক্ৰমা সাৰোগত কৰা খুবেই প্ৰয়োজন।' লগতে আজিৰ অনুষ্ঠানতে অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰফুল্ল ডেকাই কয় যে, 'শিক্ষা গ্ৰহণৰ পৰিধি নাই। শিক্ষা ল'বলৈ শিক্ষানুস্থানৰ চাৰি সীমাত আবদ্ধ থাকিলেই নহ'ব সমাজৰ প্ৰতিটো বিষয়ৰ পৰা জ্ঞান আৰু শিক্ষা ছাত্ৰ-ছাত্ৰীসকলে ল'ব লাগিব।' সমান্তৰালভাৱে সুৰেন দাস মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা ড° বিনীতা দাসে ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিযোগিতাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ পাঠ্যপুথিৰ অধ্যয়নৰ সমান্তৰাল ভাৱে আনুষংগিক সকলো বিষয় আয়ত্ব কৰাটো খুবেই প্ৰয়োজন বুলি উল্লেখ কৰি এনে ক্ষেত্ৰত আজিৰ বিশ্বৰ প্ৰতিযোগিতা মূলক বিষয়ত সফলতাৰ বাবে প্ৰচেষ্টা সদায়েই অব্যাহত ৰাখিব লাগিব বুলি উল্লেখ কৰে। সভাত সুৰেন দাস মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আলী আকবৰ হুছেইনে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য কৰি গঠনমূলক বক্তব্য দাঙি ধৰে। এই মুকলি সভাতেই ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক কলা,ক্ৰীড়াৰ মহোৎসৱত বিভিন্ন বিষয়ত সফলতা অৰ্জন কৰা ছাত্ৰ ছাত্ৰী সকলক ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰি পুৰস্কৃত কৰা হয়। তদুপৰি মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা আৰু সমূহ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আজিৰ মুকলি সভাতেই মহাবিদ্যালৰ ছাত্ৰ ছাত্ৰী সকলে গীত, নৃত্য পৰিবেশনৰে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# ছিপাঝাৰৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পত ৰবি শস্যৰ খেতিৰ কৰ্মব্যস্ততা

## প্ৰকল্পৰ উৎপাদিত শস্যৰে বজাৰ দখলৰ কচৰৎ, সেউজীয়া গজালি মেলিছে মুখ্যমন্ত্ৰীৰ সপোনে

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৯ ছেপ্টেম্বৰ ঃ** যোৱা বছৰৰ আগৰ সময়লৈ সন্দেহযুক্ত লোকেৰে ঠাহখাই থকা ছিপাঝাৰৰ গৰুখুঁটি কৃষি প্ৰকল্পত সম্প্ৰতি মুখ্যমন্ত্ৰীৰ সপোনে যেন বাস্তৱত সেউজীয়া গজালি মেলিছে। প্ৰায় দহ হাজাৰ বিঘা মাটি দৰং জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলাই বেদখলমুক্ত কৰাৰ পিছত সেই ঠাইত এতিয়া ৰবি শস্যৰ খেতিৰে ভৰপূৰ হৈ পৰিছে। চৌদিশে কেৱল শস্য শ্যামলা হৈ পৰা প্ৰকল্প ভূমিৰ প্ৰায় চাৰি হাজাৰ পাঁচশ বিঘা মাটিত কৰা হৈছে ৰবি শস্যৰ বিভিন্ন জাতৰ শস্য। ৰঙালাও, বন্ধা কবি, ফুল কবি, ওল কবি, পালেং শাক, লাই শাক, লফা, মূলা, বেঙেনা, জলকীয়া, তিল, মাটিমাহ, মাকৈকে ধৰি বহু তৰহৰ শস্যৰ খেতি কৰা হৈছে। জানিব পৰা মতে বৰ্তমান তিনিশ বিঘা মাটিত ৰঙালাও, দুশ বিঘা মাটিত মাটিমাহৰ লগতে কেইবা বিঘা মাটিত শাক-পাচলিৰ খেতি কৰা হৈছে। তদুপৰি আন কেইবাশ বিঘা মাটিত সৰিয়হ, মাকৈৰ বাবে সাজু কৰি তুলিছে। দৈনিক দুশ সত্তৰটা প্ৰকল্পৰ কৰ্মীয়ে অহৰ্নিশে কৃষি কৰ্মত জড়িত হৈ আছে। পাঁচটা জ'নত ভাগ কৰি খেতিসমূহ কৰা হৈছে বুলি প্ৰকাশ। জানিব পৰা মতে দ্বিতীয়বাৰৰ বাবে ৰোপণ কৰা ৰবি শস্যৰ উৎপাদন বিগত বছৰতকৈ অধিকভাৱে উৎপাদন হোৱাৰ আশা কৰা হৈছে। কিয়নো যোৱা বৰ্ষত বেদখলকাৰীক উচ্ছেদ অভিযান চলোৱাৰ পিছত মাটিসমূহ বিভিন্ন অসুবিধাৰ বাবে যেনেদৰে খেতি কৰিব লাগিছিল তেনেদৰে কৰিব পৰা নাছিল। কিন্তু এইবাৰ পৰিৱেশ সম্পূৰ্ণভাৱে মুকলি হোৱাত সকলোবোৰ শস্যৰ খেতিয়ে মুকলিভাৱে কৰিব পৰা হৈছে। যাৰ বাবে এইবাৰ প্ৰকল্পৰ উৎপাদিত শস্যৰে বজাৰ দখলৰ আশা কৰা হৈছে। মাত্ৰ এমাহ কি দুমাহৰ ভিতৰত মুখ্যমন্ত্ৰীৰ সপোনৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পই সপোনক বাস্তৱত পৰিণত কৰিব। এসময়ত সন্দেহযুক্ত লোকৰ বসতিপ্ৰধান ঠাইত আজি চৌদিশে কেৱল সেউজীয়া শস্যৰে দলিচা মনোমোহা পৰিৱেশ।



## বগলীপাৰা বালক প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক গোটক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ৰজাগাধোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনৰ ১ বজাত বগলীপাৰা মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ ১১ খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাহেকীয়া সভাৰ লগতে এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে বগলীপাৰা মণ্ডল সমল কেন্দ্ৰৰ প্ৰধান শিক্ষক শান্তনু বৰুৱা আৰু শিক্ষক গোটক উৎসাহ উদ্দীপনামূলক বাবে অভিনন্দন পত্ৰ প্ৰদান কৰে। আমন্ত্ৰিত অতিথি হিচাপে লাহৰীঘাট শিক্ষা খণ্ডৰ শিক্ষা বিষয়া আবুল কাশেমদেৱে উপস্থিত থাকি শিক্ষা গুৰু সকলক প্ৰায় এঘণ্টা সময় শিক্ষা বিষয়ৰ ওপৰত মূল্যৱান পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে বিগত গুণোৎসৱত লাহৰীঘাট শিক্ষা খণ্ডৰ অধীনস্থ ৫৭৬ টা বিদ্যালয়ৰ ফলাফল সমূহ আছিল এনেধৰণৰ গ্ৰেড হিচাপত A+ 35, A 211,B 233 , C 53 আৰু D গ্ৰেডত 44 খন বিদ্যালয়ে স্থান লাভ। তুলনামূলকভাৱে A+ আৰু A গ্ৰেডৰ ফলাফল উন্নত মানৰ নোহোৱা যেন পৰিলক্ষিত হয়।



সমন্বয়ক মুখলেছুৰ ৰহমানে। সভাৰ উদ্দেশ্য বাখ্যা আৰু আদৰণী পৰ্বৰ আঁত ধৰে ৰজাগাধোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহম্মদ আলী চৌধুৰীয়ে। সভাত প্ৰায় দুকুৰি শিক্ষা গুৰু শিক্ষকসকলে বিদ্যালয়ৰ শৈক্ষিক দিশৰ ওপৰত আলোচনা আগবঢ়ায়। সভাৰ বিশেষ আকৰ্ষণ আছিল অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত গুণোৎসৱত বিভিন্ন বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গুণগত পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। সেই মৰ্মে লাহৰীঘাট শিক্ষা খণ্ডৰ অধীনস্থ সকলো বিদ্যালয়তে অনুষ্ঠিত হৈছিল। অৱশ্যে ফলাফল ঘোষণা কৰাত আন বহু বিদ্যালয়ৰ লগতে বগলীপাৰা বালক প্ৰাথমিক বিদ্যালয়ে A+ গ্ৰেড পোৱাত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মুখলেছুৰ ৰহমানে আজিৰ এই মাহেকীয়া সভাত

### ভাষা, সাহিত্য,সংস্কৃতিৰ দাপোন স্বৰূপ 'কলম'ৰ শুভ উন্মোচন

## বৌদ্ধিক উত্তৰণত ছপা মাধ্যমৰ গুৰুত্ব সদায়ে অপৰিসীম ঃ অধ্যাপক ড° হুপেশ চৌধুৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** আজিৰ প্ৰজন্মই ছপা মাধ্যমৰ সলনি ইলেকট্ৰনিক মাধ্যমক অধিক গুৰুত্ব প্ৰদান কৰে যদিও বৌদ্ধিক বিকাশত ছপা মাধ্যমেহে প্ৰকৃত অৰিহণা যোগায়। গতিকে ইলেকট্ৰনিক মাধ্যমৰ জগতত নিজকে বিলাই দি ছপা মাধ্যমক অনাদৰ কৰিলে বৌদ্ধিক জগতৰ পৰা বিচ্ছিন্ন হৈ পৰিব আজিৰ প্ৰজন্ম। সেয়ে, ইলেকট্ৰনিক মাধ্যমৰ সুবিধা সমূহ গ্ৰহণ কৰিও বৰ্তমান প্ৰজন্মই ছপা মাধ্যমক আকোঁৱালি ধৰিব লাগে। এই ভাষ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাপ্তাহিক শিক্ষালোচনী "জিজ্ঞাস"ৰ সম্পাদক হুপেশ চৌধুৰীৰ। উল্লেখ্য, উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ তিনিমহীয়া সাহিত্য -কলা-সংস্কৃতি মূলক আলোচনী "কলম" ৰ শাৰদীয় সঞ্ংখ্যাটি আজি উত্তৰ গুৱাহাটীৰ আগশাৰীৰ শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতনৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। বিদ্যালয় খনৰ আচাৰ্য আচাৰ্য্যা, শিক্ষাৰ্থী তথা কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতত "কলম" আলোচনী খনৰ উত্তৰোত্তৰ কামনা কৰি ড' হুপেশ চৌধুৰীয়ে আৰু কয় যে আলোচনী খনত সন্নিৱিষ্ট চিন্তাশিল্প,ছন্দশিল্প,কথাশিল্পৰ দৰে শিতান সমূহে পাঠকৰ মনত চিন্তাৰ খোৰাক দিব পাৰিব। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সভাপতি দিগন্ত বৰদলৈয়ে আত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে "কলম"ৰ মুখ্য সম্পাদক ( অবৈতনিক) ড' তাৰিণী কান্ত হালৈয়ে। আলোচনী খনৰ আন এজন উন্মোচক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্যৱহাৰিক বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড' ঈশাংকুৰ শইকীয়াই কয় যে ছপা মাধ্যমৰ আদৰ সদায়ে একক আৰু অনন্য। ছপা মাধ্যমৰ স্থান কেতিয়াও ইলেকট্ৰনিক মাধ্যমে ল'ব নোৱাৰে। ছাত্ৰ ছাত্ৰীৰ মাজত ছপা মাধ্যমৰ জনপ্ৰিয়তা অক্ষুণ্ন ৰাখিবলৈ আমি সকলোৱে চেষ্টা কৰিব লাগে।




এই ক্ষেত্ৰত "কলম"ৰ প্ৰচেষ্টাক উচ্চ প্ৰশংসা কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক জনে। ইফালে, একেটা অনুষ্ঠানতে " কলম"ৰ শাৰদীয় সংখ্যাৰ শিল্পীৰ পৃথিৱীত স্থান পোৱা প্ৰবীণ তথা নীৰৱ শিল্পী ড' ৰাজীৱ কুমাৰ দত্ত চৌধুৰীক বিশেষ ভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ হৈ কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধুসূদন মেধি, জ্যেষ্ঠ সাংবাদিক মুনিন ডেকা, জ্যেষ্ঠ সাংবাদিক দ্বীপেন বায়ন আৰু উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সম্পাদক ৰূপক ডেকাই শিল্পী গৰাকীক শৰাই, গামোচা আৰু সম্বৰ্দ্ধনা জনায়। 'কলম'ৰ শাৰদীয় সংখ্যাৰ বেটু পাতৰ শিল্পী তথা উদীয়মান কন্ঠশিল্পী কৃতিকা নাথকো সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত শংকৰদেৱৰ শিশু নিকেতনৰ প্ৰধান আচাৰ্য উৎপল তালুকদাৰ, পৰিচালনা সমিতিৰ সম্পাদক মুকুটেশ্বৰ গোস্বামী, উপ সভাপতি কুলেন বড়ো, সাংবাদিক মধুমাধৱ দাস , সাংবাদিক গোপাল ঠাকুৰীয়াকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত আছিল। শিল্পী মণিকা দাস মুদৈৰ পৰিচালনাত পৰিবেশন কৰা সৰস্বতী বন্দনাই আজিৰ অনুষ্ঠানটিক বিশেষ মাত্ৰা প্ৰদান কৰে।

## খাৰুপেটীয়াৰ পাচলি বজাৰত মাৰপিট

### খুচুৰা ব্যৱসায়ীৰ মাজত সংঘটিত হয় মাৰপিটৰ ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২৯ ছেপ্টেম্বৰ ঃ** দৰঙৰ বৃহৎ পাচলি বজাৰ বালুগাঁও বজাৰত আজি পুৱাই সংঘটিত হয় মাৰপিটৰ ঘটনা। দুই খুচুৰা ব্যৱসায়ীৰ মাজত সংঘটিত হয় উক্ত মাৰপিটৰ ঘটনা। জানিব পৰা মতে, খুচুৰা ব্যৱসায়ী ফাৰুক আহমেদ আৰু মুস্তাফা আলীৰ মাজত পাচলিৰ হিচাপক লৈ সংঘটিত হয় তৰ্ক-বিতৰ্কৰ। তাৰ পিছতেই সংঘটিত হয় ভয়ংকৰ মাৰপিটৰ ঘটনা। দুই পক্ষৰ মাৰপিটত আহত হয় চাৰি জনকৈ লোক। গুৰুতৰ ভাৱে আহত ঘনশিমুলী গাঁৱৰ ফাৰুক আহমেদ, মনিৰ আলী , মুস্তাফা আলী আৰু মোজাম্মেল হুছেইন। আটাইকেই জনক খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰত নিয়া হয় যদিও ফাৰুক আহমেদ আৰু মনিৰ আলীৰ অৱস্থা সংকটজনক হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উক্ত ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সমগ্ৰ খাৰুপেটীয়াত।


**SHORT ADVERTISEMENT**

**THE GAUHATI HIGH COURT AT GUWAHATI**
**(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)**

Online applications are invited from eligible candidates for filling up of 3 (three) vacant posts of **Chef** (Cook) in the Principal Seat of the Gauhati High Court in the usual scale of pay. All the necessary details viz., important dates, age criteria, reservation and selection process etc. can be seen in the relevant notification published in the official website (**www.ghconline.gov.in**) & Notice Board of Gauhati High Court at Guwahati.

Sd/-
Registrar (Administration),
Gauhati High Court, Guwahati

Janasanyog/D/13187/22


## শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা আম আদমি পাৰ্টীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৯ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে আম আদমি পাৰ্টীয়ে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এক শুভেচ্ছা বাৰ্তাত আপৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে কয় যে শৰৎ কালত অনুষ্ঠিত শাৰদীয় দুৰ্গোৎসৱ কেৱল এক ধৰ্মীয় উৎসৱেই নহয়, ই হ'ল প্ৰেম, ভাতৃত্ববোধ তথা অন্যান্য মানৱীয় অনুভূতিৰে সমৃদ্ধ এক মহামিলনৰ উৎসৱ। এই উৎসৱ হ'ল অপশক্তি নাশেৰে সত্যক প্ৰতিষ্ঠা কৰা এক যুগজয়ী উৎসৱ। প্ৰকৃতিৰ এই উৎসৱমুখৰ তথা বিনন্দীয়া পৰিৱেশে সমাজত শান্তি-সম্প্ৰীতি গঢ়াৰ পথো সুদৃঢ় কৰে। সমন্বয়ক গৰাকীয়ে আশা প্ৰকাশ কৰে দুৰ্গতিনাশিনীৰ আশিসে সকলোৰে জীৱন সুখময় কৰি তোলক। আপৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মায়ো শাৰদীয় দুৰ্গোৎসৱে আমাৰ মাজত ব্ৰতী থকা শান্তি, সম্প্ৰীতি, প্ৰেম তথা ভাতৃত্ববোধৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ দিশত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

## উত্তৰ গুৱাহাটীৰ এল পি জি বটলিং প্লাণ্টত শ্ৰমিকৰ ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও** শাৰদীয় দুৰ্গাপূজাৰ প্ৰাকমুহূৰ্তত উত্তৰ গুৱাহাটীৰ এল পি জি বটলিং প্লাণ্টত বৃহস্পতি বাৰে শ্ৰমিকসকলে ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। হাতে হাতে বেনাৰ পোষ্টাৰ লৈ ধৰ্ণা কাৰ্যসুচীত প্লাণ্টটোৰ শ্ৰমিক সকলে অংশগ্ৰহণ কৰে। ইউনিয়নটোৰ প্ৰায় ১৫০ শ্ৰমিকে অংশ লয় এই ধৰ্ণা কাৰ্যসূচীত। ধৰ্ণাৰ ফলত পুৱাৰে পৰা বন্ধ হৈপৰে লোডিং-আনলোডিং প্ৰক্ৰিয়া। প্লাণ্টটোৰ মূল প্ৰৱেশদ্বাৰত ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰাৰ ফলত পন্টৰ বাহিৰত আৱদ্ধ হৈ পৰিছে বহু গেছ পৰিবাহী ট্ৰাক অথবা বুলেট টেংকাৰ সমূহ। শ্ৰমিক ইউনিয়নৰ অভিযোগ অনুসৰি ইউনিয়নৰ ১৫০ শ্ৰমিকৰ প্ৰাপ্য ২৩ মাহৰ বকেয়া ধন নিদিয়াৰ বাবেই এই ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰিছে তেওঁলোকে। বকেয়া ধন সম্পৰ্কত কৰ্তৃপক্ষ আৰু ইউনিয়নৰ মাজত আলোচনা হৈছিল যদিও আজি পৰ্যন্ত বিষয়টোৰ ওপৰত কোনো ধৰণৰ সদিচ্ছা বা ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। যাৰ পৰিপ্ৰেক্ষিতত এইদৰে বৃহস্পতি বাৰে পুৱাই আই অ' চি এল কৰ্তৃপক্ষৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰাৰ লগতে ধৰ্মঘটত বহিল শ্ৰমিক সকল।


**NEMCARE Group of Institutions**
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam

**ADMISSION OPEN FOR 2022-23**

OUR COURSES

- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable


# 'ৰাইজৰ মৰম আৰু ভালপোৱাই মোৰ জীৱনৰ পৰম প্ৰাপ্তি' ঃ ড° অঞ্জন কুমাৰ ওজা

## গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম সক্ৰিয় আঞ্চলিক সমিতি হিচাপে সুপৰিচিত গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা ২৬ চেপ্তেম্বৰত এখন বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। গহপুৰ নগৰস্হিত কেন্দ্ৰীয় শ্বহীদ ভৱনৰ প্ৰেক্ষাগৃহত বিয়লি দুই বজাৰ পৰা অনুষ্ঠিত হোৱা বিশেষ সম্বৰ্দ্ধনা সভা খনত গহপুৰৰ শৈক্ষিক ক্ষেত্ৰ খনৰ দুগৰাকী বিশিষ্ট শিক্ষাবিদ ক্ৰমে ড° অঞ্জন কুমাৰ ওজা আৰু প্ৰধান শিক্ষক জগদীশ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গহপুৰৰ বহু সংখ্যক শিক্ষাব্ৰতী বিশিষ্ট ব্যক্তি, শিক্ষাৰ্থী উপস্থিত থকা সভা খনত সভাপতিত্ব কৰে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক তথা অসম উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য প্ৰজ্ঞান ভূএগ্ৰাই। গাম্ভীৰ্য পূৰ্ণ সভা খনত বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, সমাজ সেৱক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ সদ্য অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজা আৰু বিশিষ্ট সাহিত্যসেৱী তথা চলিত বৰ্ষৰ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক, গহপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জগদীশ শৰ্মাক গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা আনুষ্ঠানিক ভাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। লগতে ড° অঞ্জন কুমাৰ ওজাক সক্ৰিয় অৱসৰী জীৱনৰ কামনাৰে গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা আদৰণী জনোৱা হয়। এক শৈক্ষিক তথা বৌদ্ধিক পৰিমণ্ডলেৰে সমৃদ্ধ সভা খনত মনোগ্ৰাহী বক্তব্য প্ৰদান কৰি ড° অঞ্জন কুমাৰ ওজাই পৰম সন্তুষ্টিৰে কয় যে শিক্ষকতা জীৱনৰ সুদীৰ্ঘ পৰিক্ৰমাত তেওঁ লাভ কৰা ৰাইজৰ মৰম আৰু ভালপোৱাই তেওঁৰ জীৱনৰ পৰম প্ৰাপ্তি বুলি অনুভৱ কৰে। উল্লেখ্য যে ড° অঞ্জন কুমাৰ ওজাই ১৯৯১ চনত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰাৰ পাছত ২০০৫ চনত গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰে আৰু যোৱা ৩১ আগষ্টত চৰকাৰী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰে। শৈক্ষিক ক্ষেত্ৰ খনৰ লগতে সাহিত্য,সংস্কৃতি তথা সামাজিক ক্ষেত্ৰতো সেৱা আগবঢ়াই অহা গভীৰ অধ্যয়নপুষ্ট ব্যক্তি হিচাপে বৃহত্তৰ গহপুৰ অঞ্চলত সুপৰিচিত তথা জনপ্ৰিয় ড০ অঞ্জন কুমাৰ ওজা। গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি ভূএগ্ৰাই আঁত ধৰা আৰু সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই আঁত ধৰা সভা খনত নিজৰ ভাষণত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰসংগ উত্থাপন কৰি ড০ অঞ্জন কুমাৰ ওজাই কয়, " ছাত্ৰ অৱস্থাত মঞ্জই সদৌ অসম ছাত্ৰ সন্থাৰ এজন সক্ৰিয় সদস্য আছিলোঁ,১৯৬২ চনৰ ভাষা আন্দোলন,১৯৭৯ চনৰ অসম আন্দোলনত অংশগ্ৰহণ কৰিছিলোঁ। প্ৰথমে গহপুৰৰ লগত মোৰ যোগসূত্ৰ হৈছিল সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে।" শিক্ষকতা জীৱন সন্দৰ্ভত ড° ওজাই কয় " আজিৰ অৱসৰ পাছত উপলব্ধ কৰোঁ- শিক্ষকতাই মোৰ জীৱন অন্যতম বৃত্তি আৰু মঞ্জই আজি শিক্ষকতা বৃত্তিক লৈ সন্তুষ্ট। বিগত ১৭ বছৰে ছয়দুৱাৰ মহাবিদ্যালয় অধ্যক্ষ হিচাপে আছিলোঁ আৰু ৰাইজৰ সহযোগত মহাবিদ্যালয় খনক আগুৱাই নিয়াত নিষ্ঠা আৰু সততাৰে মঞ্জই দায়িত্ব পালন কৰিছিলোঁ। 'নাক'ৰ মূল্যায়নত আমাৰ মহাবিদ্যালয় খন অবিভক্ত শোণিতপুৰ জিলাৰ ভিতৰত শ্ৰেষ্ঠ হৈছিল। ছাত্ৰ-ছাত্ৰী সকলক মইপ্ৰথম প্ৰাধান্য দিছিলোঁ, সদায় আশা কৰিছিলোঁ- আমাৰ ছাত্ৰ-ছাত্ৰী সকলে সমাজত একোজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠা লাভ কৰক।" উল্লেখ্য যে ড° ওজাই আহি থকা দিনবোৰত গহপুৰতে থাকি শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰ খনত ৰাইজৰ লগত সহযোগিতা কৰি আগবাঢ়ি যোৱাৰ আশা ব্যক্ত কৰে। সভা খনত ড° ওজাক এখন গামোচা, এখন চেলেং, এখন সফুঁৰা আৰু সম্বৰ্ধনা পত্ৰৰে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক প্ৰজ্ঞান ভূএগ্ৰা, অসম উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বীৰেন কাথ হাজৰিকা, অসম উন্নতি সভাৰ গহপুৰ জিলা সমিতিৰ সভাপতি অৰুন বৰা,সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰা আৰু গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি ভূএগ্ৰাই গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ পৰিয়ালৰ হৈ বিদায় সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে সক্ৰিয় অৱসৰী জীৱনৰ বাবে আদৰণী জনায়। ইয়াৰ পিছতে সভা খনত চলিত বৰ্ষৰ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক তথা গহপুৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক জগদীশ শৰ্মাক গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা অভিনন্দন আৰু সম্বৰ্দ্ধনা জনোৱা হয় ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক জগদীশ শৰ্মাই চমু কৃতজ্ঞতা সূচক বক্তব্য প্ৰদান কৰি শিক্ষাব্ৰতী ৰাইজ, শিক্ষাৰ্থী সমাজ আৰু তেওঁৰ বিদ্যালয় খনৰ পৰিয়াল বৰ্গৰ সহযোগিতাৰ বাবেই তেওঁ কৃতী শিক্ষকৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছেবুলি মন্তব্য কৰি সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। ইয়াৰ পিছতে সভা খনত সাহিত্য অকাডেমি বঁটাপ্ৰাপক কবি জ্ঞান পূজাৰী, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ দত্ত, অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ দিগন্ত গোহাঞি, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° দীপক দাস, বিশিষ্ট সমাজ সেৱিকা বিৰজা হাজৰিকা, অৱসৰ প্ৰাপ্ত শিক্ষক গোপাল নেৱাৰ, ছাত্ৰী ঋতুপৰ্ণা ৰাজখোৱাই সম্বৰ্দ্ধনা সূচক চমু বক্তব্য প্ৰদান কৰে। সভাত গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষা নিকুঞ্জ কোঁৱৰ মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষা তথা বিশিষ্ট কবি, গল্পকাৰ সবিতা কোঁৱৰ, প্ৰাক্তন আছু নেতা অৰুণ মহন্ত, প্ৰাক্তন আছু নেত্ৰী ৰংপী হাজৰিকা, সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক উৎপল বৰুৱাসহ একাধিক গণ্য মান্য ব্যক্তি উপস্থিত থাকে।





केनरा बैंक Canara Bank
भारत सरकार का उपक्रम
A Government of India Undertaking
सिंडिकेट Syndicate

বিক্ৰী জাননী

**গুৱাহাটী শাখা**
প্ৰথম মহলা, জীৱন নিৰেশ বিল্ডিং
লাখটকীয়া, পাণবজাৰ, গুৱাহাটী, পিন- ৭৮১০০১

**স্থাৱৰ সম্পত্তিৰ কাৰণে ই-নিলাম বিক্ৰী জাননী, ছিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল এচেটছ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **২১.১০.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২০.১০.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে http://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ২১.১০.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/ শাখাৰ নাম আৰু ঠিকনা<br>খ) ঋণ লওঁতা / গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | ক) মুঠ দায়বদ্ধতা (টকা)<br>খ) সংৰক্ষিত মূল্য (টকা)<br>গ) ইএমডি (টকা)<br>ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) |
|---|---|---|---|
| ১। | ক) **কানাড়া বেংক, গুৱাহাটী শাখা** প্ৰথম মহলা, জীৱন নিৰেশ বিল্ডিং, লাখটকীয়া, পাণবজাৰ, গুৱাহাটী, পিন- ৭৮১০০১<br>খ) **ঋণ লওঁতা ঃ**<br>**জি এন জে এছ ৰুৰেল ৰেৰ হাউছ**<br>স্বত্বাধিকাৰী মিঃ ফিডুচুৰ ৰহমান<br>**গেৰাণ্টাৰ ঃ**<br>মিঃ আকিবুৰ ৰহমান<br>পিতা ঃ আজিজ ৰহমান, ঘৰৰ নং- ৩, জিএমচিএইচ চৌহদ, শ্ৰীমন্তপুৰ, ভঙাগড়, গুৱাহাটী-৩২<br>**কৰ্পৰেট গেৰেণ্টাৰ ঃ প্ৰযোজ্য নহয়** | ভূমিৰ সকলো অংশসহ পৰিমাপ হ'ল ৩ বিঘা- ২ কঠা, আৱৰি আছে ডাগ নং- ১৭৪, কে পি পট্টা নং- ৮১, গাঁও খানকাৰ গাঁও, মৌজা ঃ পানবাৰী, ৰাজহচক্ৰ ঃ চন্দ্ৰপুৰ, উপ-পঞ্জীয়ক-গুৱাহাটী, জিলা ঃ কামৰূপ (এম), অসম, নামত আছে মিঃ ফিডুচুৰ ৰহমান।<br>**চাৰিসীমা ঃ** উত্তৰে ঃ ২০ ফুট বহল পথ<br>দক্ষিণে ঃ ৰে'ল লাইন<br>পূবে ঃ দীপালী চৌধুৰী<br>পশ্চিমে ঃ ৩০ ফুট বহল পথ। | ক) **মুঠ দায়বদ্ধতা ঃ** **৫,১৪,৫২,৭৬৯.১৭** টকা + অতিৰিক্ত সুত আৰু ব্যয়।<br>খ) **সংৰক্ষিত মূল্য ঃ** **২২০.০০** লাখ<br>গ) **ইএমডি ঃ** **২২.০০** লাখ<br>ঘ) **ইনক্ৰিমেণ্ট এমাউণ্ট ঃ** ১,০০,০০০/- |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব মুখ্য প্ৰবন্ধক, গুৱাহাটী শাখাৰ সৈতে, ফোন নং ঃ **৯৪৩৫০৯৭৫২৬/৯৭০৬০৪৩৭৯৮** বা গুৱাহাটী শাখাৰ প্ৰবন্ধকৰ সৈতে, ফোন নং- ৯৭০৭৭৬৯৭৫৫ৰ সৈতে যিকোনো কৰ্ম দিনত কাৰ্যালয় চলি থকা সময়ৰ ভিতৰত।

**তাৰিখ ঃ ২৯.০৯.২০২২, স্থান ঃ গুৱাহাটী** **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৩০ ছেপ্টেম্বৰ ■ ২০২২ ■ ১৩ আহিন

# ভৰলুৰ সৌন্দৰ্য আৰু চৰকাৰৰ দায়িত্ব

গুৱাহাটী মহানগৰীৰ মাজেৰে বৈ যোৱা ভৰলু নৈখন নগৰখনৰ বাবেই এক সৌন্দৰ্যৰ আকৰ। অতীজৰে পৰা বৈ অহা এই নৈখনে নগৰৰ বহু লোকৰ জীৱন ধাৰণত সহায় কৰি আহিছে। বিশেষকৈ নগৰত বাস কৰা নিম্নমানৰ মানুহখিনিৰ বাবে এই নৈখন ত্ৰাণকৰ্তা হৈ আহিছে। অথচ এইখন নৈক বিজ্ঞানসম্মতভাৱে গঢ়ি তুলিবলৈ স্বাধীনতাৰ আগৰ আৰু পিছৰ কোনো এখন চৰকাৰৰে উদ্যম হাতত লোৱা পৰিলক্ষিত হোৱা নাই। প্ৰতি বছৰে ধুমুহা, বৰষুণ, বানপানী আদিয়ে নগৰবাসীক নানান প্ৰাকৃতিক দুৰ্যোগেৰে জলা-কলা কৰি পেলোৱা পৰিলক্ষিত হৈছে। অৱশ্যে এইবোৰ সমস্যাই নগৰবাসীৰ লগতে চৰকাৰৰো দৃষ্টিগোচৰ নোহোৱাকৈ থকা নাই। সময়ে সময়ে চৰকাৰে এনে সমস্যাৰ সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু অশান্তিময় কৰি তোলাৰ সময়তে নতুন চিন্তাধাৰাৰ উদ্ভেগ সৃষ্টি নকৰাকৈ থকা নাই। ফলত সমাধান হোৱাৰ বিভিন্ন পৰিকল্পনা প্ৰতিখন চৰকাৰেই প্ৰতি বছৰেই আশ্বাস দি আহিছে যদিও নগৰবাসীয়ে কিন্তু সেইবোৰৰ অপেক্ষা কৰাৰ পিছতো কোনো ফল পৰিপূৰ্ণ হোৱা দেখা নাই। সমস্যাবোৰৰ সমস্যা হৈয়ে ৰৈ আছে। তেনে এটি-দুটি সমস্যাৰ লগতে সঘনে বাতৰিত প্ৰকাশ হোৱা ভৰলু নৈখনৰ মাজমজিয়াত সৃষ্টি হোৱা প্ৰদূষণ। এনে প্ৰদূষণ মুক্ত কৰাৰ বাবে নগৰবাসীয়ে চৰকাৰক অভিযোগ দিয়াৰ বাতৰি প্ৰকাশ পাই আহিছে যদিও কোনো এখন চৰকাৰেই এই বিষয়টোত গুৰুত্ব দিয়া নাই। কেৱল দুই-এটা মন্তব্য প্ৰকাশ পোৱাৰ পিছত কামত ব্যৱস্থা লোৱা দেখা নাই। বৰং দিনে দিনে অধিক শোচনীয় অৱস্থালৈ যোৱাহে দেখা গৈছে। এয়া চৰকাৰৰ অৱহেলা আৰু নগৰবাসীৰ প্ৰতিবাদৰ দৃঢ়তাৰ অভাৱ। নৈখন অপৰিষ্কাৰ হৈ থকা দেখা যায়। এইক্ষেত্ৰত নগৰবাসীৰ জাবৰবোৰ পেলোৱাৰ কোনো সু-ব্যৱস্থাৰ অভাৱ। যাৰ কাৰণে নগৰৰ অধিকসংখ্যক লোকে নৈখনতে জাবৰবোৰ পেলাবলৈ অকণো সংকোচ নকৰে। এতিয়া ভৰলু নৈখন ইমান কদৰ্য ৰূপ লৈছে যে মানুহে ভৰলু নৈখনক সকলো ধৰণৰ জাবৰ পেলোৱা ডাষ্টবিন বুলিয়েই ধাৰণা কৰিছে। এই কথাত জনগণ নাইবা চৰকাৰ কাৰোৰেই ভ্ৰুক্ষেপ নাই। মুঠতে অত দিনৰ কদৰ্য ৰূপৰ কোনো পৰিবৰ্তন হোৱা নাই। কাৰণ নৈখন পৰিষ্কৰণৰ বাবে যি ধন-জনৰ প্ৰয়োজন সেই কথালৈ কাৰো মন-কাণ নাই। কোনেও ইয়াৰ বাবে আগভাগ লৈ আগবাঢ়ি নাহে। কেন্দ্ৰীয় চৰকাৰে সকলো লেতেৰা নৈ পৰিষ্কৰণৰ আঁচনি গ্ৰহণৰ বাবে নিৰ্দেশ দিছে যদিও ৰাজ্য চৰকাৰে বিষয়টোত গুৰুত্ব দিয়া নাই। প্ৰদূষণমুক্ত কৰাৰ বাবে মন্ত্ৰী-বিধায়ক তথা বিষয়া-কৰ্মচাৰীৰে গিজগিজাই থকা সত্ত্বেও ভৰলুৰ এনে কদৰ্য ৰূপত সকলো আচৰিত হ'ব লগা হৈছে। নগৰৰ মাজমজিয়াত থকা নৈখনৰ এনে অৱস্থাই স্মাৰ্ট চিটীৰ বিপৰীত ছবি এখনৰ কথাহে মনলৈ আনে। ভৰলুৰ এনে দুখ লগা অৱস্থাৰ পৰ্যটনৰ কথা সঘনাই কোৱা চৰকাৰৰ বাবে নৈখনৰ প্ৰদূষণ আঁতৰ কৰিবৰ প্ৰচেষ্টা হাতত ল'ব নোৱাৰাটো অতি লজ্জাজনক। যি সময়ত কেন্দ্ৰীয় চৰকাৰখনে অমৃত সৰোবৰৰ কথা কৈছে, সেই সময়ত একোটা দলৰে ৰাজ্য শাসন কৰি থকা চৰকাৰখনলৈ পৰিষ্কাৰ কৰাৰ আঁচনি এখন ৰূপায়ণ কৰিব নোৱাৰাটো জনসাধাৰণৰ বাবেই দুৰ্ভাগ্যৰ কথা। সেয়েহে ৰাইজৰ সজাগতাৰ অতি আৱশ্যক। চৰকাৰৰ দায়িত্বৰ সমানেই ৰাইজৰো দায়িত্ব। এইক্ষেত্ৰত অধিক গুৰুত্ব চৰকাৰে দিব লাগিবই আৰু জনসাধাৰণৰ সচেতনাই এইক্ষেত্ৰত অধিক গুৰুত্ব দিলেহে কাৰ্যতঃ ভৰলুৰ পৰিষ্কৰণ তথা প্ৰদূষণৰ পৰা মহানগৰবাসী উপকৃত হ'ব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### প্ৰতিমা বিসৰ্জনৰ বাবে নিৰ্দিষ্ট এডোখৰ ঠাই হোৱা উচিত

দুৰ্গোৎসৱ সমাগত, চৌদিশে দুৰ্গোৎসৱৰ মণ্ডপবোৰ জাক-জমকতাৰে সজাই তুলিছে। কিন্তু সেই জাক-জমকতা কেৱল তিনি-চাৰি দিনৰ বাবেহে। দুৰ্গোৎসৱ বা অন্য কোনো ধাৰ্মিক উৎসৱৰ প্ৰতিমা বা মূৰ্তিসমূহ নৈত বিসৰ্জন দিয়াটো ধাৰ্মিক পৰম্পৰা হিচাপে অতীজৰ পৰা পালন কৰি আহিছে । কিন্তু বৰ্তমান অনুভৱ হয় এই পৰম্পৰা নৈত বিসৰ্জন দিয়াৰ সলনি এডোখৰ নিৰ্দিষ্ট ঠাইৰ ব্যৱস্থা কৰা উচিত। অসম তথা ভাৰতত বছৰি এনে অসংখ্য উৎসৱ উদ্‌যাপন কৰা হয় আৰু সেই উৎসৱৰ প্ৰতিমা বা মূৰ্তিসমূহ নৈত বিসৰ্জন দিয়া হয়। বৰ্তমান আগন্তুক দুৰ্গোৎসৱলৈকে মন কৰিলে দেখা পাম, অসমৰ এনে এটা অঞ্চল নোলাব য'ত দুৰ্গোৎসৱ উদ্‌যাপনৰ আয়োজন কৰা নাই আৰু শেষত সকলো প্ৰতিমা বিসৰ্জন নৈৰ বুকুতেই দিয়া হয়। কিন্তু প্ৰতিমাবোৰ নৈত বিসৰ্জন দিয়াৰ ফলত নৈৰ বুকুতে আবদ্ধ হৈ পৰে। হয়তো উপনৈবোৰে উটাই নি ব্ৰহ্মপুত্ৰৰ বুকুত গেদ হিচাপে জমা কৰে। অতীজৰ পৰা চলি অহা এই পৰম্পৰাই বৰ্তমানলৈকে নৈসমূহৰ বুকুত এনে কিমান গেদ জমা কৰিছে হয়তো আমি তাৰ কল্পনাও কৰিব নোৱাৰো। এই গেদবোৰে নৈৰ ক্ৰমে নৈসমূহৰ বুকু বাম কৰি অনাত অৰিহণা যোগাইছে। অসমৰ বানপানীৰ সমস্যাৰ ইও এটা অন্য কাৰণ নহয় বুলি আমি নুই কৰিব নোৱাৰোঁ। কিন্তু এই উৎসৱ-পাৰ্বণসমূহ আমাৰ ধাৰ্মিক পৰম্পৰা। এই পৰম্পৰা সালসলনি কৰাটো আমাৰ বাবে সম্ভৱপৰ নহয়। কিন্তু আমি ইয়াৰ কিছু নিয়ম সলনি কৰি নৈৰ বুকুত বিসৰ্জন দিয়াৰ পৰিৱৰ্তে প্ৰতিটো অঞ্চলতে একোডোখৰ নিৰ্দিষ্ট ঠাই সংৰক্ষণৰ ব্যৱস্থা কৰিলে বানপানীৰ দৰে এটা দুৰ্যোগ নিৰাময়ৰ বাবে কিছু পৰিমাণে হ'লেও অৰিহণা যোগাব। গতিকে দুৰ্গোৎসৱৰ সমিতিসমূহে এক গোট হৈ এটা যোগাত্মক দৃষ্টিভংগীৰে এই বিষয়টোৰ ওপৰত বিবেচনা কৰা উচিত হ'ব ।

■ **মানস প্ৰতিম সন্দিকৈ**

*ফোন ঃ ৯৩৬৫৭-০১৯৮৫*

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ চৰাইদেউৰ প্ৰান্তে প্ৰান্তে সোপাধৰাৰ আতংক ■

# সোপাধৰাৰ নামত অপপ্ৰচাৰ চলোৱা ব্যক্তিৰ সন্ধানত আৰক্ষী

**মৃদুল কুমাৰ চাহু**



আধুনিক বিজ্ঞানৰ যুগত সোপাধৰা, ডাইনী আদি শংকাজনিক শব্দৰ কিবা অস্তিত্ব আছেনে? সোপাধৰা, পিছল মানুহৰ অপপ্ৰচাৰে চৰাইদেউ জিলাৰ প্ৰান্তে প্ৰান্তে আতংকই বিৰাজ কৰিছে। বহু অভিভাৱক সোপাধৰাৰ শংকাত নিজৰ সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ ভয় কৰিছে। অস্তিত্বহীন আতংকময় সোপাধৰাৰ পক্ষত একাংশ লোকে সামাজিক মাধ্যমত কেইটামান বীভৎস দৃশ্য প্ৰচাৰ চলাই মানুহৰ মাজত আতংক বিয়পোৱা চক্ৰটোৰ মূল নায়কৰ আৰক্ষীয়ে আটক কৰি প্ৰকৃত সত্যতা নিৰূপণ নকৰা পৰ্যন্ত সোপাধৰাৰ নামত অনাগত দিনত আৰু কিমানগৰাকী নিৰীহ ব্যক্তিয়ে প্ৰাণ হেৰুৱাব তাৰ নিশ্চয়তা নোহোৱা হৈছে। কোনে আৰু কি অভিসন্ধি সন্মুখত ৰাখি সোপাধৰাৰ নামত জনসাধাৰণৰ মাজত সন্দেহজনক এক চিত্ৰ তুলি ধৰি আতংকময় পৰিস্থিতি সৃষ্টি কৰিছে তাৰ সঠিক তথ্য উদ্‌ঘাটন কৰি জনসাধাৰণৰ মাজত সৃষ্টি হোৱা আতংক দূৰ কৰাৰ ক্ষেত্ৰত প্ৰাথমিক অৱস্থাত গাঁওৰক্ষী বাহিনীকে ধৰি চৰকাৰে গঠন কৰি দিয়া স্বেচ্ছাসেৱী সংগঠনসমূহে গুৰুত্বপূৰ্ণ ভূমিকা লৈ সোপাধৰাৰ বিৰুদ্ধে থকা ভ্ৰান্ত ধাৰণাক নিৰ্মূল কৰি ৰাইজৰ মাজত সজাগতামূলক সভাৰ যোগেৰে জাগৰণ সৃষ্টি কৰিবলৈ দায়িত্ব লোৱাটো প্ৰয়োজন। কিয়নো সোপাধৰাৰ নামত অভি-নীলৰ দৰে প্ৰতিভাৱান মেধাৱী ছাত্ৰ দুজনে অবাঞ্ছিতভাৱে মৃত্যুক আঁকোৱালি লোৱা হৃদয়বিদাৰক ঘটনাক অসমৰ জনগণে আজিও পাহৰা নাই। তেনেদৰে বহুকেইগৰাকী মানসিক বিকাগ্ৰস্ত ব্যক্তিয়েও অবাঞ্ছিতভাৱে সোপাধৰাৰ নামত প্ৰাণ দিব লগা হ'ল। পুনৰ সোপাধৰাৰ নামত ৰাজ্যত এক প্ৰতিক্ৰিয়াশীল চক্ৰয়ে অপপ্ৰচাৰ চলাই মানুহৰ মাজত আতংকময় পৰিৱেশ সৃষ্টি কৰাত ৰাজ্যখনত আক্ৰান্তক মনোভাবাপন্ন এক ভয়াৱহ পৰিস্থিতিৰ ইংগিত বহন কৰিছে। ইতিমধ্যে সোপাধৰাৰ নামত মূকবধিৰ, মানসিক ৰোগী শাস্তিৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। সোপাধৰা, পিছল মানুহৰ আৱিৰ্ভাৱ ঘটাই অশুভ চক্ৰই আৰক্ষীক বিপথে পৰিচালিত কৰি নিজৰ অসৎ অভিসন্ধি পূৰণৰ স্বাৰ্থত নিজৰ পথ মুকলি কৰিছে নেকি? এনেবোৰ ভ্ৰান্ত ধাৰণাক সত্যতাৰ কোটি কোটি টকাৰ ড্ৰাগ্‌ছকে ধৰি বিভিন্ন অবৈধ যাদৰ দ্ৰব্যৰ ব্যৱসায়ৰ নেটৱৰ্ক গঢ়িবলৈ চেষ্টা কৰিছে নেকি? নিতৌ নতুন নতুন ৰূপত সোপাধৰা কাহিনী সম্প্ৰচাৰ হৈছে। কোনো ভিত্তি নথকা কাহিনী প্ৰচাৰ চলাই ৰাইজৰ মাজত আতংক বিষয়াই জনসাধাৰণক ভীতিগ্ৰস্ত কৰাত পূজাৰ বতৰত দুটকা উপাৰ্জনৰ আশা কৰা থলুৱা ব্যৱসায়ীসকলে বাগিচা আৰু গ্ৰামাঞ্চললৈ যাবলৈ ভয় কৰিছে। জানোচা সোপাধৰাৰ ৰোষত পৰিব তেনে চিন্তাই খেদি ফুৰাত থলুৱা ব্যৱসায়ীসকলে বিনীদ্ৰ ৰজনী পাৰ কৰিছে। অৱশ্যে জিলাখনত একাংশ অচিনাকি ফেৰীৱালাই এনেবোৰ ৰূপ প্ৰচাৰৰ কেৰেপ নকৰি বিলাসী বাহনত বিভিন্ন সামগ্ৰী বিক্ৰীত নামি পৰিছে। বিলাসী বাহনত অহা ফেৰীৱালাসকলৰ প্ৰকৃত পৰিচয় কোনেও নাজানে? যোৱা কিছুদিন পূৰ্বে এখন নীলা ৰঙৰ ভানত অহা দুৰ্বৃত্তৰ দলটোৱে সোণাৰি জাতীয় বিদ্যালয়ৰ এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰক অপহৰণৰ চেষ্টা কৰি ব্যৰ্থ হোৱাৰ পিছত হুবহু এখন গাড়ীয়ে দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰক দুৰ্বৃত্তৰ দলটোৱে অপহৰণ কৰা বুলি সংবাদ মাধ্যমত সম্প্ৰচাৰণ হোৱা বাতৰিক কেন্দ্ৰ কৰি জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জিলাখনৰ আৰক্ষীয়ে দিচাংপানীৰ অপহৰণৰ বিষয়টোৰ জোৰদাৰ তদন্তৰ চলোৱাৰ অন্তত যিখন ছবি পোহৰলৈ আহিল সেয়া প্ৰকাশ কৰিলে এখন নাভূত-নাশ্ৰুত ছবি এখন পোহৰলৈ আহিব। এই ঘটনাবোৰক ৰহণ সানি সমাজত সোপাধৰাৰ অস্তিত্বক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা চক্ৰটোৰ অভিসন্ধি মুঠেই সুবিধাজনক নহয়। সোপাধৰাৰ আতংক বিয়পাই ভীতিগ্ৰস্ত হৈ পৰা পৰিয়ালৰ ঘৰত চোৰ কৰাৰ সুযোগ লোৱা চক্ৰটোৱে আৰক্ষীয়ে চিনাক্ত কৰিব পাৰিলেই সোপাধৰাৰ প্ৰকৃত ৰহস্য পোহৰলৈ আহিব। অৱশ্যে সোপাধৰাৰ গইনা লৈ জিলাখনত মানৱ সৰবৰাহকাৰী এক চক্ৰ সক্ৰিয় হৈ থকাটো নিশ্চিত। চিকিৎসা বিজ্ঞানৰ লগত জড়িত একাংশ ধুৰন্ধৰ ব্যক্তিয়ে লক্ষ্য কৰি লৈছে ছবছৰৰ পৰা দহ বছৰৰ ল'ৰা-ছোৱালীক। এই কাৰ্যৰ নেপথ্যত মানৱ দেহ অংগ ব্যৱসায়ী চক্ৰ জড়িত থকাৰ সম্ভাৱনা আছে। প্ৰধানকৈ অচিনাকি স্বাস্থ্যৱান ফেৰীৱালাৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলালেই জোলোঙাৰ মেকুৰি ওলাই পৰিব। অৱশ্যে সোপাধৰা, ক'লা মানুহ, পিছল মানুহৰ দৰে অপ্ৰাসংগিক তথা ভিত্তিহীন খবৰ অপপ্ৰচাৰ চলোৱাৰো সত্যতা আছে নে নাই তাৰ নিশ্চয়তা নাথাকিলেও অচিনাকি ব্যক্তিৰ লগত আত্মীয়তা নগঢ়িব। নিজৰ সন্তানক সুনিশ্চিত নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত অভিভাৱকসকলক সদা সচেতন হৈ থাকিবলৈ প্ৰতিগৰাকী অভিভাৱকক আৰক্ষী প্ৰশাসনে আহবান জনাইছে। সন্দেহজনক ব্যক্তি দেখিলে তৎকালে আৰক্ষীক অৱগত কৰক। আইন হাতত তুলি নল'বলৈ আৰক্ষীয়ে আহবান জনাইছে।

# দুৰ্গাৰ নটা ৰূপ আৰু নৱৰাত্ৰত ন-ৰূপৰ আৰধনা

■ **অজয় বৰুৱা**

ভাৰতীয় হিন্দু ধৰ্মত শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ মাহাত্ম্যই এট বিশেষ স্থান অধিকাৰ কৰি আহিছে। শক্তিবাদ বা শক্তি উপাসনা ভাৰতীয় ঐতিহ্যৰ এক অতিশয় মহত্ত্বপূৰ্ণ আৰু গৌৰৱোজ্জ্বল বৈশিষ্ট্য। বিশ্ব-ব্ৰহ্মাণ্ডৰ জড়, চেতন, দৃশ্যমান, অদৃশ্য সকলোতে শক্তি বিৰাজমান। শক্তি অবিহনে এই চৰাচৰ বিশ্বৰ সৃষ্টি, স্থিতি, প্ৰলয় আদি কোনো কাৰ্যই সংঘটিত হ'ব নোৱাৰে। ধৰ্মপ্ৰাণ ভাৰতীয়সকলে সেই বাবে সম্ভৱতঃ শক্তিক এগৰাকী দেৱীৰূপে কল্পনা কৰি সেই দেৱীক বিশ্ব শক্তিৰ আধাৰ হিচাপে জ্ঞান কৰি উপাসনা কৰি আহিছে। কালক্ৰমত সেই শক্তিদেৱীয়ে দুৰ্গা, কালী, ভৱানী, ব্ৰহ্মাণী আদি নামেৰে খ্যাত হ'ল। ভাৰতৰ পূৰ্বাঞ্চলৰ অসমকে ধৰি কেইখনমান ৰাজ্যত শক্তিৰ উপাসনা বা শক্তি তত্ত্বই ভাৰতীয় ধৰ্মীয় চিন্তা-ভাৱনাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। ভাৰতীয় ধৰ্মীয় ধাৰাত শক্তিবাদে দেৱী চণ্ডিকা বা দুৰ্গাক মহিমামণ্ডিত প্ৰকট কৰি দেখুৱাইছে। এই দেৱীক সকলো কৰ্মৰে সিদ্ধিদাতৃ, জগত জননী, পতিত পাৱনীৰূপে ভক্তৰ প্ৰাণত অৱস্থান কৰাইছে।



কালিকা পুৰাণৰ মতে শৰৎ কালত কন্যাৰাশিত দেৱী পূজা বিধিগত। পূৰ্বতে দুৰ্গা পূজা হৈছিল বসন্ত কালত। সেই কাৰণে দুৰ্গাৰ আন এটি নাম বাসন্তী দুৰ্গা। ৰাৱণক বধ কৰিবৰ কাৰণে ৰামে অকালত অৰ্থাৎ শৰৎকালত এই দেৱী পূজা কৰিছিল। সেই কাৰণে দুৰ্গা পূজা শাৰদীয় উৎসৱ বুলিও জনাজাত। দুৰ্গা শব্দৰ অৰ্থ হৈছে 'দুৰ্গ' নামৰ দৈত্য, মহাবিপদ, কুকৰ্ম, শোক, দুখ আৰু মহাভয় ইত্যাদি (চণ্ডী)। যিগৰাকীয়ে উদ্ধাৰ কৰে তেঁৱেই দুৰ্গা। বিশ্ব-ব্ৰহ্মাণ্ডৰ যিগৰাকী সৰ্বশক্তিৰ অধিকাৰী শক্তিৰূপিনী সেইগৰাকীয়ে দুৰ্গা। দুৰ্গ শব্দটো দৈত্যবাচক। আ কাৰ নাশবাচক। যিগৰাকীয়ে 'দুৰ্গ' নামৰ অসুৰক বিনাশ কৰে তেঁৱেই দুৰ্গা।

'যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতাঃ
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।'

সমস্ত দেৱ-দেৱতাগণৰ বিন্দু বিন্দু তেজ একত্ৰিত কৰি সৃষ্টি হোৱা ৰূপৱতী, লাৱণ্যময়ী, পৰমা সুন্দৰী দেৱীগৰাকী প্ৰথমে কাত্যায়ন মুনিৰ দ্বাৰা পূজিতা হোৱা বাবে দেৱীৰ নাম হয় কাত্যায়নী। এইগৰাকী দেৱী দশভুজা। আদ্যাশক্তি মহামায়া দেৱ-দেৱতাৰ পৰা আৰাধিতা হৈ আহিন মাহৰ কৃষ্ণপক্ষৰ চতুৰ্দশী তিথিত আৱিৰ্ভাৱ হয়। ইয়াৰ পিছৰে পৰা দেৱীয়ে প্ৰতি তিথিতে একো একোটা ৰূপ ধাৰণ কৰি দশমীৰ দিনা অন্তৰ্ধান হয়। আহিন মাহৰ কৃষ্ণপক্ষৰ চতুৰ্দশীৰ পৰা নৱমীৰ দিনালৈকে দেৱী মহামায়াই যি নটা ৰূপ ধাৰণ কৰে তাকে নৱদুৰ্গা বুলি কোৱা হয়। দেৱীয়ে নটা ৰূপ লৈ পাপীৰ পৰা সৃষ্টিক মুক্ত কৰাৰ লগতে ভক্তগণক আকাংক্ষিত ফল প্ৰদান কৰে। এয়াই দেৱী পূজাৰ নৱৰাত্ৰিৰ মূল তাৎপৰ্য। নৱৰাত্ৰ ঃ নৱ শব্দৰ অৰ্থ হৈছে 'ন'(৯)। ৰাত্ৰ মানে ৰাতি। বাসন্তী দুৰ্গা পূজা আৰু শাৰদীয় দুৰ্গা পূজাৰ কালছোৱাত শুক্লা প্ৰতিপদৰ পৰা নৱমীপৰ্যন্ত ন দিন ব্যাপী উদ্‌যাপন কৰা দুৰ্গা ব্ৰতকেই নৱৰাত্ৰ বোলে। উত্তৰ ভাৰতৰ নৱৰাত্ৰ উৎসৱ হৈছে দেৱীৰ বহু প্ৰচলিত মহিষাসুৰ বধৰ কাহিনী। পূব ভাৰতৰ উৎসৱ উৎপত্তি হৈছে সতীৰ উমাৰূপে পূৰ্ণজন্ম লাভ আৰু উমাৰ সপৰিবাৰে পিতৃগৃহ আগমনৰ ওপৰত ভিত্তি কৰি। আৰু ভাৰতৰ বহু ৰাজ্যত দুৰ্গা পূজাৰ শেষত দুৰ্গাৰ আশীৰ্বাদত বলীয়ান শ্ৰীৰামচন্দ্ৰৰ ৰাৱণ বধৰ কাহিনীৰ আধাৰত নৱৰাত্ৰ উৎসৱৰ সূচনা হৈছে। এই তিনিওটা উৎসৱ মূল বিন্দু হ'ল দেৱী দুৰ্গাৰ আৰাধনা। সেয়ে দুৰ্গোৎসৱেই হৈছে 'নৱৰাত্ৰ' উৎসৱ। দেৱী দুৰ্গাৰ নটা ৰূপক পূজাৰ আধাৰ কৰি নৱৰাত্ৰ উৎসৱ পালিত হয়। স্বয়ং ব্ৰহ্মাই দেৱী দুৰ্গাৰ এই নটা নাম দিছিল। ইয়াৰ বাবেই এই নটা ৰূপৰ নৱদুৰ্গা নামেৰে পৰিচিত। মা মহামায়াৰ নটা ৰূপৰ প্ৰথমটো হ'ল— 'শৈলীপুত্ৰী'। শৈল শব্দৰ সাধাৰণ অৰ্থ হ'ল 'পৰ্বত'। ইয়াত শৈল মানে হিমালয় পৰ্বত। সতীৰ দেহ ত্যাগ কৰাৰ পিছত সতীয়ে আকৌ শৈলপুত্ৰীৰূপে হিমালয় ঘৰত আৱিৰ্ভূতা হৈছিল। অসুৰ কুলৰ ধ্বংসৰ বাবে যোগ্য সেনাপতি কাৰ্ত্তিকেয়ৰ জন্মৰ বাবেই দেৱীয়ে শৈলীপুত্ৰীৰ ৰূপত এই পৃথিৱীত অৱতৰণ কৰিছিল। এই ৰূপত দেৱী দুৰ্গাই দক্ষিণ বাহুত ত্ৰিশূল, বাঁও বাহুত পদুম ফুল ধাৰণ কৰে আৰু বৃষভৰ ওপৰত আৰোহণ কৰা দেখা যায়। দ্বিতীয় ৰূপটো হ'ল— 'ব্ৰহ্মচাৰিণী'।

শৈলপুত্ৰীৰ আন এটা নাম হৈমৱতী। তেওঁ ব্ৰহ্মচাৰিণী। দেৱতাসকলৰ অহংকাৰ চূৰ্ণ কৰি তেওঁ দেৱৰাজ ইন্দ্ৰক ব্ৰহ্মজ্ঞান দান কৰিছিল। নৱৰাত্ৰ ব্ৰতৰ দ্বিতীয় দিনা ব্ৰহ্মচাৰিণীৰ আৰধনা কৰা হয়। এই ৰূপত দেৱীয়ে সোঁহাতত জপৰ মালা লয় আৰু বাঁও হাতত কমণ্ডলু ধাৰণ কৰে। যিয়ে ব্ৰহ্মচাৰিণী দেৱীৰ আৰাধনা কৰে তেওঁৰ ত্যাগ, বৈৰাগ্য, সদাচাৰ, সংযম আদি গুণ বৃদ্ধি পায়। কঠিন পৰিস্থিতিতো দেৱীৰ আৰাধনা কৰিলে সিদ্ধি আৰু বিজয়প্ৰাপ্তি হয়। তৃতীয় ৰূপটো হ'ল- চন্দ্ৰঘণ্টা। দেৱীৰ দহখন হাতত নানা অস্ত্ৰ বিৰাজমান। দেৱীৰ বাহন সিংহ। তৃতীয় দিনাখন দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱীৰ কৃপাত সমস্ত পাপ আৰু বাধা-বিঘিনি দূৰ হয়। মহিষাসুৰ বধৰ বাবে আৱিৰ্ভূতা মহালক্ষ্মীস্বৰূপিণী দেৱী দুৰ্গাৰ হাতত দেৱৰাজ ইন্দ্ৰই তেওঁৰ বাহন ঐৰাৱতৰ ঘণ্টাটো দিছিল। এই ঘণ্টাৰ ধ্বনি প্ৰচণ্ড। মহাবিশ্বৰ মূলতে যি শব্দ ব্ৰহ্ম বা নাদব্ৰহ্ম আছে সেই নাদব্ৰহ্মৰ উৎপত্তি হৈছে এই মহাঘণ্টাৰ ধ্বনিৰ পৰাই। চতুৰ্থ ৰূপটো হ'ল— কুষ্মাণ্ড। যি সময়ত জগতখন অন্ধকাৰাছন্ন আছিল আৰু জগতৰ কোনো অস্তিত্ব নাছিল ঠিক সেই সময়তে দেৱীয়ে হাস্য বদনেৰে ব্ৰহ্মাণ্ড সৃষ্টি কৰিছিল। যিগৰাকী সন্তানৰ মংগলৰ বাবে ত্ৰিবিধ তাপ বহন কৰে তেৰেঁই 'কুষ্মাণ্ডা'।এইগৰাকী দেৱী অষ্টভুজা নামেৰেও জনাজাত। দেৱী কুষ্মাণ্ডাক পূজা-উপাসনা কৰিলে সমস্ত ৰোগ-শোক দূৰ হয় আৰু আয়ু, যশ, বল বৃদ্ধি হয়। নৱৰাত্ৰৰ চতুৰ্থ দিনা কুষ্মাণ্ডাৰ আৰাধনা কৰা হয়। পঞ্চম ৰূপটো হ'ল— 'স্কন্দমাতা'। কাৰ্তিকৰ আন এটা নাম স্কন্দ। কাৰ্তিকৰ মাক হোৱা বাবে দেৱী দুৰ্গাক স্কন্দমাতা নামেৰেও জনা যায়। এইগৰাকী দেৱী শুভ্ৰ বৰ্ণা আৰু পদুম ফুলৰ ওপৰত উপৱিষ্টা। স্কন্দমাতা দেৱীক ভক্তি সহকাৰে আৰাধনা কৰিলে ভক্তৰ সকলো ইচ্ছা দেৱীয়ে পূৰণ কৰে। নৱৰাত্ৰৰ পঞ্চম দিনা দেৱী স্কন্দমাতাৰ আৰাধনা কৰা হয়। ষষ্ঠ ৰূপটো হ'ল— কাত্যায়নী। মহাপীঠ বৃন্দাবনৰ অধিষ্ঠাত্ৰী দেৱী কাত্যায়নী। মহৰ্ষি কাত্যায়নৰ পূজাত সন্তুষ্ট হৈ দেৱীয়ে দশমীৰ দিনা মহিষাসুৰক বধ কৰিছিল। কাত্যায়নে প্ৰথমে আৰাধনা কৰাৰ বাবে নাম হয় দেৱী কাত্যায়নী। কায়োমনোবাক্যে শুদ্ধ অন্তৰেৰে ভক্তি সহকাৰে কাত্যায়নী দেৱীৰ আৰাধনা কৰিলে ধৰ্ম, অৰ্থ, কাম, মোক্ষ ৰূপত ফল প্ৰাপ্তি হয়। সপ্তম ৰূপটো হল— 'কালৰাত্ৰি'। ঋগ্বেদৰ দশম মণ্ডলত যি ৰাত্ৰিসুক্ত আছে, তাত পৰমব্ৰহ্মক ৰাত্ৰি হিচাপে বৰ্ণনা কৰা হৈছে। মহাপ্ৰলয়ৰ ৰাতিয়েই হৈছে মহাৰাত্ৰি। মহাৰাত্ৰিকৈ কালৰাত্ৰি গভীৰতা, কালৰাত্ৰিত মহাবিষ্ণু নিদ্ৰিত অৱস্থাত থাকি যোগনিদ্ৰাক ভজনা কৰা হয়। দেৱীৰ গাৰ ৰং আন্ধাৰৰ নিচিনা ক'লা। কেশ বিন্যাস বিন্যস্ত, কণ্ঠত বিদ্যুতৰ চমকৰ নিচিনা উজ্জ্বল মালা আৰু তিনিটা ভয়ংকৰ চকু। এইগৰাকী দেৱীৰ বাহন গাধ। কালৰাত্ৰি দেৱীৰ আৰাধনা কৰাৰ লগে লগে দৈত্য, দানৱ, ৰাক্ষস, ভূত-প্ৰেত আদি সকলো ভীতিগ্ৰস্ত হৈ সেই স্থান ত্যাগ কৰে। দেৱীৰ কৃপা থাকিলে সকলো প্ৰকাৰৰ ভয়ৰ পৰা মুক্ত হৈ ভক্তগণে সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিব পাৰে। নৱৰাত্ৰৰ সপ্তম দিনা কালৰাত্ৰিৰ আৰধনা হয়।

অষ্টম ৰূপটো হল— 'মহাগৌৰী'। মহাগৌৰী দেৱী বৃষভ বাহনা আৰু চতুৰ্ভুজা। এইগৰাকী দেৱীয়ে শিৱক পতিৰূপে পাবলৈ পাৰ্বতী ৰূপেৰে বহু বছৰ তপস্যা কৰিছিল। ভগৱান শিৱই সন্তুষ্ট হৈ গংগাৰ পৱিত্ৰ জলেৰে দেৱীক স্নান কৰায় আৰু লগে লগে দেৱীৰ দেহ জ্যোতিষ্মান আৰু গৌৰ বৰ্ণৰ হৈ পৰে। সেই বাবে এইগৰাকী দেৱী মহাগৌৰী নামেৰে অভিহিত। নৱৰাত্ৰিৰ লগতে অষ্টমীৰ দিনাখন মহাগৌৰী দেৱীৰ পূজা-অৰ্চনা কৰা হয়। দেৱীৰ কৃপাত ভক্তৰ অলৌকিক সিদ্ধি লাভ হয়, লগতে সকলো দোষ নাশ হয় আৰু সৰ্ব পাপ-ভয় দূৰ হয় ।নৱৰাত্ৰৰ অষ্টম দিনা মহাগৌৰীৰ পূজা হয়। নৱম ৰূপটো হ'ল— 'সিদ্ধিদাত্ৰী'। দেৱীয়ে ভক্ত আৰু সাধকৰ সৰ্বপ্ৰকাৰ সিদ্ধি প্ৰদান কৰে। এই দেৱীৰ কৃপাৰ ফলতে দেৱাদিদেৱ মহাদেৱে সকলো প্ৰকাৰ সিদ্ধি লাভ কৰিছিল। ইয়াৰ উপৰি সিদ্ধিদাত্ৰী দেৱীৰ কৃপাৰে শিৱ অৰ্দ্ধনাৰীশ্বৰ হৈছিল। নৱৰাত্ৰৰ নৱম দিনা সিদ্ধিদাত্ৰীৰ আৰধনা কৰা হয়। নৱদুৰ্গাৰ আন নটা ভিন্ন ৰূপ হ'ল- প্ৰেতাসীনা চামুণ্ডা, মহিষাসনা বাৰাহী, গজাসীনা ঐন্দ্ৰী, গৰুড়াসীনা বৈষ্ণৱী, নাৰসিংহী শিৱদূতী, বৃষাসীনা মাহেশ্বৰী, শিখিবাহনা কৌমাৰী, হংসাসীনা ব্ৰাহ্মী আৰু পদ্মাসীনা লক্ষ্মী। এই নটা ৰূপতেও দেৱী দুৰ্গা পূজাত হৈ থাকে। নৱৰাত্ৰত নটা গছ বা গছৰ ডালক দেৱী দুৰ্গাৰ প্ৰতিনিধিৰূপে পূজা কৰা হয়। গছকেইবিধ হ'ল— কদলী (কল), দাড়িমী (ডালিম), ধ্যান (ধান), হৰিদ্ৰা (হালধি), মানক (মানকচু), কচু, বিলৰ (বেল), অশোক আৰু জয়ন্তী। ইয়াৰ উপৰি নৱৰাত্ৰৰ সৈতে জড়িত আচাৰসমূহ হ'ল— অধিবাস, পূজা, কল্পাৰম্ভ, বোধন, বিসৰ্জন আৰু অপৰাজিতা পূজা। নৱৰাত্ৰৰ অন্যতম বৈশিষ্ট্যৰ ভিতৰত হ'ল কুমাৰী পূজা। এই কুমাৰী পূজাত দেৱীৰ ৰূপ আৰু শক্তি সম্পূৰ্ণৰূপে কুমাৰীত আৰোপ কৰি সাধকজনে তদ্‌গতচিত্ত হয়। ১-১৬ বছৰলৈ কুমাৰীসকলৰ নামবোৰ হ'ল— সন্ধ্যা, সৰস্বতী, ত্ৰিধামূৰ্তি, কালিকা, সুভগা, উমা, মালিনী, কুব্জিকা, কাল-সংঘৰ্ষা, অপৰাজিতা, ৰুদ্ৰাণী, ভৈৰৱী, মহালক্ষ্মী, কুলনায়িকা, ক্ষেত্ৰভা, চণ্ডিকা। ভাৰতৰ হিন্দু সমাজখন জাতি-বৰ্ণভেদে সহস্ৰ ধাৰাত বিভিন্ন খণ্ডিত, বিচ্ছিন্ন যদিও নৱৰাত্ৰই সম অধিকাৰ, সমন্বয়, ঐক্য-সংহতি বাণী বহন কৰি আহিছে। শক্তিৰ পূজা এই নৱৰাত্ৰই আমাক সাহসী, শক্তিমান, নিৰ্ভীক আৰু ঐক্যবদ্ধ হ'বলৈ শিকায়।



# শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰী

■ **হৰেন গগৈ**

অসমীয়া ভাষা-সাহিত্যলৈ অমূল্য অৱদান আগবঢ়াই সময়ত জনসমাদৃত হৈ ইহসংসাৰ ত্যাগ কৰা সাহিত্যিকসকলৰ ভিতৰত বিশিষ্ট শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰী অন্যতম।

১৯৪১ চনৰ ২ জুন তাৰিখে ছয়গাঁৱৰ শ্ৰীশ্ৰীঈশ্বৰ দৈমাৰী সত্ৰত পূৰ্ণচন্দ্ৰ অধিকাৰীৰ পুত্ৰ হিচাপে জন্মগ্ৰহণ কৰা গগন চন্দ্ৰ অধিকাৰীয়ে যথাসময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত এম এ পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৬১ চনত ভাৰতীয় জীৱন বীমা নিগমত চাকৰি কৰিবলৈ লৈ ১৯৬৭ চনৰ অসম চৰকাৰৰ নিয়োগ বিভাগত এক সুদীৰ্ঘ সময় চাকৰি কৰি সময়ত যুটীয়া সঞ্চালক হৈ ১৯৯৯ চনৰ ৩১ মে' তাৰিখে তেওঁ অৱসৰ গ্ৰহণ কৰে।

আনহাতে, স্কুলীয়া জীৱনৰে পৰাই ভাষা-সাহিত্যৰ চৰ্চা কৰি অহা অধিকাৰী কালক্ৰমত শিশু সাহিত্যিক হিচাপে জন-সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ ৰচনা কৰি থৈ যোৱা পুথিসমহৰ ভিতৰত— টকাত একোটা হাতী, ৰ'দালি এ অকণ ৰ'দ দে, আকাশ গীত, তিনিখন ঠেং হ'ল বুঢ়ী আইতাৰ, মনোৰম খবৰৰ পেৰা আৰু টৰ্চ মৰা মাছ আদিয়ে প্ৰধান। এই পুথিসমূহৰ উপৰি নৱকান্ত বৰুৱাৰ শিশু সাহিত্য সমগ্ৰ আদি কেইখনমান পুথি তেওঁ সম্পাদনা কৰি থৈ গৈছে। নিজস্ব সৃষ্টিকৰ্মৰ বাবেই হওক বা অন্য কোনো কাৰণতেই হওক, জীৱিত অৱস্থাতে সাহিত্য অকাদেমিৰ 'শিশু সাহিত্য অকাদেমি' আৰু অসম সাহিত্য সভাৰ প্ৰেমধৰ দত্ত সোঁৱৰণি 'দত্ত সোঁৱৰণি' বঁটাকে আদি কৰি কেইবাটাও সন্মানীয় বঁটা লাভ কৰাৰ উপৰি চৰকাৰৰ সাহিত্যিক পেঞ্চনো তেওঁ লাভ কৰিছিল। কিন্তু দুখৰ বিষয় এই যে, ২০২০ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে তেওঁ ইহসংসাৰ ত্যাগ কৰে। তেওঁৰ সৃষ্টিকৰ্মৰ সঠিক মূল্যায়নসহ বহুল প্ৰচাৰৰ বাবে তেওঁৰ গুণগ্ৰাহী ব্যক্তিসকলে যথোচিত পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি শেষত আশা কৰা হ'ল।

# চাওতাল জনগোষ্ঠী ঃ গোত্ৰৰ পৰা উপগোত্ৰলৈ

■ **ৰমেশ চন্দ্ৰ চৰেণ**

এসময়ৰ কথা। চাওতালসকলে পূৰ্বৰে পৰা পূজা-পাৰ্বণ কৰি আহিছে। গোত্ৰ অনুসৰি পূজা কৰাৰ নীতি-নিয়ম, বিধি-বিধানসমূহ বেলেগ বেলেগ হোৱা দেখা যায়। অঞ্চল ভেদেও ৰীতি-নীতিৰ কিছু মিল বা অমিলো থাকে। চাওতালসকলৰ ১২টা গোত্ৰ আছে । যেনে কিস্কু, চৰেণ, মুৰ্মু, হেমব্ৰম, টুডু, বাস্কে, হাঁসদা, চঁড়ে, মাৰডী, বেদেয়া, পাউৰীয়া, বেশ্ৰা আদি। ইয়াৰ উপৰি প্ৰতিটো গোত্ৰৰ বিপৰীতে কেইবাসংখ্যক উপগোত্ৰও আছে। যেনে চৰেণ গোত্ৰৰ চিদু চৰেণ, সাদা চৰেণ, যোগী চৰেণ আদিকে ধৰি কেইবাটাও উপগোত্ৰ। একে গোত্ৰৰ হ'লেও উপগোত্ৰৰ ভিন্নতাৰ বাবে পূজা-পাৰ্বণৰ লগতে নীতি-নিয়মো বেলেগ বেলেগ হোৱা দেখা যায়। এদিনাখনৰ কথা, চাওতালসকলৰ চৰেণ গোত্ৰৰ পূজাৰীৰ দল এটিয়ে পূজাৰ বাবে যা-যোগাৰ কৰি আছিল। জংঘলৰ দাঁতিত হ'ব লগা পূজাভাগত মাত্ৰ চৰেণ গোত্ৰৰ লোকসকলেহে অংশগ্ৰহণ কৰিব পাৰে। বাৰিষাৰ বতৰ, চৰেণ গোত্ৰৰ প্ৰায় ৩০ জনমান লোকে পূজাৰ বাবে ৰঙা, বগা, পখৰা ৰঙৰ কেইবাটাও মুৰ্গী, চাউলেৰে বনোৱা সুৰাকে ধৰি পূজাৰ প্ৰয়োজনীয় সা-সামগ্ৰীসমূহ লৈ অৰণ্যৰ দাঁতিত থকা নিৰ্দিষ্ট পূজা কৰা স্থান অভিমুখে ৰাওনা হয়। যথাসময়ত পূজা আৰম্ভ হ'ল। নীতি-বিধিৰ মাজেৰে পূজা কৰিব ল'লে চৰেণ গোত্ৰৰ পূজাৰীজনে। লগে লগে বয়োজ্যেষ্ঠসকলে মন্ত্ৰোচ্চাৰণ কৰি পূজাভাগ কৰাত সহযোগ দি আছে। সময়ত পূজাত সেন্দূৰৰ আৱশ্যক হ'ল। পূজাৰ সামগ্ৰী অনা ঢলাত দেখোন সেন্দূৰ নাই। সেন্দূৰ আনিবলৈ পাহৰি যোৱা পূজাৰী বৰ বিপাঙত পৰিল। অৱশেষত পুজাৰীয়ে সেন্দূৰ অনাবৰ বাবে দুজনমান লোকক ঘৰলৈ বুলি পঠিয়ালে। লোক দুজনে কিছু দূৰ যোৱাৰ পিছত, ফিৰি আহিল। হঠাৎ নদীৰ পানী বাঢ়ি অহাত সেন্দূৰ আৰু আনিবলৈ নহ'ল। উভতি আহি পূজাৰীক নদীৰ পানী বাঢ়ি অহাৰ বাবে সেন্দূৰ আনিবলৈ নোৱাৰিলে বুলি জনায়। সেন্দূৰ নথকাৰ বাবে আন উপস্থিত থকা লোকসকলে এয়া মংগলজনক নহয় বুলি মত প্ৰকাশ কৰিলে। অৱশেষত পূজাৰীজনে উপায় এটি উলিয়ালে। যেনি-তেনি চাউলৰ গুড়িৰে সেন্দূৰৰ দৰে প্ৰলেপ প্ৰস্তুত কৰি পূজাৰ বাবে উপযোগী কৰি তুলিলে। আৰু চাউলৰ গুড়িৰে প্ৰস্তুত কৰা প্ৰলেপেৰে পূজা-পাৰ্বণ কৰা হ'ল। পূজাৰ শেষত চাউলেৰে বনোৱা সুৰা আৰু মুৰ্গীৰ মাংসেৰে বিভিন্ন ধৰণৰ সুস্বাদু ব্যঞ্জন, পিঠাপনা, খিচিৰি খাই পূজা সমাপ্ত কৰি ঘৰলৈ বুলি ৰাওনা হয়। সেই দিনাখনৰ পৰাই চৰেণ গোত্ৰ, দুটি উপগোত্ৰলৈ বিভক্ত হ'ল। সেন্দূৰ নথকাকে পূজা কৰাৰ হেতু পূজাৰীৰ গোটটিক 'সাদা চৰেণ' নামেৰে অভিহিত কৰা হ'ল। অৰ্থাৎ তেওঁলোকে পূজাত সেন্দূৰ ব্যৱহাৰ কৰিব নোৱাৰিব। আৰু পূজালৈ নোযোৱা অৰ্থাৎ অংশগ্ৰহণ নকৰাসকল চিদু চৰেণ বুলি কোৱা হ'ল। তেওঁলোকে পূজাত সেন্দূৰ ব্যৱহাৰ কৰিব পাৰিব। যদিও সময়ৰ আহ্বান আৰু পৰিস্থিতি সাপেক্ষে চৰেণ গোত্ৰটি আৰু কেইবাটাও উপগোত্ৰলৈ বিভক্ত হ'ল। এইখিনিতে উল্লেখ কৰিব লাগিব যে চাওতাল জনগোষ্ঠীৰ যেনে মুৰ্মু, বাস্কে, হেমব্ৰমকে ধৰি প্ৰতিটো গোত্ৰৰ বিপৰীতে কেইবাটাও উপগোত্ৰ বিভিন্ন কাৰণত সৃষ্টি হ'ল। (বিঃ দ্ৰঃ চাওতালী বয়োজ্যেষ্ঠ লোকৰ মুখবাগৰা কথাৰ আলমত লিখা হল)।

*ফোন ঃ ৯৪৩৫৬-০২৪২৫*

# শাৰদী ৰাণী আহিছা তুমি

**ৰাজীৱ বৰুৱা**

শাৰদী ৰাণী আহিছা তুমি
আহিনৰ পদূলিৰ নঙলা খুলি;
শৰৎ যেন ৰূপহ কোঁৱৰ; সৌন্দৰ্যৰ প্ৰতীক।

শেৱালী, বকুলৰ আপোন গোন্ধটোৱে আমোলমোলাই
থাকে চৌদিশ;
ফৰিংফুটা জোনাকে বয় কুঁৱলীৰ চাদৰ এখনি।

বৃন্দাবনত তৰাৰ তৰাৱলী
আৰু মৃদুমন্দ বতাহ;
শৰতৰ নিশা পূৰ্ণিমাৰ
স্নিগ্ধ জোনাকত
য'ত শ্ৰীকৃষ্ণই
কৰিছিল ৰাসক্ৰীয়া...!

আইতাই চোতালত ঢাৰি পাতি
বহি নাতি-নাতিনীক কয় ক'ত যে- সাধুকথা,
নিজস্ব বৈশিষ্ট্য লৈ ঋতু আহে আৰু যায়

কিন্তু শৰৎ হেনো ঋতুৰ ৰাণী দেৱী দশভূজাৰ আৱাহনী বুকুত
ভক্তিময় আৰতি সংগীত, মানৱী জীৱনক যুগে যুগে কৰা সন্মোহিত।

শৰতত লুকাই থাকে
আশাৰ বতৰা, ফুল হৈ
ফুলি উঠাৰ আৰু
চৰাই হৈ দেউকা মেলি
উৰি যোৱাৰ!

শৰৎ মানে শেৱালী,
কহুৱা ফুলাৰ বতৰ;
বাৰিষাৰ পিছত তৰাং
হ'ব ধৰা নদীৰ বলুকাত
বগলী উৰাৰ সময়।

শৰৎ মানে আনন্দৰ বন্যা, সাতোৰঙী ৰামধেনুৰ;
শৰতে জনাই আগমন অন্য দেৱ-দেৱীৰ লগতে মা-দেৱী দুৰ্গাক।

দুৰ্গতি-নাসিনী দশভূজা
দুৰ্গা মা ধৰালৈ আহে নামি,
ভ্ৰষ্টাচাৰ, অনাচাৰ, অপশক্তি, দুখ-দৈন্য নাস কৰি সমাজত শান্তি
প্ৰতিষ্ঠাৰ হকে।

পুৱাৰ নিয়ৰ সিক্ত দুৱৰি
বেলিটোক মৰমতে লুকাই ৰাখিব খোজা কুঁৱলীবোৰ আৰু শেৱালিক
বাদ দি শৰতৰ কথা ভাবিবই নোৱাৰি।

শেৱালিয়ে বাট দেখুৱাই শৰতক আনে আগুৱাই।
ওৰে নিশা সুবাস বিলাই
ফুলে হাচনাহানা-খৰিকাজাঁই।

পুৱা সূৰুযক দেখি লাজতে দুৱৰিৰ বুকুত থয় মুখ গুজি।
কোনেনো কয়!! শেৱালিক বিষাদৰ প্ৰতীক, শৰৎ আৰু শেৱালিৰ
সম্পৰ্ক অনাদি কালৰ।

ইমান স্নিগ্ধ, ইমান মধুৰ শৰতৰ জোনাক ভৰা নিশা,
দুৱৰিৰ দলিচাত নিয়ৰবোৰ যেন ৰূপালী মুকুতা;
নিশাৰ নিলভ ফৰকাল
শুকুলা আকাশ পাতল ডাৱৰত দূৰ-দিগন্তলৈ
আশাৰ বতৰা লৈ উৰা মাৰে কলকাকলিৰে জাক জাক শৰালি।

নিশাৰ যেন সেই জিলমিল জোনাক আৰু তিৰবিৰ তৰাই সোণতহে
সুৰগা চৰায়;
শাৰদী ৰাণীৰ চুমাৰ পৰশত ধন্য প্ৰকৃতি,
কৃষিভূমি হয় শস্য শ্যামলা ভৰ যৌৱনা।

কৃষকেও দুখ-বেদনা পাহৰি সাজু হয়
আঘোনত দুহাতেৰে আদৰিবলৈ সোণোৱালী লখিমী।

# পূজা মণ্ডপ সজোৱাৰ অঘোষিত প্ৰতিযোগিতা

**■ চন্দন কুমাৰ নাথ**



দুৰ্গা পূজা বুলিলে সাধাৰণতে সকলোৰে মনটো বহুত ভাল লাগে, কিয়নো চাৰিওফালে যেন ধৰ্মৰ গুণগুণনি আৰু ইয়াৰ লগত জড়িত হৈ পৰে কিছুমান পৰম্পৰাগত পূজা-অৰ্চনাৰ মধুৰ সোঁৱৰণী। শৰৎ শেৱালি আৰু পূজাৰ আনন্দ এতিয়া ৰাজ্যৰ চৌপাশে দেখিবলৈ পোৱা গৈছে। কিন্তু এইখিনিতে এটা কথাই মোৰ মনত বৰকৈ খুন্দা মাৰিবলৈ লৈছে। কথাটো হ'ল—বৰ্তমান লক্ষ্য কৰিছোঁ যে দুৰ্গা পূজাৰ মণ্ডপ বা পেণ্ডেলটোক লৈ ৰাজ্যৰ চাৰিওফালে যেন এক অঘোষিত প্ৰতিযোগিতা হ'বলৈ লৈছে। আচলতে বাহ্যিক উপকৰণে ক'ৰবাত নহয় ক'ৰবাত আমাৰ পূজা উদ্‌যাপন কৰাৰ পূৰ্বৰ সেই দিনবোৰ যেন এতিয়া এক সাধু কথা বা কাহিনীলৈ ৰূপান্তৰিত কৰিবলৈ গৈ আছে তাত কোনো সন্দেহ নাই। পূজা মণ্ডপ সজোৱাৰ প্ৰতিযোগিতাই যেন short cut পূজাৰীৰ আৱিৰ্ভাৱ হোৱাৰ ইংগিত বহন কৰিছে সেয়া লক্ষ্য ৰখাটোও দৰকাৰ। মই এইটো ক'বলৈ নাই যোৱা যে পূজামণ্ডপত ডাঙৰ পেণ্ডেল নালাগে, লাগে নিশ্চয়কৈ লাগে। কিন্তু এইখিনিতে প্ৰতিখন পূজা উদ্‌যাপন কমিটীৰ বিষয়ববীয়াসকলে কেতবোৰ কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো বৰ দৰকাৰ। যেনে—

১) পূজাৰ মণ্ডপ বা পেণ্ডেলটোক যেন ধৰ্মীয় সংস্কৃতিৰ সৈতে জড়িত বা ঐতিহাসিক ৰূপত সজোৱাৰ ওপৰত বিশেষ মনোনিৱেশ কৰিব লাগে।

২) পূজাৰ মণ্ডপ বা পেণ্ডেলটোক যেন কোনোধৰণৰ বুৰ্জ খালিফা, হিন্দী চলচ্চিত্ৰৰ কোনোবা বিশেষ চৰিত্ৰৰ আৰ্হিত নিৰ্মাণ নকৰি পৰম্পৰাগতভাৱে ৰাখিলেই ভাল হয়।

৩) অত্যধিক প্ৰতিযোগিতামুখী হ'বলৈ নাযায় যেন।

৪) পূজা উদ্‌যাপনৰ লগত সংগতি ৰাখি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰাৰ কোনো বিশেষ দৰকাৰ নাই বুলি মই ভাবোঁ।

৫) পূজা-অৰ্চনা কৰাৰ সময়ছোৱাত ম'বাইলটো হাতত লৈ ছেল্‌ফি লোৱাৰ পৰা আঁতৰত থাকক, নহ'লে পূজাত ধৰ্ম কম সমাজিক মাধ্যমত বেছি প্ৰচাৰ কৰিবলৈ সক্ষম হ'ব।

৬) সন্ধিয়া সময়ছোৱাত যেতিয়া দূৰ-দূৰণিৰ পৰা ভক্তিপ্ৰাণ ৰাইজে সেৱা জনাবলৈ আহিব তেতিয়া লাউড স্পীকাৰত হানি সিঙ বা তেনেধৰণৰ সস্তীয়া সংগীত বজাই পূজাৰ মান নিম্নগামী নকৰে যেন।


৭) প্ৰতিযোগিতামূলক নহৈ পুৰণিকলীয়া পৰম্পৰা নৱপ্ৰজন্মৰ আগত দেখুৱাবলৈ যত্ন কৰক।

৮) পূজা আয়োজন কৰা কমিটীৰ প্ৰতিজন সদস্যই পৰম্পৰাগত সাজ-পোছাক পৰিধান নকৰি, জিনচ্‌ পেণ্ট আৰু তেনেধৰণৰ পশ্চিমীয়া সাজ পৰিধান কৰি ৰাইজৰ ওচৰত কমিটীৰ সদস্য বুলি বাহাদুৰী দিলে নহ'ব। আচলতে আমাৰ ৰাজ্যৰ একাংশ নিউজ চেনেলে পূজাৰ মণ্ডপত গৈ কোনখন পূজা উদ্‌যাপন কমিটীয়ে কিমান টকাৰ বাজেট নিৰ্ধাৰণ কৰিছে, কি আকৃতিৰ পূজামণ্ডপ বনাইছে, মণ্ডপটোৰ কিমান উচ্চতা, পূৰ্বতে বেষ্ট পূজা মণ্ডপৰ পুৰস্কাৰ পাবলৈ সক্ষম হৈছে নে নাই ইত্যাদি এনেধৰণৰ অনেক অপ্ৰয়োজনীয় তথা অলাগতিয়াল প্ৰশ্ন পূজা উদ্‌যাপন কমিটীৰ সদস্যসকলক উদ্দেশি কৰে, যাৰ ফলত সৰ্বসাধাৰণ জনতাই বৰ্তমান পূজা বুলিলেই যেন পূজাৰ পেণ্ডেলটোৰ এক অঘোষিত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দৰে অনুভৱ কৰিবলৈ বাধ্য হৈ পৰিছে। আচলতে পূজাৰ মণ্ডপ সজোৱাক লৈ বিশেষ ক'ব লগা নাথাকে, যদিহে পূজাৰ পেণ্ডেলটোক পূৰ্বৰ দৰেই ধৰ্মস্থলীৰ আকাৰত বা মন্দিৰৰ ৰূপ দি নিৰ্মাণ কৰে, কিন্তু তাৰ বিপৰীতে আজিকালি বাহুবলী চলচ্চিত্ৰৰ কোনোবা চৰিত্ৰৰ ৰূপ দিয়া, ল'ন টাৱাৰ ইত্যাদিৰে পূজা মণ্ডপ সজোৱা কাৰ্যৰ তীব্ৰ নিন্দা তথা বিৰোধিতা প্ৰকাশ কৰিছোঁ। লগতে ৰাজ্যৰ সংবাদ মাধ্যমসমূহে পূজা মণ্ডপ সজোৱাক লৈ পুৰস্কাৰ দিয়াটো বন্ধ কৰিব লাগে নহ'লে অনাগত দিনবোৰত আমাৰ উঠি অহা প্ৰজন্মটোৱে দুৰ্গা পূজা বুলিলে নিউজ চেনেলৰ প্ৰতিযোগিতা বা পূজা মণ্ডপ সজোৱাৰ প্ৰতিযোগিতা বুলি গণ্য কৰিব। পৰৱৰ্তী সময়ছোৱাত এইবোৰ দিশৰ ওপৰত ভিত্তি কৰি বিভিন্নজনে মন্তব্য প্ৰকাশ কৰিব। কিন্তু তেতিয়ালৈকে হয়তো উচিত সময় পাৰ হৈ যাব। আচলতে এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ফালৰ পৰা বিশেষ সিদ্ধান্ত গ্ৰহণ কৰাৰ দৰকাৰ নিশ্চয় আছে।

*ফোন ঃ ৯১৩২৮৪৯৭২৬*

# একবিংশ শতিকাৰ দুৰ্গাপূজা আৰু সমাজৰ দায়বদ্ধতা

**■ ব্ৰজেন জীৱন**



ভাৰতবৰ্ষত ৰজা-মহাৰজাসকলৰ দিনৰ পৰা আৰু অসমত কোচ ৰজা বিশ্ব সিংহ, নৰনাৰায়ণ আৰু আহোম ৰজা প্ৰতাপ সিংহ, শিৱ সিংহ, বৰৰজা ফুলেশ্বৰী ৰাণীৰ দিনৰ পৰাই দুৰ্গা পূজাই প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হয়। ব্ৰিটিছৰ ৰাজত্বকালতো ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো দুৰ্গা পূজাই অধিক জনপ্ৰিয়তা লাভ কৰে। তেতিয়াৰ পৰা বৰ্তমানলৈ ৰাইজে সাৰ্বজনীন ৰূপত অনুষ্ঠিত কৰা দুৰ্গা পূজা প্ৰচলিত হৈ আহিছে। অৱশ্যে আজিকালি কোনো কোনো গৃহস্থই নিজাকৈয়ো নিজ গৃহত দুৰ্গা পূজা অনুষ্ঠিত কৰা দেখা যায়।

প্ৰণিধানযোগ্য যে একৈশ শতিকাত মূৰ্তিৰ উপৰিও পৰিৱেশৰ ওপৰত, মণ্ডপ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু নিত্যনতুন থীমৰ ওপৰত গুৰুত্ব বাঢ়িবলৈ ধৰাত এদল বিশিষ্ট শিল্পীৰ জন্ম হ'ল আৰু সমাজৰ বিশিষ্ট সংস্থা, শিল্পী আৰু পৰিশ্ৰমী জনতা একেলগে মিলিত হৈ পূজা কৰিবলৈ শিকিলে। ভোগতকৈ বেছি গুৰুত্ব পালে পৰিৱেশে, শিল্পকৰ্ম, সহযোগিতা আৰু কৰ্মসংস্থানে। হেৰাই যোৱা লোকসংস্কৃতিসমূহ ঠন ধৰি উঠিল। যাত্ৰাভিনয় হেৰাই গ'লেও আবৃত্তি, গান আৰু লোকনৃত্যই ঠাই পালে। এদল সাংস্কৃতিক শিল্পীৰ লগত আলোক শিল্পী, মৃৎশিল্পী আৰু মণ্ডপ শিল্পীৰ সৃষ্টি হ'ল। এসময়ত দুৰ্গা পূজাত মণ্ডপৰ খৰচতকৈ খোৱাৰ ভোগৰ আৰু পূজাৰীৰ খৰচ বেছি আছিল। একবিংশ শতিকাত মণ্ডপ, পৰিৱেশ, মূৰ্তি আৰু আলোকৰ খেলত সিংহভাগ খৰচ হোৱা দেখা গ'ল। দুৰ্গা পূজাই সৃষ্টি কৰিলে এদল পেছাদাৰী শিল্পী। পূজা ব্যক্তিগত আৰাধনাৰ পৰা সংস্কৃতিৰ সন্মিলন হৈ পৰিল, হৈ পৰিল সৃষ্টিকৰ্মৰ শিল্পীসকলৰ যুদ্ধক্ষেত্ৰ। কোনে কিমান ৰাইজক আকৰ্ষিত কৰিব পাৰে তাৰ প্ৰতিযোগিতা চলিল। সৃষ্টিকৰ্মৰ যোগেৰে এসময়ৰ সৰু সৰু পূজাবোৰ এতিয়া বিয়াগোম আকৰ্ষণলৈ পৰিৱৰ্তিত হ'ল। সেইদৰে সম্পদ আহৰণৰ বাবে স্পনচৰ পাবলৈ সকলোৰে দৌৰাদৌৰি লাগিল। গতিকে বৰ্তমান দুৰ্গা পূজাত কৃতকাৰ্যতাই মূল মন্ত্ৰ। দেৱীক আৰাধনা কৰাটো গৌণ হৈ সামাজিক বিনোদন মুখ্য হৈ পৰিছে। পূজাত আধুনিকতাৰ পৰশ বাৰুকৈয়ে পৰিবলৈ ধৰিলে। ধনৰ অবাধ ব্যয় আৰু জাকজমকতা ক্ৰমাৎ বৃদ্ধি পালে। আধুনিকতাৰ শীৰ্ষবিন্দুত উপস্থিত হ'লেও কিন্তু মানুহ অনিশ্চয়তা আৰু অশান্তিৰ পৰা মুক্ত হ'ব নোৱাৰাটো চৰম দুৰ্ভাগ্যৰ কথা। ভোগবাদে যিমানে মানুহক গ্ৰাস কৰি আনিছে, সিমানে অৱক্ষয় ঘটিছে মানৱতাৰ। আনকি বিশ্বৰ ধৰণীস্বৰূপ মাতৃ জাতিও এই কৰাল গ্ৰাসৰ পৰা মুক্ত হ'ব পৰা নাই।

আজি বিশ্বৰ সমগ্ৰ মানৱ জাতি আত্মবিশ্লেষণৰ কাঠগৰাত থিয় হোৱাৰ সময় সমাগত। সংহাৰ ৰূপিনী, দুৰ্গতি নাশিনী দুৰ্গাই প্ৰত্যেকজন মানুহৰ মনত সাহস আৰু ত্যাগৰ বীজ ৰোপণ কৰক। আমাৰ সমাজৰ পৰা শোষণকাৰী অপশক্তি অসুৰৰ অৱসান ঘটাব পাৰে ঐক্যবদ্ধ জনগণেহে। কিন্তু জাতি-বৰ্ণ-ধৰ্ম সম্প্ৰদায় আদিৰ ভিন্নতাৰ নামত থানথান হৈ থকা জনগণে কোনোপধ্যে অসুৰ নাশিব নোৱাৰে, অসুৰেহে তেওঁলোকক নানা ছল-চাতুৰীৰে চেপি খুন্দি নিঃশেষ কৰি থাকিব। জনগণে বিবেকেৰে উপলব্ধি কৰা উচিত যে জাতি-বৰ্ণ- ধৰ্ম সম্প্ৰদায় ঈশ্বৰ সৃষ্টি নহয়। ঐক্যবদ্ধ জনগণক সিহঁতে একো ক্ষতি কৰিব নোৱাৰে। সমাজৰ পৰা সূতে-মূলে উচ্ছন্ন হওক মানুহৰ পশুত্বৰ প্ৰবৃত্তি। আৰম্ভ হওক গৌৰময় জয়যাত্ৰা। সময়ক ধৰি ৰাখিব নোৱাৰি। সময়ে সমাজক সলনি কৰিবই। সমাজ চিৰ পৰিৱৰ্তনশীল; পুৰণিৰ পৰা নতুনলৈ আৰু নতুনৰ পৰা ক্ৰমে নতুনৰ অভিমুখে গতি কৰাই সমাজৰ বৈশিষ্ট্য। নদীয়েও ভৰ বাৰিষা গতি সলনি কৰে, পাৰ ভাঙে। কিন্তু খৰালি আহিলে সি আগৰ সুঁতিলৈ ঘূৰি আহে। সেইদৰে পৰিৱৰ্তন আমাক লাগিব। কিন্তু পৰিৱৰ্তনৰ নামত মূল শিপাডাল উভালি পেলোৱা উচিত নহয়। সেইদৰে আধুনিকতাৰ ধামখুমিয়াত দুৰ্গা পূজাৰ মাহাত্ম্য পাহৰি নতুনত্বক আদৰি লোৱাটো কিমান সমীচীন সেইটো সময়েহে নিৰ্ধাৰণ কৰিব।

# শাৰদীয় বৰষুণ

**প্ৰবীণ কুমাৰ টায়ে**

নিৰিবিলি গধূলি
জোনাক ৰাতি
জোনক আৱৰে ডাৱৰে
কলীয়া ডাৱৰৰ ফাঁকেৰে
তৰা তিৰবিৰণি
ৰিমঝিম মলয়া বতাহ
মন চুই
ৰিণিকি ৰিণিকি বিজুলীৰ
জোনাকী পৰুৱাৰ গান
লগত চিপচিপিয়া বৰষুণ
ৰাস্তাৰ পদূলিত
মানুহৰ দৌৰা দৌৰি
গেঁৰ ধৰা পথাৰ জীপাল হয়
খেতিয়কৰ মন
উৎফুল্ল কৰে
এইয়াৰ শাৰদীয় বৰষুণ

*ফোন ঃ ৬০০৩৪৯২৩৯৮*

# শৰতৰ শেৱালী

**পূৰবী দাস**

নৈ পৰীয়া শুকুলা কঁহুৱাৰ
হালি জালি নাচোনত
মনত পৰেনে তোমাৰ
শৰত অহাৰ কথা...

কুহেলিকাৰ মায়াজাল ফালি
নিয়ৰসিক্ত দুৱৰিৰ ভিজা দলিচাত
এয়া যে শৰতৰ খোজ,

তোমাৰ মনত পৰেনে!
মিঠা মিঠা সুগন্ধিৰে
আমোলমোলাই থকা
শেৱালিৰ কথা,
আগচোতালখনিত শেৱালি বৈ থাকে,
কপহুৱা চাদৰখন মেৰিয়াই...।
ঋতুৰ আগমনত
এধানি মৰম
সাৰপাই উঠে।

শাৰদীয় স্নিগ্ধ জোনাক ভৰা নিশা
তুমিও ভুল যাবা,
শেৱালিৰ বিমুগ্ধ ৰূপত,

এয়া যে নহয় কেৱল
ৰূপৰ মহিমা
এয়া মাথোঁ হিয়াৰ আকুলতা
শৰতৰ শেৱালিৰ...।

*ফোন ঃ ৮৬৩৮৫৪৬১২৯*

# শৰত প্ৰেমিক ঋতু

**■ মৃণালী শইকীয়া**

শৰৎ ঋতু মানে মোৰ বুকুৰ এমুঠি শুকুলা ৰং, শৰত মোৰ প্ৰেমিক ঋতু! শৰৎ মোৰ বুকুৰ অবুজ সমীৰণ! যাৰ স্নিগ্ধ সুবাসত মই জহি পমি যাওঁ, নিয়ৰৰ টোপালত জিলিকা শেৱালি, দূৱৰি, তগৰ, কামিনী, বকুলৰ বুকুভৰা নিৰ্যাস, চৰাইৰ সুমধুৰ কাকলি, নৈৰ কাণে কাণে কহুঁৱা-বিৰিণাৰ লয়লাস নাচোন, আহিনৰ পকা ৰ'দ, গেৰ ধৰা ধানৰ ফুৰফুৰীয়া গোন্ধ, পথাৰে পথাৰে সোণ সেউজীয়া ধাননিৰ ফুলাম দলিচা, সন্ধিয়াৰ চোতালত চিকমিক জোনাকী পৰুৱাৰ মেলা, ৰাতিৰ আকাশত তৰা জোনৰ ৰঙা চন্দ্ৰতাপ আৰু যে কত কি শৰতৰ মিঠা আমেজে মোৰ আবেগ বিধৌ হিয়াত সোণালী সুখৰ ঢৌ তুলি যায়, শৰতে আনিছে আশাৰ বতৰা, শৰতে আনিছে শান্তিৰ বাৰ্তা, শৰতে মুঠিয়ে মুঠিয়ে যাচিছে শাৰদীয় সুবাস, আকাশে মৰতে ঢাক ঢোলৰ পবিত্ৰ ধ্বনিত দুৰ্গা মা পৃথিৱীলৈ অহাৰ বতৰা দিছে, শৰতে সংগোপনে আহি মোৰ বুকুত ঘৰ সাজিছে, ভাল পাওঁ তোক শৰত বুকুৰ সমস্ত আবেগেৰে তোক আঁটি আঁটি বান্ধি ৰাখিম মোৰ সন্মোহন প্ৰেমেৰে শৰত মই তোৰ আজন্ম প্ৰেমিকা, মই ৰাতিফুলা এপাহ হাস্নাহানা হৈ তোৰ বিতোপন কোলাত বাগৰ সলাম, সুখনিদ্ৰা কটাম...।



# দেৱগাঁও চহৰখন অতীত হ'ল

**■ জ্যোতিস্মিতা গায়ন**

গোলাঘাট জিলাৰ এখন সৰু চহৰ দেৰগাঁও। সমগ্ৰ দেৰগাঁওবাসীৰ ভৰষা এই সৰু চহৰখন। চহৰখনৰ মাজমজিয়াক চাৰিআলি বুলি জনা যায়। সমগ্ৰ দেৰগঞাই এই চাৰিআলি নামে ঠাইখনক চিনি পাই। চাৰিআলিৰ ওচৰত বহুকেইখন দোকান আছে। দোকানৰ উপৰিও দীঘলীয়া কিছুমান একেলগ কৰি বনোৱা বহুতো ৰুম আছে। এই ৰুমবোৰত ইখনৰ পিছত সিখন দোকান আছে। এই দীঘলীয়াকৈ থকা ৰুমবোৰৰ কিছুমান নিৰ্দিষ্ট নাম আছে। ইয়াত দেৰগাঁওবাসীৰ সুবিধা হোৱাকৈ কাপোৰৰ দোকানৰ পৰা আৰম্ভ কৰি হোটেল, ৰেষ্টুৰেণ্ট, কম্পিউটাৰ দোকান আদিলৈকে ক'ত যে দোকান। এই দোকানবোৰ দেৰগঞাবাসীৰ সকলোৰে পৰিচিত। বৰ্তমান সময়ৰ বৃদ্ধ, যুৱক-যুৱতী আদি সকলোবোৰে সৰুৰে পৰা এই চহৰখনত বজাৰ কৰাৰ অভিজ্ঞতা আছে।

প্ৰায়ে চাৰিআলিত বজাৰ কৰিবলৈ আহি থকা মানুহখিনিৰ দোকানীবোৰো যেন আপোন। ভিন্ন কামত দেৰগাঁওবাসী চাৰিআলিলৈ আহিলে দোকানীবোৰক মাত এষাৰ নিদিয়াকৈ নাযায়। সদায় আহি আহি এই চহৰখনৰ ব্যৱসায়ীসকল যেন সকলোৰে চিনাকি। খুড়া, বৰদেউতা, দাদা আদি কিবা এটা সম্বোধন ধৰি মতা এই ব্যৱসায়ীসকল যেন দেৰগঞাবাসীৰ সকলোৰে আপোন।

বৰ্তমান চাৰিলেন যুক্ত ৰাস্তা আহিল। সকলোৰে পৰিচিত দেৰগাঁও চহৰখন লণ্ডভণ্ড হৈ গ'ল। নাই অলপদিনলৈকে থকা সকলোৰে পৰিচিত দোকানবোৰ। দীঘলীয়া মাৰ্কেটবোৰ। কিছুমান ব্যৱসায়ীয়ে পিছুৱাই ৰুম বনালে। কিছুমান ব্যৱসায়ী বেলেগ ঠাইলৈ গুচি গ'ল আৰু কিছুমান ব্যৱসায়ী চিৰদিনৰ কাৰণে টালি-টোপোলা সামৰি গ'লগৈ নিজ নিজ ঘৰলৈ। হয়টো বহুত ব্যৱসায়ীক দেৰগঞাবাসীয়ে কোনোদিনে আৰু দেখা নাপাব দেৰগাঁও চহৰত।

নেঘেৰিটিংৰ পৰা পুলিচ ট্ৰেইনিং চেণ্টাৰলৈ ৰাষ্ট্ৰীয় ঘাইপথটোৰ দুয়োপাৰে শোভাবৰ্ধন কৰি থকা সোণাৰু গছবোৰ যেতিয়া ফুলি উঠে বাটৰ বাটৰুৱাই বৈ বৈ পৰাণ জুৰাই চাই যায়। সেই ভাল লগা পৰিৱেশ এতিয়া আৰু নাই। আছে মাত্ৰ দীঘল বহল এটা চাৰিলেনযুক্ত পথ।

চাৰিওফালে যান্ত্ৰিকতাই আৱৰি ধৰিছে। আমাৰ সৰু দেৰগাঁও চহৰখনো নতুন হ'ল। যান্ত্ৰিক হ'ল। বৰ্তমান দেৰগাঁও চাৰিআলিত থিয় দিলে দেৰগঞাবাসীৰ চকুলো নিগৰে। সকলোৰে অনুভৱ হয় আগৰ সেই সৰু চহৰখনেই যেন ভাল আছিল। ব্যৱসায়ীসকলেও যেন দিকবিদিক হেৰুৱাই পেলাইছে। সপোনৰ ঘৰবোৰক নিমিষতে তললৈ খহাই ভাঙি পেলোৱা হৈছে। জেচিবিৰ শব্দ, হাতুৰীৰ মাৰ, শূন্য এটা ৰাজপথ, ধূলি, ৰ'দ কি যে পৰিৱেশ আমাৰ আপোন চহৰখনৰ।

চাৰিলেন যুক্ত এটা মুক্ত ৰাস্তা। চলিছে ইখনৰ পাছত সিখনকৈ গাড়ী। সকলোৰে প্ৰতিযোগিতা কোনে কাক পিছপেলাই আগত গাড়ী দৌৰাব পাৰে। ৰাস্তা ইপাৰ সিপাৰ হ'বলৈ বহু সময় অপেক্ষা কৰিব লাগে। মন যায় চিঞৰি চিঞৰি ক'বলৈ— আমাক আগৰ সেই দেৰগাঁও চহৰখন ঘূৰাই লাগে। য'ত আমি দেৰগঞাই শান্তিৰে উশাহ লৈছিলো। নালাগে আমাক ইমান আধুনিকতা।

সদায় চাহ খোৱা সেই হোটেলখন, বহুত পুৰণি জোতাৰ দোকানখন, প্ৰায়ে গৈ থকা কম্পিউতাৰৰ দোকানখন, কাপোৰৰ দোকানখন বিলিন হৈ গ'ল...সেই সকলো...অতীতৰ গহ্বৰত। বৰ্তমান সময়ত চাৰিআলিত ঠিয় হৈ সকলোৰে এবাৰলৈ ভাবিব লাগে কোনফালে যাম। কোনফালে গ'লে প্ৰয়োজনীয় সামগ্ৰীটো পাম। ধূলিৰ লগত যেন নিমিষতে মিলি গ'ল আমাৰ দেৰগাঁৱৰ সেই সৰু চহৰখন। এতিয়া মাথোঁ প্ৰতিজন দেৰগঁঞাৰ স্মৃতি হৈ মানসপটত জিলিকি থাকিব তাহানিৰ সেই সৰু চহৰখন আমাৰ দেৰগাঁও।

*ফোন ঃ ৬০০০৮৩১০৭৫*

# মিঠা সপোনৰ পম খেদি...

**■ দুলুমণি দেৱী**

আমি প্ৰত্যকেই মনত একো একোটা সপোন পুহি ৰাখো। জীৱনত পূৰ্ণতা প্ৰাপ্তিৰ বাবে, সুখী হ'বৰ বাবে সপোনৰ পাছত দৌৰি থাকো। কেতিয়াবা সপোনৰ পাছত দৌৰোতে উজুতিও খাব লগা হয়। এটা মিঠা সপোনে আমাক নতুনত্ব দিব পাৰে। গতানুগতিক জীৱন পথত নতুনত্ব পাবলৈ প্ৰত্যকৰে মন। কিন্তু তাৰ বাবে যথেষ্ট সংগ্ৰামৰো প্ৰয়োজন। কঠিন বাস্তৱৰ লগত মুখামুখি হ'ব লগা হয়।

ৰাতি দেখা সপোন, দিনৰ বাস্তৱ পোহৰৰ পৃথিৱীখনত বিচাৰি ক'ত জনে যে অধীৰ আগ্ৰহ তথা সংগ্ৰাম কৰি প্ৰয়োজন পূৰণ কৰে, তাৰে বহুজনে পম খেদি ঘূৰি ফুৰে। দিনৰ পাছত দিন বাগৰে। সপোনে পোখা মেলে আক বহুতেই সেই সপোনৰ পাছত দৌৰিয়ে হাবাথুৰি খাই অনাই বনাই ঘূৰি ফুৰে।

মানুহৰ যিহেতু প্ৰয়োজন সীমাবদ্ধ নহয়, এটা প্ৰয়োজন পুৰ কৰাৰ পাছত আন এটা আহি পৰে। সুখী হ'বলৈ নানাপ্ৰকাৰে চেষ্টা কৰা হয়, ঠিক সেইদৰে সপোনো দেখা হয় ভিন্ন ধৰণে। আজি যদি কোনোৱাই এখন সুন্দৰ গাড়ী লোৱাৰ সপোন দেখিছে সেইখিনি পোৱাৰ পাছত সুন্দৰ এটা ঘৰৰ সপোন দেখে। এনে অনুভৱ হয় প্ৰয়োজন বোৰ সীমিত হোৱা হ'লে সুখী হ'ব পৰা গ'লহেঁতেন, কিন্তু পৃথিৱীখন যেনেকৈ বিশাল আমাৰ মনো বিশাল পৃথিৱীখনত প্ৰতিযোগিতাৰ দৌৰত দৌৰিব বিচাৰে। এজনে ভাল কিবা এটা লোৱা দেখিলে, কাম কৰা দেখিলে কেনেকৈ লৈছে বা কেনেকৈ কৰিছে জানি বুজি আগ্ৰহ জন্মে তেনে দৰে হ'বলৈ বা কৰিবলৈ, সেয়া মানুহৰ সহজাত প্ৰবৃত্ত।

সপোন থাকিব লাগে। ধূসৰিত ৰাস্তা অতিক্ৰম কৰিবলৈ, উন্নতি জখলা বগাবলৈ, তাৰ বাবে কিন্তু কষ্ট কৰিবই লাগিব। সেই কষ্টই বহু সপোন বাস্তৱায়িত কৰাত সহায় কৰিব। এটা গছপুলি ৰুলে যেনেকৈ আমাৰ আশা থাকে পুলিটো এদিন ডাঙৰ হ'ব ফল দিব, নতুন পুলিৰ জন্ম দিব, ঠিক সেইদৰে উঠি অহা প্ৰজন্মকো সুন্দৰ কামৰ পৰিকল্পনা লৈ সুন্দৰ এখন জগতৰ সপোন দেখুওৱা লগতে ফলপ্ৰসূ চিন্তাৰে আগবঢ়াই নিয়াটো প্ৰত্যেকৰে কৰ্তব্য আৰু দায়িত্ব।

# শৈশৱ, শৰৎ আৰু শেৱালি এক মিঠা অনুভৱ

**■ দেৱীনা পামেগাম পেগু**

শৰৎ মাথোঁ এটি ঋতু নহয়, শৰৎ জনজীৱনৰ সাহ। বৰ্ষাৰ সিক্ত বিষাদৰ আঁচল আঁতৰাই প্ৰকৃতিৰ বুকুত বিলাই এক সৰগী সুষমা। দেহৰ অৱসাদ আঁতৰাই মনলৈ আনে বুজাব নোৱাৰা প্ৰশান্তি। শৰতৰ বতৰত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই দেহ মন অনবৰতে সজীৱ কৰি তোলে। গেলা গৰমৰ অসহনীয় দিনবোৰ লংঘন কৰি যেন প্ৰকৃতিয়ে গছে, বনে, নৈয়ে, বিলে, আকাশে বতাহে নতুন উদ্দেমেৰে জীৱনটো সজাই তুলিবলৈ উৎসাহিত কৰে। পথাৰৰ সেউজীয়া সুবাসত, কেঁচা মাটিৰ সম্ভাৱনাময় দিনৰ আগমনৰ সুবাদতে গ্ৰাম্য জীৱনৰ ছবিখন মনোৰম কৰি তোলে।

সঁচাই শৰৎ সৌন্দৰ্য্যৰ ৰাণী, ফৰকাল আকাশৰ কপাহ কোমল ডাৱৰৰ আৱৰণে আজিও হৃদয়খনত আঁকি দিয়ে সেই শৈশৱৰ প্ৰাণময় কৰি তোলা শাৰদীয় আনন্দৰ ছবি। শৈশৱত যেতিয়া শুভ্ৰ ডাৱৰবোৰ নীল আকাশত যিদৰে বিচৰণ কৰিছিল, মোৰো অকণমানী হৃদয়খনে আনন্দত



আত্মহাৰা হৈ ঢপলিয়াই ফুৰিছিল। খিৰিকীৰে বাৰে পতি আকাশলৈ চাই পঠিয়াইছিলোঁ কেতিয়াবা ফৰকাল আকাশত ডাৱৰৰ থোপাবোৰত মনেৰে অংকিত বিভিন্ন ছবি যেন দেখিবলৈ পাইছিলোঁ। যেন কৰবাত সাধু কথাৰ ৰাজকুমাৰ জনে ঘোঁৰাত উঠি ৰাজকুমাৰী নিবলৈ চেঁকুৰী আহিছে, কেতিয়াবা আকৌ মহাদেৱ শিৱই কৈলাশত তপস্যাত ব্ৰতী থকাৰ দৰে ছবি দেখোঁ, কোনোবাদিনা এগৰাকী মাতৃয়ে সন্তানক বুকুত সুমুৱাই হৃদয়ৰ সমগ্ৰ মৰমৰ উমেৰে হিয়া উপচাই মৰম কৰাৰ দৰে দেখোঁ, কেতিয়াবা এগৰাকী কণমানি ছোৱালীয়ে কৰণী ভৰাই ফুল তোলাৰ এখন মনোমোহা ছবি দেখোঁ। মুঠৰ ওপৰত শৰতৰ নীলিম আকাশত হৃদয়ত অঁকা প্ৰত্যেকটো ছবিয়েই যেন প্ৰতিফলিত হোৱা যেন অনুভৱ হৈছিল। শৰৎ, শৈশৱ, শেৱালি যাৰ এক এৰাব নোৱাৰা সম্পৰ্ক। শৰৎ আহিলে শেৱালি ফুলে ,তলসৰা শেৱালিৰ বুকু উজাই অহা আমোলমোল সুগন্ধত শাৰদীয় দুৰ্গা পূজাৰ এক সুকীয়া আনন্দ কঢ়িয়াই আনিছিল। ৰাতিপুৱা খুউব সোনকালে উঠি, চকু দুটা মোহাৰি মোহাৰি হাতত কৰণী লৈ চোতালত শুভ্ৰ দলিচা পাৰি সৰি থকা শেৱালি বুটলিবলৈ গৈছিলোঁ। আজলী পাতি দুহাতেৰে শেৱালিৰ ফুলৰ মিঠা কোমল সুবাস দীঘল দীঘলকৈ নাকেৰে টানি উশাহৰ জৰিয়তে বুকুৰ মাজলৈ পঠিয়াই দিছিলোঁ। শৰতৰ বতৰতে পৰীক্ষাও আহে, পুৱাৰ নাতিশীতোষ্ণ উমলৈ পঢ়াৰো এক সুকীয়া মাদকতা আছিল। যদিও টোপনিৰ চিকুণ পুৱা আছিল। শেতেলীৰ সোনকালেই এৰিছিলোঁ। পুৱাৰ ফিৰফিৰীয়া শীতল বতাহ ছাতিতে মহালয়াত মহিষমৰ্দিনী স্বয়ং মা দুৰ্গাই ধৰাৰ বুকুলৈ নামি আহে বুলি জ্যেষ্ঠ সকলৰ পৰা শুনিবলৈ পাইছিলোঁ দুষ্টক দমন কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ। সেয়ে মহালয়া অহাৰ পৰাই গা সাতখন আঠখন হৈ উঠিছিল। দুৰ্গা পূজাত মাৰ আশীষ লৈ জেলেপী, নিমকি, খুৰ্মা খোৱাৰ পাছত ৰঙা, নীলা বেলুন লৈ ঘৰমুৱা হোৱাৰ আশাত।

শৰতৰ মিঠা পৰশত সেইয়ে আজিও নষ্টালজিক হৈ পৰোঁ। কিমান আৱেগ জড়িত হৈ থাকে শৰতৰ সতে মিঠা মিঠা প্ৰতিটো লগনত। শৰৎ সৃষ্টিৰ বাহক, সমগ্ৰ ধৰাক নতুন ৰূপত সজাই প্ৰাণৱন্ত কৰি তোলে। নদীৰ পাৰৰ কঁহুৱা বিৰিণাইও লয়লাস ভঙ্গিমাৰে বিচিত্ৰ সাজেৰে সাজে। এইবাৰ শৰৎতে সকলোৰে জীৱনলৈ কঢ়িয়াই আনক হাঁহি আনন্দৰে ভৰা এক সম্ভাৱনাময় জীৱন। দুখবোৰ বিসৰ্জন দি সুখৰ দলিচা পাৰি জীৱনক ন ৰূপেৰে আদৰি সুন্দৰ পৰা অধিক সুন্দৰ কৰক সকলোৰে জীৱন।

*ফোন ঃ ৯৮৬৪১৬৮৮৬২*




# পূব কামৰূপ মহাবিদ্যালয়ত বক্তৃতা অনুষ্ঠান-নৱাগত আদৰণী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** কালি কামৰূপ জিলাৰ বাইহাটা চাৰিআলিস্থিত আগশাৰীৰ মহাবিদ্যালয় পূব কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু বিভাগীয় সাহিত্য চ'ৰাৰ যুটীয়া উদ্যোগত এটি বক্তৃতানুষ্ঠান আৰু নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° দুলুমণি ডেকাই পৌৰোহিত্য কৰা সভাত আদৰণী ভাষণ প্ৰদান কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মাই। উপাধ্যক্ষ নাৰায়ণ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱনত আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। লগতে গণিত বিভাগৰ অধ্যাপক মহানন্দ কুমাৰ পাঠকে বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'বীক্ষণ' উন্মোচন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। সভাত বিগত বৰ্ষত স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হোৱা ৪০গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা শাস্ত্ৰীয়ে 'বৰ্তমান সময়ত সংস্কৃত শিক্ষাৰ প্ৰাসংগিকতা' সম্পৰ্কত তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰি কয়— সংস্কৃত সাহিত্য-পুষ্পৰ সুধাৰে নৱ-প্ৰজন্মই জাতীয় জীৱনত গৱেষণাৰ-মৌচাক নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰে। সভাত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণয়ক কোষৰ সমন্বয়ক ড° দ্বিপেন বেজবৰুৱাই ছাত্ৰ-ছাত্ৰীক সদায় যোগাত্মক দিশেৰে আগবাঢ়িব যাবৰ কাৰণে পৰামৰ্শ দিয়ে। লগতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ চা-চিনাকি আৰু মত বিনিময় অনুষ্ঠানেৰে সভাখন সামৰণি পৰে।

# বৰগাঙৰ দীপক নাহেকীয়াৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৯ ছেপ্টেম্বৰ ঃ** বিহালীৰ বৰগাং নিৱাসী সৰবৰহী উদ্যমী যুৱক দীপক নাহেকীয়াৰ (৩২) কালি মৃত্যু হয়। কিছু দিন ধৰি উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ দীপক নাহেকীয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কালি দীপকৰ মস্তিষ্কৰ অস্ত্ৰোপচাৰ হোৱাৰ কথা আছিল। চিকিৎসাধীন অৱস্থাত হঠাৎ কালি পুৱা পুনৰ ৰক্তচাপ বৃদ্ধি হৈ যুৱকজনৰ মৃত্যু হয়। যুৱকজনৰ মৃত্যুত সমগ্ৰ বৰগাং অঞ্চলত শোকৰ ছাঁ পৰে। সন্ধিয়া ভাগত নশ্বৰ দেহ আনি ঘৰ পোৱাৰ লগে লগে অগণন লোকে তেওঁৰ বাসগৃহত ভিৰ কৰেহি। উল্লেখ্য, বিভিন্ন ব্যৱসায়ৰে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা দীপক স্বভাৱসুলভ সৰলতা আৰু সামাজিক ক্ষেত্ৰত আগৰনুৱা আছিল। দীপক নাহেকীয়াই মৃত্যুৰ সময়ত পিতৃ, মাতৃ, এগৰাকী ভগ্নী, এগৰাকী ভাতৃকে ধৰি বহু আত্মীয়-স্বজনক এৰি থৈ যায়। দীপকৰ মৃত্যুত বৰগাং কেন্দ্ৰীয় নামঘৰ পৰিচালনা সমিতি, বিহালী জ্যেষ্ঠ নাগৰিক সন্মিলন, বৰগাং শাখা সাহিত্য সভা, বৰগাং বণিক সন্থা, সাংস্কৃতিক মহাসভাৰ বিহালী আঞ্চলিক সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালৰ সমভাগী হয়।

# বায়ুৰ মাত্ৰা নিৰূপক যন্ত্ৰৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ ছেপ্টেম্বৰ ঃ** প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় নিৰ্মল বায়ু আঁচনিৰ অধীনত কালি শিৱসাগৰ ছোৱালী কলেজত স্বয়ংচালিত বায়ুৰ মাত্ৰা নিৰূপক যন্ত্ৰৰ শুভ উদ্বোধন হয়। উক্ত যন্ত্ৰ উদ্বোধন কৰে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ সদস্য সচিব ড° শান্তনু দত্তই। কাৰ্যসূচীৰ লগত সংগতি ৰাখি সদস্য সচিবগৰাকীয়ে কলেজ চৌহদত গছপুলি ৰোপণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছোৱালী কলেজৰ অধ্যক্ষ ৰীতা চৌধুৰীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰৰ অভিযন্তা জাকিৰ আহমেদে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত মন্দিৰা শইকীয়া আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পাৰিপাৰ্শ্বিক বিজ্ঞানী মনোজ শইকীয়া। মুখ্য অতিথিসকলে প্ৰদূষণ নিয়ন্ত্ৰণৰ ওপৰত বিস্তৃত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰৰ অভিযন্তা জাকিৰ আহমেদে।

# টংলা শতদল সাহিত্য সভাৰ ৫৯সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন


**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, টংলা, ২৯ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম টংলা শতদল সাহিত্য সভাৰ ৫৯সংখ্যক প্ৰতিষ্ঠা দিৱসটি বুধবাৰে নিজা কাৰ্যালয় ভৱনত অনুষ্ঠিত কৰা হয়। পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে টংলা শতদল সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে টংলা সাহিত্য সভাৰ উপ-সভাপতি শিৱপ্ৰসাদ হাজৰিকাই। টংলা সাহিত্য সভাৰ প্ৰাচীৰ পত্ৰিকা 'ৰামধেনু'ৰ যুটীয়া-সম্পাদক সবিতা ৰাণী মহলীয়া আৰু জয়ন্ত দাস সম্পাদিত টংলা সাহিত্য সভাৰ প্ৰাচীৰ পত্ৰিকা ২০২২ বৰ্ষৰ, ২য় সংখ্যা উন্মোচন কৰে টংলাস্থিত




নেচনেল পায়'নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইছলামে। ১০ বজাত স্মৃতি ৰোমন্থন আৰু অন্তৰংগ আলাপ অনুষ্ঠান টংলা সাহিত্য সভাৰ সদস্য আৰু সদস্যাসকলৰ দ্বাৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভণি কৰা হয়। টংলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই আঁত ধৰা স্মৃতি ৰোমন্থন আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰ সঞ্চালনা কৰে টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নবীন বেজবৰুৱাই আৰু অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন সভাপতি তথা বিশিষ্ট শিক্ষাবিদ বিনয় কুমাৰ মেধিয়ে। মুখ্য অতিথি হিচাপে ওদালগুৰি জিলা সাহিত্য সভাৰ উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সন্মানিত অতিথি হিচাপে টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লোকেশ্বৰ ডেকা, ঘনকান্ত ডেকা আৰু সমাজ সেৱক বলিৰাম ডেকাই ভাষণ প্ৰদান কৰে। সভাত গীত পৰিৱেশন কৰে ক্ৰমে লক্ষ্যহীৰা চহৰীয়া, অনিমা নাথ চহৰীয়া আৰু বাক্সা জিলা সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য উদ্ধৱ দাসে। অনুষ্ঠানত কবিতা পাঠ কৰে টংলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্ত, অসম সাহিত্য সভাৰ হিতৈষী সভ্য ৰঞ্জি শইকীয়া ডেকা আৰু দেৱজিত শৰ্মাই। টংলা সাহিত্য সভাৰ পুথিভঁৰাল সম্পাদক উমেশ চন্দ্ৰ দাস, সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহা, টংলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ঘটেশ্বৰ বৰুৱা, উত্তৰ দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মনোৰঞ্জন শৰ্মা প্ৰমুখ্যে সাহিত্যানুৰাগী ব্যক্তি উপস্থিত থকা অনুষ্ঠান জাতীয় সংগীতেৰে সামৰণি পৰে।

# নগাঁৱত বৰ্ধিত বিদ্যুৎ মাচুল বাতিলৰ দাবীত কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** বৰ্ধিত বিদ্যুৎ মাচুল বাতিল কৰাৰ দাবীত কালি নগাঁও জিলা কংগ্ৰেছে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে প্ৰতিবাদী সমদল উলিওৱাৰ লগতে সমদল কৰি নগাঁও সংমণ্ডল অসম শক্তি বিতৰণ কোম্পানীৰ কাৰ্যালয়ত উপস্থিত হৈ ধৰ্ণা দিয়ে। কংগ্ৰেছৰ নেতা-কৰ্মীসকলে বিদ্যুতৰ বৰ্ধিত মাচুল প্ৰত্যাহাৰ কৰক, পোহৰ বিলোৱাৰ নামত ৰাইজক অন্ধকাৰ কুঠৰীলৈ নিক্ষেপ কৰা নচলিব, অসম চৰকাৰ হায় হায়, জনবিৰোধী বিজেপি চৰকাৰক উৎখাত কৰক আদি বিভিন্ন ধ্বনি দি নগাঁৱৰ ৰাজপথ উত্তল কৰি তোলে। বিধায়ক নুৰুল হুদা, নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰাকে ধৰি কেইবাজনো শীৰ্ষ নেতাই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শীঘ্ৰে বৰ্ধিত মাচুল প্ৰত্যাহাৰ নকৰিলে কংগ্ৰেছে ব্যাপক গণ- আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সতৰ্ক কৰি দিয়ে।



# বঙাইগাঁৱত ব্যৱসায়ীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** ক্ৰমাৎ অপৰাধীৰ ৰম্যভূমিলৈ পৰ্যবসিত হ'বলৈ ধৰিছে বঙাইগাঁও। শেহতীয়াভাৱে দুৰ্বৃত্তই বিয়েৰৰ লগত নিচাযুক্ত দ্ৰব্য মিহলাই এজন ব্যৱসায়ীক খুৱাই ব্যৱসায়ীজনৰ লগত থকা নগদ ধন, সোণৰ আঙঠি আদি লুট কৰি নিয়া এক ঘটনা সংঘটিত হৈছে। লগতে বিয়েৰৰ লগত নিচাযুক্ত দ্ৰব্য সেৱন কৰোৱাত অসুস্থ হৈ পৰা ব্যৱসায়ীজনৰ পিছত চিকিৎসালয়ত মৃত্যু হয়। বঙাইগাঁও চহৰৰ এখন ব্যক্তিগত হাস্পতালত মঙলবাৰৰ নিশা মৃত্যু বৰণ কৰা ভুক্তভোগী ব্যৱসায়ীজন বঙাইগাঁও চহৰৰ বি এড কলেজৰ সমীপৰ অৰবিন্দ ৰায় (৪৮) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি শনিবাৰে (২৪ ছেপ্টেম্বৰ) ব্যৱসায়ী অৰবিন্দ ৰায়ক তেওঁৰ মুখ চিনাকি ব্যক্তি তথা নিউ বঙাইগাঁও বৌদিবাজাৰৰ দুষ্টচক্ৰৰ নায়ক জয়নাল আলীয়ে (২৭) নিউ বঙাইগাঁও চাইনা মাৰ্কেটলৈ লৈ যায়। তাতেই বিয়েৰৰ লগত নিচাযুক্ত দ্ৰব্য সেৱন কৰোৱাত ব্যৱসায়ী অৰবিন্দ ৰায় অচেতন হৈ পৰে আৰু এই সুযোগতে তেওঁৰ লগত থকা নগদ ধনসহ ডিঙিৰ চেইন, আঙঠি, সোণৰ আ-অলংকাৰ জয়নালে লুটি কৰি নিয়ে। পিছত ব্যৱসায়ী অৰবিন্দ ৰায়ক অচেতন অৱস্থাত চাপৰাকাটাত পেলাই থৈ যায়। ইপিনে ব্যৱসায়ীজনৰ সংজ্ঞা ঘূৰি অহাৰ পিছত তেওঁ কিবা প্ৰকাৰে চাপৰাকাটাৰ পৰা ৰোলিং মিলৰ সমীপলৈ আহি পৰিয়ালৰ লোকৰ সৈতে যোগাযোগ কৰে আৰু পিছলৈ পৰিয়ালৰ লোকে তেওঁক উদ্ধাৰ কৰে। কিন্তু তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে তেওঁক বঙাইগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱায়। হাস্পতালত চিকিৎসাধীন অৱস্থাত মঙলবাৰৰ নিশা ব্যৱসায়ী অৰবিন্দ ৰায়ৰ মৃত্যু হয়। ইতিমধ্যে ঘটনা সন্দৰ্ভত নৰ্থ বঙাইগাঁও আৰক্ষী পহৰা চকীত এটি গোচৰ ৰজু হৈছে। নৰ্থ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উক্ত ঘটনাৰ সৈতে জড়িত দুষ্টচক্ৰৰ নায়ক জয়নাল আলী বৰ্তমান পলাতক হৈ আছে। পিছে পৰিতাপৰ কথা এয়ে যে বঙাইগাঁৱত এতিয়া নিতৌ বৃদ্ধি পাব ধৰিছে অপৰাধজনিত ঘটনা।

# বিকাশ দত্ত-শ্ৰদ্ধা দত্তৰ গীত উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৯ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠ শিল্পী বিকাশ দত্ত আৰু শ্ৰদ্ধা দত্ত দ্বৈত কণ্ঠ 'জোন জোনালী' শীৰ্ষক এটি গীত আজি নগৰৰ গড় আলিস্থিত অভিৰুচি ৰেষ্টুৰেণ্টত আনুষ্ঠানিকভাৱে শুভ মুক্তি দিয়া হয়। যোৰহাটৰ ষ্টুডিঅ' কাৰখানাত ৰেকৰ্ডিং হোৱা দীপক কুমাৰ বৰাৰ কথা আৰু সুৰাৰোপিত এই গীতটি এগছি বন্তি প্ৰজ্জ্বলনেৰে আনুষ্ঠানিকভাৱে উন্মোচন কৰে আশীৰ দশকৰ জনপ্ৰিয় অনাতাঁৰ শিল্পী ইলা দত্তই। গীতটিৰ সংগীত দিপু শৰ্মা আৰু অংকুৰ শৰ্মাৰ আৰু শব্দ সংমিশ্ৰণ ৰূপম দত্তৰ। উল্লেখযোগ্য গীতটিৰ শুভমুক্তি উপলক্ষে অভিৰুচিত এটি চমু সংগীতানুষ্ঠানৰো আয়োজন কৰা হয়। সাংবাদিক অমৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত বিকাশ দত্ত আৰু শ্ৰদ্ধাৰ উপৰি দিপু শৰ্মা, অংকুৰ শৰ্মা, নাৱাজ আহমেদ, আবিৰ চাহিল, সংগীতা বৰুৱা, জাহ্নু কাশ্যপ আৰু অৰূপ ভট্টাচাৰ্যই গীত পৰিৱেশন কৰি সৌষ্ঠৱ বৃদ্ধি কৰে।

# ডুমডুমা নাট্য মন্দিৰত অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৯ ছেপ্টেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ ৬৪সংখ্যক প্ৰতিষ্ঠা দিৱসটো সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু ডুমডুমা নাট্য মন্দিৰ সমিতিৰ সহযোগত কালি সন্ধিয়া ডুমডুমা নাট্য মন্দিৰত উদ্‌যাপন কৰা হয়। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তাৰ পিছতে সন্মিলনৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি পল্লৱ শৰ্মাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সন্মিলনৰ জিলা সম্পাদক খগেন বুঢ়াগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা আগবঢ়াই অসম নাট্য সন্মিলনৰ এটা থুলমূল আভাস দাঙি ধৰে। কাৰ্যকৰী সভাপতি পল্লৱ শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে অসম নাট্য সন্মিলনক নতুন ৰূপ প্ৰদানত নাট্যপ্ৰেমী ৰাইজে হাত উজান দিবলৈ আহ্বান জনাই ভাষণ সামৰে। জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই প্ৰদান কৰা ভাষণ প্ৰসংগত ডুমডুমা নাট্য মন্দিৰৰ ঐতিহ্য ব্যাখ্যা কৰে। ১৯৩৩ চনত ডুমডুমা নাট্য মন্দিৰত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ উদ্যোগত কেনেদৰে অসমৰ ভিতৰত প্ৰথম সহঃ অভিনয়ৰ পাতনি মেলিছিল সেই কথা আৰু তেওঁ নাট্য সন্মিলনৰ লগত ৫৬ বছৰমান পূৰ্বে কেনেদৰে সাঙোৰ খাই পৰিছিল তেনে কথাবোৰক লৈ এটি চমু ভাষণ দিয়ে। অনামৰ সম্পাদক নয়ন ডেকায়ো নাট্য মন্দিৰটোৰ ঐতিহ্য সম্পৰ্কত বক্তব্য আগবঢ়ায়। সভাত অভিনয়ৰ লগত জড়িত ব্যক্তি ক্ৰমে ডিগবৈৰ বিবেকানন্দ বিদ্যালয়ৰ বিষয় শিক্ষক দিগন্ত দত্ত, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপক দ্বিজেন শৰ্মা আৰু বিশিষ্ট কবি-নাট্যকাৰ-অভিনেতা জয়সূৰ্য বৰাই নাট সম্পৰ্কত একোটি বহুমূলীয়া বক্তব্য আগবঢ়ায়। বিশিষ্ট অভিনেত্ৰী টিংৰাইৰ ধৰিত্ৰী বৰবৰুৱা আৰু তিনিচুকীয়াৰ মধুমিতা পাটোৱাৰীৰ লগতে সন্মিলনৰ জিলা সম্পাদক তথা বিশিষ্ট অভিনেতা খগেন বুঢ়াগোহাঁয়ে সভাত নাটৰ একোটি দীঘলীয়া সংলাপ প্ৰক্ষেপ কৰি যথাৰ্থতে সভাখন সফল কৰি তোলে। টিংৰাইৰ নয়নমণি বৰা দত্তৰ উদ্যোগত এটি সমবেত সংগীত আৰু বিশিষ্ট গায়িকা বনশ্ৰী বাইলুং-এ গীত পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে। সভাত নাট্য মন্দিৰৰ সাধাৰণ সম্পাদক অৰূপজ্যোতি ডেকা, ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ উপ-সভাপতি শংকৰ দাস আৰু প্ৰাক্তন উপ-সভাপতি নিত্য চৌধুৰী, শিল্পী পেন্সনাৰ সাৰংগ (সঞ্জু) নাথ, অভিনেত্ৰী দীপ্তি গোহাঁই প্ৰমুখ্যে বহুসংখ্যক নাট্যপ্ৰেমী ৰাইজে যোগদান কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

# লিডু কেন্দ্ৰীয় নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৯ ছেপ্টেম্বৰ ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবছৰো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যজুৰি মঞ্চস্থ হ'ব নাট-ভাওনা। তিনিচুকীয়া জিলাৰ লিডু কেন্দ্ৰীয় নামঘৰতো বিগত বৰ্ষসমূহৰ দৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱভাগি ৫ আৰু ৬ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জন্মোৎসৱ উপলক্ষে ৬ অক্টোবৰত দীপাংকৰ শৰ্মাৰ পৰিচালনাত দস্যু ৰত্নাকৰৰ মুক্তিলাভ নাট ভাওনাখন প্ৰদৰ্শন হ'ব । চেমনীয়াসকলে এই ভাওনাখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিব। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা ৮ বজাত পতাকা উত্তোলন, বন্তি প্ৰজ্বলনৰ পিছতে চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । তাৰ পিছতে ভাগৱত ভ্ৰমণ উলিওৱা হ'ব। দিনৰ ১১.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া নাম-প্ৰসংগত নামাচাৰ্যৰূপে শিৱসাগৰৰ অশ্বিনী শইকীয়াই অংশ ল'ব। সন্ধিয়া ৫.৩০ বজাত ৫৭৪ গছি বন্তি প্ৰজ্বলন কৰা হ'ব । ৬ অক্টোবৰৰ দিনা পুৱা ১০ বজাৰ পৰা দিহানাম প্ৰতিযোগিতা (মহিলা আৰু শিশুসকলৰ মাজত) আৰু বৰগীত



প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিহানাম প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠদল (মহিলা)- নগদ ধন দহ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ (মহিলা)ক নগদ ধন পাঁচ হাজাৰ টকা প্ৰথম শ্ৰেষ্ঠ ( শিশু)ক নগদ ধন ৫০০০ টকা দ্বিতীয় শ্ৰেষ্ঠ (শিশু) ক নগদ ধন ২৫০০ টকা বৰগীত প্ৰতিযোগিতা- প্ৰথম শ্ৰেষ্ঠক নগদ ধন ৩০০০ টকা দ্বিতীয় শ্ৰেষ্ঠক নগদ ধন ২০০০ টকা বঁটাৰ সৈতে প্ৰদান কৰা হ'ব। বিয়লি ২ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে বিধায়ক ভাস্কৰ শৰ্মাই অংশ ল'ব। সন্ধিয়া ৭ বজাত গায়ন -বায়ন প্ৰদৰ্শনৰ পিছতে নিশা ৮ বজাত চেমনীয়াসকলৰ দ্বাৰা দীপাংকৰ শৰ্মাৰ পৰিচালনাত দস্যু ৰত্নাকৰৰ মুক্তিলাভ নামৰ নাট-ভাওনা মঞ্চস্থ হ'ব।

# বিষ্ণুপুৰ বাৰোৱাৰী দুৰ্গোৎসৱত দিহা নাম, আধুনিক নৃত্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৯ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ লৈ মাজত মাথোঁ আৰু দুটা দিন। সেই লৈ ব্যস্ত এতিয়া পূজাৰ আয়োজকসকল। পূজাৰ প্ৰস্তুতি তুংগত। কাৰিকৰী কৌশল, বিবিধ বৰ্ণাঢ্য কাৰ্যসূচীৰে শাৰদীয় দুৰ্গোৎসৱক আদৰিবলৈ সাজু হৈছে পূজাৰ আয়োজকসকলে। তাৰ ব্যতিক্ৰম নহয় বিষ্ণুপুৰত অনুষ্ঠিত দুৰ্গোৎসৱ। জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোৰে সন্মিলিত প্ৰচেষ্টাত বৰ্ণাঢ্য অনুষ্ঠানৰ সমাহাৰে সৌষ্ঠৱ বাঢ়িব এইবেলি বিষ্ণুপুৰৰ পূজাস্থলী। আন্ধেৰীঘাটৰ সমীপৱৰ্তী বিষ্ণুপুৰত এইবেলি ৩৬ সংখ্যক দুৰ্গোৎসৱ। বিষ্ণুপুৰ বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গোৎসৱ সমিতিৰ উদ্যোগত পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আটাইকেইটা দিনৰ কাৰ্যসূচী আকৰ্ষণীয় ৰূপত সজোৱাৰ চেষ্টা কৰিছে উদ্‌যাপন সমিতিয়ে। সেই অনুসৰি ১৪ আহিন অৰ্থাৎ ১ অক্টোবৰত সন্ধিয়া ষষ্ঠী বিহিত পূজা আৰম্ভ। ১৫ আহিন অৰ্থাৎ ২ অক্টোবৰত গছপুলি ৰোপণ, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ। অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক শান্তিৰাম ডেকাই পূজা মণ্ডপ আৰু ব্যৱসায়ী জায়েদুল ইছলামে ৰভা মণ্ডপ উন্মোচন কৰাৰ পিছতে মহিলাৰ 'দুৰ্গা' বাহিনীৰ দলৰ দ্বাৰা পানী তোলা পৰ্ব, দুপৰীয়া ১২ বজাৰ পৰা আকৰ্ষণীয় দিহা নাম প্ৰতিযোগিতা। 'শিক্ষক মুকুতা' হিৰণ্য কুমাৰ নাথে দিহা নাম প্ৰতিযোগিতা উদ্বোধন কৰা অনুষ্ঠানত অতিথি হিচাপে থাকিব বুঢ়াগাঁও পঞ্চায়তৰ সচিব শ্বহীদ আলী, সন্ধিয়া বন্তি প্ৰজ্বলন, আৰতি, ডিম্বেশ্বৰ কলিতাৰ নাগাৰা নাম পৰিৱেশন। ১৬ আহিন অৰ্থাৎ ৩ অক্টোবৰত পুৱা মহাষ্টমীৰ পূজা আৰম্ভ, ১০ বজাত বিষ্ণুপুৰ বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গা পূজাস্থলীত মূল তোৰণৰ ভূমি পূজন কৰিব ছিপাঝাৰ উন্নয়ন খণ্ডৰ সহযোগী কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াই। ইয়াৰ পিছতে ১২ বজাত মহিলাৰ আকৰ্ষণীয় দিহা নাম প্ৰতিযোগিতা। ঊষাৰাণী বৰ্মনে উদ্বোধন কৰা দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দিলীপ কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলন, আৰতি, দুমুহু কলিতাৰ নাগাৰা নাম পৰিৱেশন। ১৭ আহিন অৰ্থাৎ ৪ অক্টোবৰত পুৱা মহানৱমীৰ পূজা আৰম্ভ ১০ বজাত পূজা সমাপনৰ লগতে নিৰ্মালি গ্ৰহণ। দিনৰ ১১ বজাৰ পৰা দিহানাম নাম প্ৰতিযোগিতা আৰম্ভ হ'ব। এই প্ৰতিযোগিতা উদ্বোধন কৰিব দৰং জিলা বিজেপি মহিলা মৰ্চাৰ সভাপতি ৰূপালী দেৱী আৰু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পলাশ চমুৱাই। সন্ধিয়া বন্তি প্ৰজ্বলন, আৰতি, সাংস্কৃতিক সন্ধিয়া। অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডাঃ পংকজ ডেকাই সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা কাৰ্যসূচীত স্ত্ৰী ৰোগ আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ ডাঃ কিশোৰ ৰাজবংশীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব লগতে জাতীয় আদৰ্শ শিক্ষা সংসদৰ সচিব ৰাণা বশিষ্ঠই আধুনিক নৃত্য প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত দৰং জিলা পৰিষদৰ সভাপতি ধিৰেন ডেকা প্ৰমুখ্যে আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। ১৮ আহিন অৰ্থাৎ ৫ অক্টোবৰ বিজয়া দশমীত ৯.১৫ত দশমী বিহিত পূজা আৰু ১২ বজাত দেৱী বিসৰ্জন দিয়া হ'ব। গতিকে এই সমূহ কাৰ্যসূচীত সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি, দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে পূজা পৰিচালনা সম্পাদক তপন চহৰীয়া আৰু সভাপতি প্ৰফুল্ল কুমাৰ নাথে।

# মানকাচৰ আৰক্ষীৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৯ ছেপ্টেম্বৰ ঃ** মানকাচৰ থানাৰ অন্তৰ্গত কদমতুলিত যোৱা নিশা প্ৰায় ১১ বাজাত মানকাচৰ আৰক্ষীয়ে গোপন সূত্ৰই পম খেদি অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলায় আৰু অভিযানত ২৩৭খন সুৰাৰ বটল জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে কুবাদ হুছেইন (৫৫) নামাৰ এজন অসাধু সুৰাৰ বেপাৰীক। জানিব পৰা মতে মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰ জ্যোতি দাসৰ নেতৃত্বত এই অভিযান চলে। অসাধু ব্যৱসায়ীজনক গ্ৰেপ্তাৰ কৰি মানকাচৰ থানালৈ আনি মাৰাথন জেৰা কৰি আজি হাটশিঙিমাৰী জিলা আদালতত হাজিৰ কৰাত আদালতে আচামীজনক জে'ল হাজতলৈ প্ৰেৰণ কৰে।




# যোৰহাটত নিড্‌ছৰ প্ৰশিক্ষণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৯ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূব পীড়িত উন্নয়ন সংস্থা (নিড্‌ছ) আৰু ষ্টাৰ নেটৱৰ্কৰ উদ্যোগত 'বানপীড়িত ৰাইজৰ অধিকাৰ আৰু বিভিন্ন উন্নয়নমূলক চৰকাৰী আঁচনি শীৰ্ষক এক প্ৰশিক্ষণ কৰ্মশালা কালি হোটেল 'ৰিলেক্স ইন'ত সম্পন্ন হৈ যায়। উত্তৰ-পূব পীড়িত উন্নয়ন সংস্থাৰ (নিড্‌ছ) যুটীয়া সঞ্চালক তীৰ্থ প্ৰসাদ শইকীয়াই বানপানী অধ্যুষিত অঞ্চল টীয়ক সমষ্টিৰ জাজীমুখ অঞ্চলৰ ৰাইজৰ সৰ্বাংগীণ উন্নয়নত বেচৰকাৰী অনুষ্ঠান নিড্‌ছে কৰি থকা বিভিন্ন সময়ৰ সহায়ৰ কথা উল্লেখ কৰে। লগতে নিড্‌ছৰ তৰফৰ পৰা জাঁজীমুখবাসী কৃষক ৰাইজক বানপানীৰ পিছত কেনেকৈ কৃষিপ্ৰধান অঞ্চলটোক বিভিন্ন চৰকাৰী বিভাগৰ লগত পৰিচয় কৰাই দিব পাৰি, চৰকাৰী সুযোগ-সুবিধা কেনেকৈ লাভ কৰিব পাৰি সেই উদ্দেশ্য আগত ৰাখি প্ৰশিক্ষণটো আগবঢ়োৱা হৈছে বুলি ভাষণত উল্লেখ কৰি প্ৰশিক্ষণৰ শুভ উদ্বোধন কৰা হৈছে বুলি ঘোষণা কৰে। নিড্‌ছৰ কৰ্মী ভূপেন বৰাই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা প্ৰশিক্ষণত অসম চৰকাৰৰ কৃষি বিভাগৰ টীয়ক ৰাজহ চক্ৰৰ কৃষি উন্নয়ন বিষয়াগৰাকীয়ে বানপীড়িত ৰাইজৰ বাবে আগবঢ়োৱা চৰকাৰৰ বিভিন্ন সুবিধাৰ কথা প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰে। প্ৰশিক্ষণত যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা স্বচ্ছভাৰত অভিযানৰ জিলা সমন্বয়ক ৰূপক গগৈয়ে স্বচ্ছতা আৰু অনাময়, বিশুদ্ধ খোৱাপনী, জলজীৱন অভিযানৰ বিষয়ে বহল ব্যাখ্যা আগবঢ়ায়। আনজন সমল ব্যক্তি তথা সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই একক ব্যৱহৃত প্লাষ্টিকৰ অপকাৰিতা, ভাৰত চৰকাৰ আৰু অসম চকাৰৰ বিভিন্ন আঁচনিৰ ওপৰ প্ৰশিক্ষণ আগবঢ়ায়। জাঁজীমুখ অঞ্চলৰ প্ৰায় ত্ৰিশগৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণত নিড্‌ছৰ কেইবাজনো কৰ্মীয়ে সহযোগ কৰে।

# ১১-১২ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে বঙাইগাঁও জিলা প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

## ■জিলাখনৰ অগ্ৰণী ব্যক্তি তথা জ্যেষ্ঠ নাগৰিকৰ সৈতে জিলা প্ৰশাসনৰ আলোচনা ■

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** চাওঁতে চাওঁতে বঙাইগাঁও জিলা গঠনৰ তেত্ৰিশ বছৰ পূৰ্ণ হ'বলৈ ওলাইছে। ১২ অক্টোবৰত বঙাইগাঁও জিলাই তেত্ৰিশ বছৰ পূৰ্ণ কৰি ৩৪ বছৰত ভৰি দিব। জিলা গঠনৰ এই প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ বাবে বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত চলিছে প্ৰস্তুতি। ১১ আৰু ১২ অক্টোবৰত দুদিনীয়া বিভিন্ন কাৰ্যসূচীৰে জিলা প্ৰশাসনে উদ্‌যাপন কৰিব বঙাইগাঁও জিলা গঠনৰ প্ৰতিষ্ঠা দিৱস। উল্লেখ্য যে আজিৰ পৰা ৩৩ বছৰ আগতে ১৯৮৯ চনৰ ১২ অক্টোবৰত অবিভক্ত গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ পৰা এটাকৈ অংশ কাটি আনি বঙাইগাঁৱক এখন পূৰ্ণ আৰু পৃথক জিলা হিচাপে গঠন কৰি প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰা হৈছিল। অৱশ্যে তেতিয়াৰ ৰাজ্য চৰকাৰে ১ অক্টোবৰত বঙাইগাঁৱক নতুন জিলা হিচাপে ঘোষণা কৰিছিল যদিও কাম-কাজ ১২ অক্টোবৰৰ পৰা আৰম্ভ হৈছিল। বঙাইগাঁও জিলাৰ প্ৰথমগৰাকী উপায়ুক্তই উপায়ুক্ত কাৰ্যালয়ৰ কাম-কাজ ১২ অক্টোবৰৰ পৰা আৰম্ভ কৰাত সেই দিনটোকে জিলা গঠনৰ দিন হিচাপে গ্ৰহণ কৰা হয়। মন কৰিবলগীয়া যে বঙাইগাঁও জিলাৰ প্ৰথমগৰাকী উপায়ুক্তৰ দায়িত্বত আছিল দীনেশ চন্দ্ৰ বৰ্মন আৰু জিলা আৰক্ষী অধীক্ষকৰ পদত আছিল আৰ এম সিং। বঙাইগাঁৱৰ দেউৰীপাৰাস্থিত নৰ্মাল স্কুলত অস্থায়ীভাৱে উপায়ুক্ত কাৰ্যালয় আৰম্ভ কৰি কাম-কাজ চলিছিল যদিও এতিয়া চহৰৰ মাজত স্থায়ী কাৰ্যালয় হৈছে। কিন্তু জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়টো বৰ্তমানো ৰে'লৱেৰ মাটিতে চলি আছে । বঙাইগাঁও জিলাৰ বহু পৰিৱৰ্তন হ'ল। চহৰখনৰো পৰিৱৰ্তন হ'ল। কিন্তু এতিয়াও আৰু বহু কৰিবলগীয়া আছে।ইপিনে বঙাইগাঁও জিলা প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সন্দৰ্ভত মঙলবাৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত নৱদীপ পাঠকৰ সভাপতিত্বত অগ্ৰণী ব্যক্তি তথা জ্যেষ্ঠ নাগৰিকৰ সৈতে এখন সভা অনুষ্ঠিত কৰা হয়। এই প্ৰতিষ্ঠা দিৱস চৰকাৰৰ নিৰ্দেশনা মৰ্মে জিলা প্ৰশাসনে ১১ আৰু ১২ অক্টোবৰত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলাইছে। জিলা প্ৰশাসনে সাংস্কৃতিক শোভাযাত্ৰা, আত্মসহায়ক গোটৰ মেলা, সাংস্কৃতিক কাৰ্যসূচী, সম্বৰ্ধনা, বিভিন্ন খেলা-ধূলা,পত্ৰ লিখন প্ৰতিযোগিতা, পেইণ্টিং প্ৰতিযোগিতা আদি কাৰ্যসূচীৰে জিলাখনৰ প্ৰতিষ্ঠা দিৱস পালনৰ প্ৰস্তুতি চলাইছে। এইক্ষেত্ৰত জিলাখনৰ অগ্ৰণী ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকৰ পৰা দিহা-পৰামৰ্শ বিচাৰি জিলা প্ৰশাসনে তেওঁলোকৰ লগত সভাত মিলিত হয়। জ্যেষ্ঠ নাগৰিকসকলে এই ক্ষেত্ৰত জিলাখনৰ তেতিয়াৰে পৰা এতিয়ালৈ যি যি পৰিৱৰ্তন হ'ল আৰু কোনসকল ব্যক্তিয়ে এই জিলাখন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আগভাগ ল'লে সেই আদ্যোপান্ত সম্পৰ্কত আলোচনামূলক অনুষ্ঠান ৰখাৰ এটা প্ৰস্তাৱ প্ৰশাসনৰ ওচৰত দাঙি ধৰে। উপায়ুক্ত নৱদ্বীপ পাঠকে 'বঙাইগাঁও জিলা প্ৰতিষ্ঠা দিৱস' উদ্‌যাপন সফলতাৰে সম্পন্ন কৰাৰ বাবে জ্যেষ্ঠ নাগৰিকসকলৰ লগত পুনৰ আলোচনাত মিলিত হ'ব বুলি উল্লেখ কৰে। এইক্ষেত্ৰত উপায়ুক্তগৰাকীয়ে তেওঁলোকক জানিবলৈ দিয়ে যে জিলা প্ৰতিষ্ঠা দিৱসৰ কিছুমান কাৰ্যসূচী উত্তৰ শালমাৰা মহকুমাতো মহকুমা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত কৰা হ'ব। এই সভাত জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, অতিৰিক্ত উপায়ুক্ত তথা উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতি (ভাৰপ্ৰাপ্ত) পাৰ্থ সাৰথি জহৰী, অতিৰিক্ত উপায়ুক্ত ক্ৰমে জেনিফাৰ ইয়াচমিন চৌধুৰী আৰু মগেন নৰহ, চক্ৰ বিষয়াসকল আৰু জিলা প্ৰশাসন তথা বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# বিদ্যাপুৰ ৰাজবাৰীত ঐতিহাসিক দুৰ্গা পূজাৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ২৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বইটামাৰীৰ সমীপৱৰ্তী বিদ্যাপুৰতো দুৰ্গাপূজাৰ ব্যাপক প্ৰস্তুতি চলিছে। ঐতিহাসিক বিদ্যাপুৰ ৰাজবাৰীত দুৰ্গাপূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জানিব পৰা মতে, ঐতিহাসিক চিদলী ৰাজ ইষ্টেটৰ ৰাজধানী বিদ্যাপুৰত প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰাই ৰাজপ্ৰসাদ চৌহদ অৰ্থাৎ ৰাজবাৰীত দুৰ্গাপূজা অনুষ্ঠিত হৈ আহিছে। বুৰঞ্জী মতে ১২৪৩ ভাস্কৰাব্দত চিদলী ৰাজ্যৰ কোঁচ ৰজা গৌৰীনাৰায়ণে নোমলপুৰৰ পৰা বিদ্যাপুৰলৈ ৰাজধানী স্থানান্তৰিত কৰিছিল আৰু তেতিয়াৰে পৰা ৰাজপৰিয়ালে বছৰ বছৰ ধৰি বংশানুক্ৰমিক ভাৱে এই দুৰ্গাপূজা অনুষ্ঠিত কৰি অহা বুলি জানিব পৰা গৈছে। বৰ্তমান ৰাজবংশটোৰ উত্তৰাধিকাৰী জয়েশ নাৰায়ণ দেৱৰ পৰিচালনাত আৰু স্থানীয় ৰাইজৰ সহযোগত ৰাজবাৰীত এই দুৰ্গা পূজা অনুষ্ঠিত হয়। উল্লেখ্য যে ৰাজপৰিয়ালৰ উদ্যোগত অনুষ্ঠিত হোৱা এই ঐতিহাসিক দুৰ্গাপূজাতহে দেৱীৰ মৃন্ময় মূৰ্তিৰ কিছু ব্যতিক্ৰমী ৰূপ দেখিবলৈ পোৱা যায়। সাধাৰণতে দুৰ্গা দেৱীৰ প্ৰতিমাৰ লগত লক্ষ্মী-সৰস্বতী, কাৰ্তিক আৰু গণেশৰ মূৰ্তি থাকে যদিও বিদ্যাপুৰ ৰাজবাৰীৰ এই পূজাৰ প্ৰতিমাত উক্ত দেৱ-দেৱীসকলৰ সৈতে জয় আৰু বিজয়ৰ প্ৰতিমূৰ্তিও থাকে। ভগৱান বিষ্ণুৰ দ্বাৰ বৈকুণ্ঠৰ দুৱৰী জয়-বিজয়কো পূজা-অৰ্চনা কৰা হয়। এয়া ৰাজবাৰীৰ পূজাৰ এক সুকীয়া বৈশিষ্ট্য। ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ তিথি অনুসৰি যথাবিহিত নিয়মেৰে পূজা অনুষ্ঠিত হ'ব। এই প্ৰাচীন পূজাখনত বিদ্যাপুৰ অঞ্চলৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিছে।




## দুৰ্গা পূজাৰ উপলক্ষে শিমুলটাপুত দৰিদ্ৰ পৰিয়ালৰ মহিলাক সজল ফাউণ্ডেচনৰ বস্ত্ৰ বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** গোসাইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ ১নং শিমুলটাপুত আজি বিয়লি ৫০০ দৰিদ্ৰ মহিলাক বস্ত্ৰ বিতৰণ কৰে ৩নং শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ তথা সজল ফাউণ্ডেচনৰ মুখ্য পৃষ্ঠপোষক সজল কুমাৰ সিংহই। উল্লেখ্য যে দুৰ্গা পূজাৰ উপলক্ষে সজল ফাউণ্ডেচনৰ তৰফৰ পৰা শিমুলটাপুত ৫০০ পৰিয়ালৰ অতিকৈ দৰিদ্ৰ হিন্দু মহিলাক শাড়ী বিতৰণ কৰে। আন আন বছৰৰ দৰে এই বেলিও শাৰদীয় দুৰ্গা পূজাৰ পবিত্ৰ উৎসৱতো সৰ্বমুঠ ৪ হাজাৰ পৰিয়ালক শাড়ী বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে পাৰিষদ তথা সজল ফাউণ্ডেচনৰ মুখ্য পৃষ্ঠপোষক সজল কুমাৰ সিংহই। সজল ফাউণ্ডেচনৰ এনে পদক্ষেপক অঞ্চলটোৰ ৰাইজে শলাগ লোৱা দেখা পোৱা গৈছে।

## কয়াকুছিত অত্যাধুনিক পৰিদৰ্শন বঙলাৰ উদ্বোধন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ২৯ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাণকেন্দ্ৰ কয়াকুছিত আজি অত্যাধুনিক পৰিদৰ্শন বঙলাৰ শুভ উদ্বোধন কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ২০১৯-২০ বিত্তীয় বৰ্ষৰ এছ'অ' পি ডি জি (জি) আঁচনিৰ দুই কোটি টকাৰে নিৰ্মিত এই পৰিদৰ্শন বঙলাৰ শুভ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে স্থানীয় সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰ, ভবানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই সংগ দিয়ে। ১১টা কোঠালী থকা এই অত্যাধুনিক পৰিদৰ্শন বঙলাত মুঠ ৬টা কোঠালী শীত তাপ নিয়ন্ত্ৰণ সুবিধাযুক্ত। ৫০ জন মানুহে বহি অনুষ্ঠিত কৰিব পৰা সভাকক্ষত অত্যাধুনিক শব্দ প্ৰতিৰোধক ব্যৱস্থা আছে। সভাকক্ষত আধুনিক এল চি ডি প্ৰযুক্তিৰ লগতে মাইক্ৰ'ফোন ব্যৱহাৰ কৰা হৈছে। প্ৰতিখন কোঠালীত চি চি টিভি সংযুক্ত কৰাৰ লগতে ইন্টাৰকম সুবিধাযুক্ত। পৰিদৰ্শন বঙলাৰ প্ৰতিটো কোঠালী টয়লেট, বাথৰুম সংযুক্ত হৈ আছে। ২০২০ চনৰ ২০ জানুৱাৰীত সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰে পৰিদৰ্শন বঙলাৰ আধাৰশিলা স্থাপন কৰিছিল।

## নগৰবেৰাত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস উপলক্ষে অংগনবাদী কৰ্মী-পৰিদৰ্শিকালৈ প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৯ ছেপ্টেম্বৰ ঃ** 'ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস' উপলক্ষে নগৰবেৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি সমাজ কল্যাণ বিভাগৰ অংগনবাদী কৰ্মী আৰু পৰিদৰ্শিকাসকলক পেলু নিৰ্মূলকৰণৰ ওপৰত এক প্ৰশিক্ষণ প্ৰদান কৰা হয়। স্মৰ্তব্য যে ১ বছৰ বয়সৰ শিশুৰ পৰা ১৯ বছৰীয়া কিশোৰ-কিশোৰীলৈ পেলু নিৰ্মূলকৰণৰ সংকল্প গ্ৰহণ কৰিছে স্বাস্থ্য বিভাগে। দিৱসটিৰ সতে সংগতি ৰাখি নগৰবেৰাস্থ ছমৰীয়া শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অন্তৰ্গত অংগণবাদী কেন্দ্ৰসমূহৰ কৰ্মী আৰু পৰিদৰ্শিকা সকল উপস্থিত থকা এই কাৰ্যসূচীত নগৰবেৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ কাৰ্ত্তিক পাটোৱাৰীয়ে প্ৰশিক্ষাৰ্থীসকলক পেলু নিৰ্মূলকৰণ সন্দৰ্ভত প্ৰশিক্ষণ দিয়ে।

## চৰগুৱাত বন্যহস্তীৰ উপদ্ৰৱ, বিদ্যালয়গৃহ ভাঙি মধ্যাহ্ন ভোজন চাউল, পথাৰৰ ধান খাই তহিলং, নিমাত বন বিভাগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৯ ছেপ্টেম্বৰ ঃ** ডিমৌ ৰাজহ চক্ৰৰ চৰগুৱাত যোৱা দুটা নিশা এক বৃহৎ বন্যহস্তীৰ জাকে উপদ্ৰৱ চলাই নিদ্ৰাহৰণ কৰিছে জনসাধাৰণৰ। বন্যহস্তীৰ জাকটোৱে সন্ধিয়া হোৱাৰ লগে লগে পানীদিহিং পক্ষী অভয়াৰণ্যৰ পৰা ওলাই আহি কৃষি পথাৰত এফালৰ পৰা ধান খোৱাৰ লগতে গাঁৱত প্ৰৱেশ কৰি ভঁৰাল ভাঙি অনিষ্ট সাধন কৰিছে। ইয়াৰোপৰি যোৱা নিশা চৰগুৱা উচ্চ মাধ্যমিক বিদ্যালয় পকী ৱাল ভাঙি বুজন পৰিমাণৰ মধ্যাহ্ন ভোজনৰ চাউল খাই শেষ কৰে। বনৰীয়া হাতীৰ জাকটোৱে পানীদিহিঙৰ কাষৰীয়া চৰগুৱা আদৰ্শ কলিতা গাঁৱত কেইবাদিনো ধৰি উপদ্ৰপ চলাই আহিছে যদিও জিলা আৰু স্থানীয় বন বিভাগৰ লোকে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে বিভাগটোৰ প্ৰতি তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। ইতিমধ্যে চৰগুৱাৰ পুনেশ্বৰ গগৈৰ ঘৰৰ ভঁৰাল ভঙা আৰু চৰাগুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পকী গৃহ ভাঙি মাধ্যাহ্ন ভোজনৰ চাউল খাই অনিষ্ট কৰা সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছে।

### পূজাৰ বতৰত সোপাধৰাৰ আতংক

## টীয়কত গাঁৱে গাঁৱে সজাগতাত ব্যস্ত আৰক্ষী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ সৰ্বত্ৰ এতিয়া দুৰ্গোসৱৰ আনন্দ। যিহেতু দুৰ্গা পূজা লৈ মাজত মাথোঁ এটা দিন। ষষ্ঠীত বেল বোধনেৰে দেৱীক প্ৰতিষ্ঠা কৰিব। এইকেইটা দিনত ৰাজ্যৰ আৰক্ষী প্ৰশাসনৰ ব্যস্ততা অধিক হয়। কাৰণ সুৰক্ষাজনিত দিশৰ পৰা আৰম্ভ কৰি যান-যটলৈকে সকলো দিশ পানী নসৰকা কৰি তুলিবলগীয়া হয়। এনে ব্যস্ততাৰ মাজতে আৰক্ষীৰ বাবে মূৰৰ কামোৰণিৰ দৰে হৈ পৰিছে সোপাধৰাৰ আতংক। পূজাৰ ব্যস্ততাৰ সমান্তৰালভাৱে যোৰহাট জিলাতো আৰক্ষীয়ে গাঁৱে গাঁৱে এতিয়া সোপাধৰা যে এটা ভ্ৰান্ত ধাৰণা, সেয়া সাধাৰণ ৰাইজক বুজাবলৈ সজাগতা সভা অনুষ্ঠিত কৰিবলগীয়া হৈছে। টীয়ক আৰক্ষী থানাৰ অধীনৰ জাঁজী মুছলিম গাঁৱটো টীয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত টেৰাঙে এনেদৰে ভিতৰুৱা অঞ্চল, চাহ বাগিচা অধ্যুষিত অঞ্চলত সজাগতা সভা আয়োজন কৰি ৰাইজক সজাগ কৰা পৰিলক্ষিত হৈছে। আৰক্ষী বিষয়াগৰাকীৰ এই প্ৰশংসনীয় কাৰ্যক এতিয়া সকলো গাঁওবাসীয়ে একেমুখে শলাগ লোৱাৰ লগতে অনাগত দিনত সদায়ে আৰক্ষীৰ লগত যোগাযোগ ৰক্ষা কৰি সোপাধৰাৰ নামত যি ভুৱা প্ৰচাৰ চলি আছে তাক প্ৰতিহত কৰিবলৈ সকল্প লোৱা দেখা যায়।



## বিশিষ্ট সমাজসেৱী বংশীধৰ ডেকাৰ পৰলোক

### অঞ্চলজুৰি শোকাকুল পৰিবেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বোৰ্কা নিৱাসী, ডি আই চি চিৰ অৱসৰপ্ৰাপ্ত সম্প্ৰসাৰণ বিষয়া, বিশিষ্ট সমাজসেৱী বংশীধৰ ডেকাৰ আজি পুৱা প্ৰায় ১০-৩০ বজাত নিজ বাসগৃহতে পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ বিগত মাৰ্চ মাহৰ পৰা যকৃতৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল বুলি জানিব পৰা গৈছে। এগৰাকী জনপ্ৰিয় সমাজসেৱী হিচাপে পৰিচিত বংশীধৰ ডেকাৰ মৃত্যুত সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকাকুল পৰিবেশৰ সৃষ্টি হয় আৰু শাৰদীয় দুৰ্গোৎসৱৰ উলহ-মালহ ভালেখিনি ম্লান হয়। ডেকাৰ পৰলোকপ্ৰাপ্তিৰ বাতৰি বিয়পি পৰাৰ লগে লগে অজস্ৰ গুণমুগ্ধ লোক তেওঁৰ বাসগৃহত সমবেত হৈ শোকদগ্ধ পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে মৃতদেহত পুষ্পাঞ্জলি প্ৰদান কৰি শেষ শ্ৰদ্ধা নিৱেদন কৰে। বোৰ্কা গাঁও হিতসাধিনী সভাৰ প্ৰাক্তন সভাপতি বংশীধৰ ডেকা বোৰ্কা অঞ্চলৰ মধ্য কামপীঠ মহাবিদ্যালয়কে ধৰি বিভিন্ন পৰ্য্যায়ৰ শিক্ষানুষ্ঠান তথা স্থানীয় চিকিৎসা কেন্দ্ৰ সহ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লগত নিবিড়ভাৱে জড়িত হৈ আছিল। বংশীধৰ ডেকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বোৰ্কা গাঁও হিতসাধিনী সভা, পদ্মদত্ত স্মৃতি ৰাজহুৱা পুথিভঁড়াল, মধ্য কামৰূপ কেন্দ্ৰীয় ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কমলপুৰ আঞ্চলিক সমিতি, অগপ কমলপুৰ আঞ্চলিক সমিতি, অগপ কামৰূপ জিলা সমিতি, বোৰ্কা বজাৰ সমিতি, স্থানীয় হস্পিতাল পৰিচালনা সমিতিৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ প্ৰতিনিধিসকল, কামৰূপ জিলা অগপৰ সাধাৰণ সম্পাদক শুভৰাম দাস, বিশিষ্ট সমাজসেৱী তথা অৱসৰী প্ৰধান শিক্ষক মানিক কাকতিসহ বিশিষ্ট ব্যক্তিসকলে মৃতদেহত পুষ্পমাল্য প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু মৌন প্ৰাৰ্থনাৰে স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা আৰু প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই বংশীধৰ ডেকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰা বুলি তেওঁৰ আত্মীয় সকলে জানিব দিছে। পিছত তেওঁৰ শৱদেহ সমদল কৰি নি অজস্ৰ গুণমুগ্ধ লোকৰ উপস্থিতিত শেষকৃত সমাপন কৰা হয়। পৰলোকগমনৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৭৩ বছৰ। ইহসংসাৰত বংশীধৰ ডেকাই পত্নী, অৱসৰী শিক্ষয়িত্ৰী ভাৰতী ডেকাসহ দুজন পুত্ৰ আৰু এগৰাকী কন্যা তথা ভালেসংখ্যক আত্মীয়-স্বজন এৰি থৈ যায়।

## প্ৰাক্তন বাস্কেটবল খেলুৱৈ, প্ৰশিক্ষক পুতু দাসৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ আমোলাপট্টি নিৱাসী প্ৰবীন বাস্কেটবল খেলুৱৈ, প্ৰশিক্ষক তথা ৰেফাৰী পুতু দাসৰ আজি পুৱা নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। উল্লেখ্য যে বিগত কিছুদিন ধৰি ক্ৰীড়াবিদ গৰাকী অসুস্থতাত ভুগি আছিল। সহজ-সৰল, অমায়িক স্বভাৱৰ পুতু দাসে ১৯৭১ চনৰ পৰা নগাঁৱত আৰম্ভ হোৱা বাস্কেটবল খেলিবলৈ লয় আৰু জিলা দলকে ধৰি অসম দলকো প্ৰতিনিধিত্ব কৰিছিল। আনহাতে নব্বৈ দশকত খেলুৱৈগৰাকী নগাঁও ক্ৰীড়া সংস্থাৰ বাস্কেটবল সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰে। পৰৱৰ্তী সময়ত বাস্কেটবল প্ৰশিক্ষক আৰু ভাৰতীয় বাস্কেটবল সন্থাৰ স্বীকৃত ৰাষ্ট্ৰীয় ৰেফাৰীৰ দায়িত্ব পালন কৰিছিল। তেওঁ অসম বাস্কেটবল সন্থাৰ টেকনিকেল সদস্যৰ উপৰি বাছনি সমিতিৰো সদস্য নিৰ্বাচিত হৈছিল। এসময়ত তেওঁ ক্ৰীড়া সাংবাদিকতাৰ সৈতেও জড়িত আছিল। দাসৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে নগাঁও চহৰত শোকৰ ছাঁ পৰে। দাসৰ আমোলাপট্টিৰ বাসগৃহত ভালেসংখ্যক গুণমুগ্ধই প্ৰাক্তন খেলুৱৈ গৰাকীৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আনহাতে দাসৰ নশ্বৰ দেহ প্ৰথমে নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামলৈ আনি শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ইয়াৰ পিছত নগাঁও প্ৰেছ ক্লাবটো এসময়ৰ ক্ৰীড়া সাংবাদিকতাৰে জড়িত প্ৰবীন খেলুৱৈগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। প্ৰবীন বাস্কেটবল খেলুৱৈ তথা প্ৰশিক্ষক পুতু দাসৰ মৃত্যুত স্থানীয় বিধায়ক ৰূপক শৰ্মাই গভীৰ শোক প্ৰকাশ কৰি কয় যে পুতু দাসৰ মৃত্যুত নগাঁও বাস্কেট বলৰ ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি হ'ল। নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি ৰাজেন গোঁহাই, সম্পাদক পৱন বৰুৱা, নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সম্পাদক প্ৰদীপ কুমাৰ হাজৰিকাকে ধৰি বিভিন্ন ক্ৰীড়ানুষ্ঠানে পুতু দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত দাসে পত্নী, এগৰাকী কন্যাসহ ভালেসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষ উপলক্ষে অসম ক্ৰীড়া সাংবাদিক সন্থাই অনুষ্ঠিত কৰা সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত যোৱা ২৪ ছেপ্টেম্বৰত নগাঁও ক্ৰীড়া সংস্থাৰ সভাকক্ষত এসময়ৰ ক্ৰীড়া সাংবাদিকতাৰে জড়িত পুতু দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।



## বৰমাত ৰেডক্ৰছ ছ'চাইটীৰ উদ্যোগত সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ বৰমাত আজি ভাৰতীয় ৰেডক্ৰছ চ'ছাইটীৰ উদ্যোগত আৰু গুৱাহাটী ৰেডক্ৰছ চ'ছাইটীৰ সহযোগত বাক্সা জিলা ৰেডক্ৰছ চ'ছাইটীয়ে ৩৫০টা বানবিধ্বস্ত পৰিয়ালৰ মাজত কিছু সামগ্ৰী বিতৰণ কৰে। বিগত বাৰিষাত বাক্সা জিলাৰ বৰমা অঞ্চলৰ বিভিন্ন ঠাইত বানে ক্ষতিগ্ৰস্ত কৰা প্ৰায় ৩৫০টা পৰিয়ালক তিৰপালৰ লগতে চাবোন, পাকঘৰৰ সামগ্ৰীকে ধৰি অন্যান্য বয়-বস্তু বিতৰণ কৰা হয়। বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হোৱা সামগ্ৰী বিতৰণ অনুষ্ঠানত অতিথি হিচাপে গুৱাহাটী ৰেডক্ৰছ চ'ছাইটীৰ উপ প্ৰৱন্ধক লৱ শৰ্মা, বাক্সা জিলাৰ ৰেডক্ৰছ ছ'চাইটিৰ সম্পাদক ৰাজীৱ দাস, যুটীয়া সম্পাদক আলকাচ আলী, সমাজকৰ্মী হুচেইন আলী, শিক্ষাবিদ ড° ফনীধৰ তালুকদাৰ, বিপিন চন্দ্ৰ কলিতা, স্বপন শৰ্মা, সাংবাদিক দিলীপ কুমাৰ হালৈ আদিয়ে উপস্থিত থাকে। গুৱাহাটী ৰেডক্ৰছ চ'ছাইটীৰ উপ প্ৰৱন্ধক লৱ শৰ্মাই জানিবলৈ দিয়া মতে গুৱাহাটী ৰেডক্ৰছ চ'ছাইটীয়ে অসমৰ কেইবাখনো জিলাত জিলা সমিতিসমূহৰ সহযোগত প্ৰায় সাত হাজাৰ পৰিয়ালক এনে সামগ্ৰী বিতৰণ কৰিছে। আগলৈকো ক্ষতিগ্ৰস্ত পৰিয়ালক ৰেডক্ৰছ চ'ছাইটীয়ে এনেধৰণৰ সামগ্ৰী বিতৰণ কৰি যাব বুলি জানিবলৈ দিয়ে শৰ্মাই।



## নগাঁৱত ৰুক্মিণী হৰণ ভাওনাই মুহিলে দৰ্শকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** নগাঁও জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত যোৱা নিশা প্ৰদৰ্শিত হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি অংকীয়া ভাওনা 'ৰুক্মিণী হৰণ'। নগাঁও জিলা আৰক্ষী প্ৰশাসনৰ পৃষ্ঠপোষকতাত বটদ্ৰৱাৰ শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ সহযোগত আঙ্গিক নগাঁৱে পৰিৱেশন কৰে 'ৰুক্মিণী হৰণ' অংকীয়া ভাওনা। বৰদোৱা থুলৰ সমলৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'ৰুক্মিণী হৰণ' ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনা উদ্বোধন কৰে অসম চৰকাৰৰ ছাত্ৰ আৰু যুৱ কল্যাণ সমিতিৰ সদস্য সচিব গীতাৰ্থ গোস্বামীয়ে। ভাষণত গোস্বামীয়ে গুৰু জনাৰ অমৰ সৃষ্টি অংকীয়া ভাওনাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শ্ৰীকৃষ্ণৰ সাহসিকতা আৰু বীৰত্বৰ কাহিনীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাটসমূহৰ ভিতৰত ৰুক্মিণী হৰণ নাটখনি অন্যতম। কুণ্ডিলৰাজ ভীষ্মকৰ একান্ত ইচ্ছাক নস্যাৎ কৰি পুত্ৰ ৰুক্মবীৰে ভগ্নী ৰুক্মিণীক ছেদিৰাজ শিশুপাললৈ বিয়া দিয়াৰ অংগীকাৰ কৰিলে। আনহাতে কৃষ্ণ আৰু ৰুক্মিণীৰ প্ৰেম বিৰহৰ মাজতে ৰুক্মিণীয়ে এদিন পৰম মিত্ৰ বেদনিধিৰ হাতত কৃষ্ণ লৈ এখন পত্ৰ প্ৰেৰণ কৰিলে। বিশ্বস্ত পত্ৰ পাই কৃষ্ণ দাৰকাৰ পৰা কুণ্ডিল নগৰলৈ আহি শিশুপাল, জৰাসন্ধ প্ৰমুখ্যে বীৰ যোদ্ধাসকলক পৰাস্ত কৰি, ৰুক্মবীৰক শাস্তি প্ৰদান কৰি ৰুক্মিণীক কেনেদৰে হৰণ কৰি দ্বাৰকালৈ নিলে তাৰেই বৰ্ণনা নাটকখনিত পোৱা যায়। আঙ্গিক নগাঁৱে নগএগ ৰাইজক এখন সুন্দৰ অংকীয়া নাট উপহাৰ দিলে। গায়ন-বায়নৰ পৰা আৰম্ভ কৰি সুত্ৰধাৰ, প্ৰতিগৰাকী অভিনেতা-অভিনেত্ৰীৰ অভিনয়ে সকলোকে মোহিত কৰে। অনুষ্ঠানত শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদকদ্বয় ব্ৰজেন কাকতি, ইন্দ্ৰ মোহন বৰুৱা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা, নগাঁৱৰ উপ আৰক্ষী অধীক্ষক ত্ৰিদিৱ কুম্বাং সহ বহু বিশিষ্ট লোকে নাটখন উপভোগ কৰে।

### যোৰহাটত 'অসম দৰ্শন আঁচনি'ত অনিয়ম

## দিহিঙ্গীয়াকুৰি বৰ নামঘৰত ৰাইজৰ অজ্ঞাতে নিম্নমানৰ টিনপাত ক্ৰয় সম্পাদকৰ

### তদন্তৰ নামত ৰাইজৰ ব্যাপক ক্ষোভ প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৯ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ অন্তৰ্গত উত্তৰ পশ্চিম ঢেকৰগড়া উন্নয়ন খণ্ডৰ অন্তৰ্গত উত্তৰ যোৰহাটৰ পটিয়া গাঁৱৰ সমীপৰ দিহিঙ্গীয়াকুৰি বুঢ়া নামঘৰ উন্নয়নত অনিয়ম সংঘটিত হোৱাৰ ব্যাপক অভিযোগ উত্থাপিত হৈ আহিছে। উল্লেখ্য যে 'অসম দৰ্শন আঁচনি'ৰ অধীনৰ ২লাখ টকাৰ চেক্ যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে ৰাইজৰ হাতত প্ৰায় ৬ মাহৰ আগতেই এক সভাত অৰ্পণ কৰিছিল। ৰাইজৰ দ্বাৰা নিৰ্মাণ কৰা সমিতিৰ সম্পাদকে নিজৰ ইচ্ছা অনুসৰি টিন পাট ক্ৰয় কৰে আৰু এই কাৰ্য ৰাইজক অৱগত নকৰাকৈ সংঘটিত কৰাৰ উপৰিও নিম্নমানৰ টিনপাট হোৱাৰ বাবে ৰাইজে উক্ত টিনপাত ব্যৱহাৰ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই নিৰ্মাণ সমিতিৰ সভাপতিৰূপে খণ্ড উন্নয়ন বিষয়াক সভাপতি আৰু উক্ত বিভাগৰ এজন কনিষ্ঠ অভিযন্তাক টেকনিকেল বিষয়াৰূপে সমিতিত ৰাখিব লাগে বুলি সম্পাদকজনে ৰাইজক অৱগত কৰে আৰু সেইমতেই এখন সমিতি গঠন কৰে। ইয়াৰ উপৰিও সম্পাদকজনে নিৰ্মাণ সমিতিৰ তিনিজন সদস্যৰ পৰা অতি কৌশলৰে কাৰ্য বিৱৰণ বহীত স্বাক্ষৰ কৰাই টিন পাট ক্ৰয়ৰ বাবে অনুমতি দিয়া বুলি নিজ ইচ্ছা অনুসৰি বহীত দেখুৱা কাৰ্যক সহজভাৱে ল'ব পৰা নাই স্থানীয় ৰাইজে। এনেদৰে নিম্ন মানৰ টিন পাট ক্ৰয় কৰি ৰাইজক নজনোৱাকৈ নামঘৰৰ ভিতৰত ৰাখি আছে। এই কাৰ্যৰ পাছৰ পৰা গাঁৱৰ ৰাইজ অসন্তুষ্ট হোৱাৰ লগতে সকলোৱে মাজত ব্যাপকভাৱে চৰ্চা আৰম্ভ হয়। স্বাক্ষৰ কৰা সকলে ৰাইজক অৱগত কৰা উদ্দেশ্যে পঞ্চায়ত সভাপতি, গাঁও প্ৰধানক লৈ সভা পাতিলে যদিও স্বয়ং সম্পাদক উক্ত সভালৈ নাহিল। ইয়াৰ পাছত গাঁৱৰ জ্যেষ্ঠ সকলে বহু সভা পাতিও লাভ নোহোৱাৰ দৰে হৈ ভাগৰুৱা হৈ পৰে আৰু সমস্যাৰো সমাধান নহ'ল। টিন পাট লগোৱা কাৰ্যক সমৰ্থন নকৰি নিৰুপায় হৈ গাঁৱৰ যুৱক সকল একত্ৰিত হৈ খণ্ড উন্নয়ন বিষয়াক এই বিষয়ৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ বাবে ৩০ আগষ্টত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। খণ্ড উন্নয়ন বিষয়াই বিষয়টো সমাধান কৰাৰ ব্যৱস্থা কৰিব বুলি কেইবাটাও দিন পাৰ হোৱাত ৰাইজৰ আলোচনা কৰা নহ'ল। সেয়ে ২৮ ছেপ্টেম্বৰত পুনৰ গাঁওখনৰ উন্নয়ন সমিতিৰ কৰ্মীসকল খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ কনিষ্ঠ অভিযন্তাক সাক্ষাৎ কৰে আৰু বিষয়টো অৱগত কৰে যদিও তেওঁৰো ৰাইজৰ অপচন্দ বিষয়টো বাদ দি অন্য এটা বিষয়ত আলোচনা কৰে। ইয়াৰ প্ৰতিবাদত গাঁৱৰ উন্নয়ন সমিতিৰ সভাপতিৰ লগত ব্যাপক বাক্-বিতণ্ডা সৃষ্টি হয় আৰু সভাপতিয়ে সভা এৰি বাহিৰলৈ ওলাই আহে। সভাত কোনো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰাত গাওঁখনৰ ৰাইজৰ মাজত ব্যাপকভাৱে চৰ্চাৰ বিষয় হৈছে চৰকাৰী বিধি এনেধৰণে প্ৰনয়ণ কৰা হৈছেনে? দুৰ্নীতি বিৰোধী সৃষ্টিত থকা মুখ্যমন্ত্ৰীয়ে এনেধৰণে নামঘৰৰ আঁচনি অনিয়ম সংঘটিত হোৱা বিজেপি দলৰ নেতাক নাকি লগাবলৈ কেতিয়া সময় পাব। ইয়াৰ বিহিত ব্যৱস্থা বিচাৰি বাবে সংবাদ মাধ্যমৰ যোগেদি স্থানীয় ৰাইজে আবেদন জনাইছে।

## 'খাগৰিজান মহাবিদ্যালয়ত নব্যবৰণ' শীৰ্ষক অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা

### মহাবিদ্যালয়ৰ বিভিন্ন উন্নয়নমূলক দিশ পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** মধ্য অসমৰ এখনি অগ্ৰণী উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান খাগৰিজান মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত আজি অনুষ্ঠিত হয় নব্যবৰণ শীৰ্ষক অনুষ্ঠানৰ। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। বিধায়কগৰাকীয়ে মহাবিদ্যালয়ত উপস্থিত হৈ প্ৰথমে বিধায়ক এলেকা উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মিত পুথিভঁৰালটি মুকলি কৰাৰ অন্তত আগন্তুক দিনত হ'বলগীয়া মহাবিদ্যালয়ৰ উন্নয়ন মূলক কামৰ বিভিন্ন দিশসমূহ পৰিদৰ্শন কৰে। তাৰ পাচতে অনুষ্ঠিত মুকলি সভাত বিধায়ক শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— মানৱ জীৱন সুন্দৰ ৰূপত গঢ়ি তোলাৰ মূল সম্পদ হৈছে শিক্ষা। আমি প্ৰতিজন ব্যক্তি শিক্ষাৰ আলোকৰে আলোকিত হ'ব নোৱাৰিলে এখন সুস্থ সবল সমাজৰ সপোন দেখিব নোৱাৰো। শিক্ষাৰ যোগেদি জ্ঞানৰ শলিতা জ্বলাই পোহৰৰ বাট বুলোৱা খাগৰিজান মহাবিদ্যালয় মধ্য অসমৰ এক উল্লেখযোগ্য উচ্চ শিক্ষানুষ্ঠান। চাওতে চাওতে আজি খাগৰিজান মহাবিদ্যালয়ে গৌৰৱোজ্বল সোনালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। এতিয়া আগৰ খাগৰিজান মহাবিদ্যালয় আৰু আজিৰ খাগৰিজান মহাবিদ্যালয়ৰ মাজত বহু পৰিবৰ্তন আহিল। অনাগত দিনত মহাবিদ্যালয়খনিৰ সকলো দিশৰ ফালৰ পৰা আৰু অধিক উন্নতি কামনা কৰে বিধায়ক ৰূপক শৰ্মাই। অনুষ্ঠানত খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে আদৰণী ভাষণ প্ৰদান কৰে। উপাধ্যক্ষ ড° জোনাৰাম নাথে আঁত ধৰা সভাত বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অৰুণ বিকাশ দত্ত, মহাবিদ্যালয়খনৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাধ্যক্ষ চেলিমা চুলতানা খন্দকাৰ, নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা প্ৰমুখ্যে ভালেমান গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। নব্যবৰণ অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ আলোচনী ২০২১-২২ বৰ্ষৰ অমৃতধাৰা আলোচনীখনো উন্মোচন কৰাৰ লগতে বিধায়ক পুঁজিৰ পৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ উন্নয়নৰ বাবে ৩ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়াই বিধায়ক ৰূপক শৰ্মাই। উল্লেখ যে সোণালী জয়ন্তী বৰ্ষৰ স্মৃতি হিচাপে মহাবিদ্যালয় চৌহদত এটি স্মাৰক নিৰ্মাণৰ বাবেও আজি বিধায়কৰ উপস্থিতিত স্থান পৰিদৰ্শন কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে। বিয়লি ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। অনুষ্ঠানত কণ্ঠশিল্পী গৌৰাংগ ৰাগে গীত পৰিৱেশন কৰে।




## বিশিষ্ট চাৰু-কাৰুকলা শিল্পী ধৰ্মপ্ৰাণ হৰেন্দ্ৰ বড়ো আৰু নাই ঃ ভেৰগাঁৱত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** ভেৰগাঁৱৰ নিকটৱৰ্তী ঘোগাপাৰা নিবাসী বিশিষ্ট চাৰু-কাৰুকলা শিল্পী, চিত্ৰকৰ ধৰ্মপ্ৰাণ হৰেন্দ্ৰ বড়োৰ আজি পুৱতি নিশা নিজগৃহত আকস্মিকভাৱে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বৈকুণ্ঠপ্ৰয়াণ হয়। শুই থকা অৱস্থাতে মৃত্যুক সাৱটি লোৱা নিপুণ শিল্পীগৰাকীৰ বয়স ৫৫ বছৰ হৈছিল। জানিব পৰা মতে তেওঁ কিছুদিনৰ পৰা সামান্যভাৱে উচ্চ ৰক্ত চাপ আৰু হৃদযন্ত্ৰৰ ৰোগত ভুগি আছিল। তৎসত্বেও সুঠাম চেহেৰাৰ পৰিশ্ৰমী শিল্পীগৰাকীয়ে মৃত্যুৰ দিনটোলৈকে নিজক স্বকৰ্মত নিয়োজিত কৰি ৰাখিছিল। আজি পুৱা বহু দেৰিলৈকে শুৱাৰ পৰা নুঠা দেখি পৰিয়ালৰ লোকে জগাবলৈ গৈ তেওঁক শোৱাপাটীত মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। বিভিন্ন অনুষ্ঠান, অধিবেশন, সভা, প্ৰদৰ্শনী আদিত বাঁহ- বেতেৰে সুদৃশ্য তোৰণ, অতিথি চ'ৰা আদি নিৰ্মাণ কৰি বহুজনৰ সমাদৰ লাভ কৰা বড়োৱে ৰং তুলিকাৰে সুন্দৰকৈ ছবি আঁকা আৰু আখৰ লিখাতো নিপুণতা প্ৰদৰ্শন কৰি সুনাম অৰ্জন কৰিছিল। এক শৰণ হৰিনাম ধৰ্মৰ একান্ত সেৱক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও প্ৰাথমিক শাখাৰ প্ৰাক্তন সভাপতি তথা ভেৰগাঁও জিলা শাখাৰ এগৰাকী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা বড়োৱে অঞ্চলটোত আধ্যাত্মিক জ্ঞান প্ৰচাৰেৰে আনক সুপথে পৰিচালিত কৰাৰ লগতে কৰ্মমুখী কৰাৰ বাবেও হাতে কামে পৰিশ্ৰম কৰি আৰ্হি দেখুৱাইছিল। তদুপৰি নৱ প্ৰজন্মক চাৰু-কাৰুকলা শিল্পৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰয়াস কৰা বড়োৱে নিজৰ গৃহত কেৱল বাঁহ-বেতেৰে নিৰ্মাণ কৰি উলিওৱা এটা দৃষ্টিনন্দন নামঘৰৰ বাবেও প্ৰশংসিত হৈছিল। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকা সৰবৰহী শিল্পী গৰাকীৰ অকাল মৃত্যুত আজি বৃহত্তৰ ভেৰগাঁৱত গভীৰ শোকৰ ছাঁ পৰে। তেখেতৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভেৰগাঁও প্ৰাথমিক আৰু ভেৰগাঁও জিলা সমিতি, ভেৰগাঁও আঞ্চলিক এবছু, ভেৰগাঁও আঞ্চলিক আৰছু, ভেৰগাঁও আঞ্চলিক উন্নয়ন সমিতি, ভেৰগাঁও প্ৰেছ ক্লাৱ, ভেৰগাঁও ব্যৱসায়ী সন্থা আদি বিভিন্ন সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। ভেৰগাঁও চাহ বাগিচাৰ পৰিচালক নৱ প্ৰকাশ বৰা, ভেৰগাঁও আঞ্চলিক এবছু আৰু আৰছুৰ নেতৃবৃন্দ, ভেৰগাঁও আঞ্চলিক উন্নয়ন সমিতিৰ বিষয়ববীয়া সকলে শিল্পী গৰাকীৰ গৃহত উপস্থিত হৈ তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। ইপিনে ভেৰগাঁও ব্যৱসায়ী সন্থাই শিল্পী হৰেন্দ্ৰ বড়োৰ মৃত্যুত শোক প্ৰকাশ কৰি পুৱা ন বজাৰ পৰা তিনি ঘন্টাৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠান সমূহ বন্ধ ৰাখে। বড়োৱে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, তিনি গৰাকী কন্যাৰ লগতে অনেক গুণমুগ্ধ আৰু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়। তেখেতৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ভেৰগাঁও প্ৰাথমিক আৰু ভেৰগাঁও জিলা সমিতি, ভেৰগাঁও আঞ্চলিক এবছু, ভেৰগাঁও আঞ্চলিক আৰছু, ভেৰগাঁও আঞ্চলিক উন্নয়ন সমিতি, ভেৰগাঁও প্ৰেছ ক্লাব, ভেৰগাঁও ব্যৱসায়ী সন্থা আদি বিভিন্ন সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। ইপিনে ভেৰগাঁও ব্যৱসায়ী সন্থাই শিল্পী হৰেন্দ্ৰ বড়োৰ মৃত্যুত শোক প্ৰকাশ কৰি পুৱা ৯ বজাৰ পৰা তিনি ঘন্টাৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখে। বড়োৱে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, তিনিগৰাকী কন্যাৰ লগতে অনেক গুণমুগ্ধ আৰু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।



# প্ৰথম পৃষ্ঠাৰ পৰা—

## নিৰ্মীয়মাণ খুঁটাত খুন্দিয়াই

চক্ৰ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী পিটাৰ সাহা, ধুবুৰী জিলা পৰিষদৰ সদস্য বেবী বেগম আচ্ছুৰু ধুবুৰীৰ লাট মণ্ডল নমেজ উদ্দিন আহমেদক স্থানীয় ৰাইজে উদ্ধাৰ কৰে যদিও চক্ৰ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী পিটাৰ সাহা সংকটজনক অৱস্থাত ধুবুৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনা কেনেকৈ ঘটিল— আজি পুৱা ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাস আৰু ধুবুৰী জিলা পৰিষদৰ সদস্যা বেবী বেগম ধুবুৰীৰ পৰা ধুবুৰীৰ আমিনেৰ চৰত শেহতীয়া বানপানীৰ পৰ্যালোচনা কৰিবলৈ নৌকাৰে গৈছিল। পৰ্যালোচনা শেষ কৰি উভতি অহাৰ পিছত, ধুবুৰীৰ আইৰণজংলা দ্বিতীয় খণ্ডত অৱস্থিত, এল এণ্ড টি কোম্পানীৰ দ্বাৰা ধুবুৰী - ফুলবাৰী নিৰ্মীয়মাণ দলঙৰ ওচৰত নামিব বিচাৰিছিল বিষয়াগৰাকীয়ে। কিন্তু নিৰ্মীয়মাণ দলঙৰ কৰ্মচাৰীয়ে বাধা প্ৰদান কৰে। পিছত, বিষয়াগৰাকীয়ে নিজেই দণ্ডধীশ বুলি পৰিচয় দিয়াৰ পিছতো বাধা প্ৰদান কৰে। এক কথাত ক'বলৈ গ'লে এল এণ্ড টি কোম্পানীৰ দ্বাৰা ধুবুৰী - ফুলবাৰী নিৰ্মীয়মান দলঙৰ কৰ্মচাৰীৰ বাবে আজি দুৰ্ঘটনা সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে সাংবাদিকক জানিবলৈ দিয়ে। এছডিআৰএফ আৰু বিএছএফৰ কৰ্মীসকলে এই নৌকাখন উদ্ধাৰ কৰে যদিও নৌকাত কোনো মৃতদেহ উদ্ধাৰ হোৱা নাই। নৌকাত অকল এখন মটৰচাইকেল আৰু বাইচাইকেল উদ্ধাৰ হৈছে। ইপিনে উপায়ুক্ত অম্বামুথন এম পিয়ে জনায়, নাওত ২৯ যাত্ৰী আছিল। ইয়াৰ ভিতৰত ৩জন সন্ধানহীন হৈ আছে। আৰক্ষী অধীক্ষকে জনায়— এল এণ্ড টি কোম্পানীৰ বিৰুদ্ধে অভিযোগ পোৱা গৈছে। খুঁটাবোৰত ৰঙা কাপোৰ লগাব লাগে, দূৰৰ পৰা নাওৰীয়াই যাতে প্ৰত্যক্ষ কৰিব পাৰে।

**শুকুৰবাৰে পুৱাই ধুবুৰীত উপস্থিত হ'বগৈ কংগ্ৰেছৰ শীৰ্ষ দল**

কংগ্ৰেছ সভাপতি ভূপেন কুমাৰ বৰাৰ নিৰ্দেশক্ৰমে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীৰ নেতৃত্বত দলৰ জ্যেষ্ঠ নেতা, বিধায়কৰ এটা উচ্চ-পৰ্যায়ৰ দলে কাইলৈ পুৱাই ধুবুৰীত ব্ৰহ্মপুত্ৰৰ বুকুত সংঘটিত শোকাৱহ নাও দুৰ্ঘটনাৰ বুজ ল'বলৈ ঘটনাস্থলীত উপস্থিত হ'বগৈ। ৰাণা গোস্বামীৰ উপৰি অসম কংগ্ৰেছ বিধায়িনী দলৰ মুখ্য সচেতক ৱাজেদ আলী চৌধুৰী, বিধায়ক যাদৱ স্বৰ্গীয়াৰী, বিধায়ক আব্দুল বাটিন খণ্ডকাৰ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় ক্ৰমে ৰাজেশ কুমাৰ যোশী আৰু আনোৱাৰ হুছেইন প্ৰমুখ্যে নেতাসকলক লৈ গঠিত দলটোৱে নাও দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰিব আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পৰা দুৰ্ঘটনাটোৰ বিষয়ে সবিশেষ তথ্য আহৰণ কৰিব। প্ৰতিনিধি দলটোৱে জিলা প্ৰশাসনৰ সৈতেও আলোচনাত মিলিত হৈ এই দুৰ্ভাগ্যজনক নাও দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে উপযুক্ত তদন্তৰ দাবী তুলিব। উল্লেখ্য যে এই দুৰ্ঘটনাত নাওখনৰে যাত্ৰা কৰা বহু লোক সন্ধানহীন হৈ আছে।

## অনুদান বুলি গণ্য কৰিব কাঁহ

পুঁজিৰ অধীনত ২ কোটি টকা ব্যয় সাপেক্ষে এই পৰিদৰ্শন বঙলাটি নিৰ্মাণ কৰা হৈছে। ভূমি মহলাকে ধৰি তিনি মহলীয়া এই গৃহটিত মুঠ ১১টা কোঠালি আছে আৰু ইয়াৰে ৬টা শীত-তাপ নিয়ন্ত্ৰিত। তদুপৰি ভি আই পিৰ ভ্ৰমণৰ বাবে ইয়াত এটা ছুইট আছে। পৰিদৰ্শন বঙলাটোৰ সভাকক্ষত লোক নিৰ্মাণ (গ্ৰাম্য পথ) আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলৰ উপস্থিতিত হোৱা সভাত সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিভিন্ন উন্নয়নমূলক কামৰ লগতে জনসাধাৰণৰ সমস্যাৰাজিৰো বুজ লয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে উন্নয়নমূলক কাম-কাজসমূহ সময় নিৰ্ধাৰিতভাৱে সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। নাগৰিকসকলে দিয়া অভিযোগৰ মীমাংসা কৰিবলৈ তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ দাবী পূৰণৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰো আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয়াকুছি এলেকাৰ সামগ্ৰিক উন্নয়নৰ বাবে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে লোৱা প্ৰচেষ্টাৰো শলাগ লয়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে সৰ্থেবাৰী পাঁচখেল গঞ্জাগয়ৰহৰ ধৰ্মীয় বিশ্বাস আৰু সেৱাৰ অনুষ্ঠান শ্ৰীশ্ৰীজগন্নাথ মন্দিৰৰ সন্মুখৰ পুৰণি মণিকূটৰ লগতে বাটচ'ৰাৰ নতুনকৈ নিৰ্মাণকাৰ্যৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে ৰাজ্য চৰকাৰে ৫০ লাখ টকা আগবঢ়াব বুলিও ঘোষণা কৰে। কাঁহ-পিতল নগৰী আৰু ইয়াৰ বাসিন্দাসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে কেতবোৰ প্ৰকল্প আৰু আঁচনিৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। সৰ্থেবাৰী অসামৰিক চিকিৎসালয়খনত আধুনিক চিকিৎসাৰ যন্ত্ৰপাতি আৰু পৰ্যাপ্ত স্বাস্থ্যসেৱা কৰ্মচাৰী নিয়োগেৰে এখন অত্যাধুনিক চিকিৎসালয়লৈ উন্নীত কৰাৰ দিশত চৰকাৰৰ পৰা তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰো আশ্বাস প্ৰদান কৰে। তেওঁ লগতে ঘোষণা কৰে যে বিভিন্ন কাঁহ-পিতল উদ্যোগৰ উদ্যোগীয়ে লাভ কৰা মুঠ ৫ কোটি টকাৰ ঋণ আৰু ক্ৰেডিটক অনুদান হিচাপে গণ্য কৰা হ'ব আৰু এই ধন বা সুদ ঘূৰাই দিব নালাগিব। ইয়ে কাঁহ-পিতলৰ শিল্পক আগুৱাই নিয়াৰ দিশত সহায়ক হৈ উঠিব বুলিও তেওঁ কয়। সৰ্থেবাৰীক পাঠশালাৰ সৈতে সংযোগী ড° জিনাৰাম দাস পথৰ বৰ্তমানে চলি থকা উন্নীতকৰণৰ কাম অতিশীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ কয়। সৰ্থেবাৰীৰ জনসাধাৰণৰ পৰিচয় আৰু সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে যথোচিত গুৰুত্ব প্ৰদান কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে আজি কৃষ্ণগুৰু সেৱাশ্ৰমো পৰিদৰ্শন কৰি ৰাজ্যৰ জনসাধাৰণৰ কুশল-মংগল কামনাৰে সেৱা আগবঢ়ায়। তেওঁ এই আধ্যাত্মিক স্থানৰ বাসিন্দা আৰু ইয়াৰ সদস্যসকলৰ সৈতেও মত-বিনিময় কৰে। মুখ্যমন্ত্ৰী এই ভ্ৰমণকালত ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰ, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

## গোসাঁইগাঁৱৰ হাৰাপুটাত

অক্সিগুৰি নিবাসী ছোৰহাব আলী শ্বেখৰ পুত্ৰ জহিৰুল ইছলামক (৪০) অচিনাক্ত দুৰ্বৃত্তই গুলীচালনা কৰে। জানিবলৈ দিয়া মতে তেলিপাৰা বজাৰৰ পৰা ঘৰলৈ যোৱাৰ পথত হাৰাপুটাত সন্ধিয়া গুলীচালনা কৰে। জহিৰুল ইছলামৰ বাঁও হাতত গুলী লাগে। ইতিমধ্যে ঘটনাস্থলীত এটা সজীৱ গুলী উদ্ধাৰ হয়। জহিৰুল ইছলামৰ ঘৰ গোসাঁইগাঁৱৰ অক্সিগুৰিত। ততাতৈয়াকৈ ঘটনাস্থলীত গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাৰ লগতে গোসাঁইগাঁও থানাৰ আৰক্ষী উপস্থিতি হৈ ঘটনাৰ বুজ লয়। জহিৰুল ইছলামক গোসাঁইগাঁও আৰ এন বি হাস্পতালত ভৰ্তি কৰোৱা হয়। পিছত উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে।

## প্ৰতিদ্বন্দ্বিতা বন্ধুত্বপূৰ্ণ হ'ব

আৰু দুয়ো সন্মত হয় যে তেওঁলোকৰ 'প্ৰতিদ্বন্দ্বীৰ মাজত যুদ্ধ নহয়, সহকৰ্মীসকলৰ মাজত বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতা'হে হ'ব। সিঙে বৃহস্পতিবাৰে নিৰ্বাচনৰ বাবে মনোনয়ন-পত্ৰ সংগ্ৰহ কৰাৰ পিছত তিৰুৱন্তপুৰমৰ সাংসদ থাৰুৰক লগ কৰিছিল। থাৰুৰে কয়— 'আজি আবেলি দিগ্বিজয় সিঙৰ সাক্ষাৎ লাভ কৰিলো। মই আমাৰ দলৰ সভাপতি পদৰ বাবে তেওঁৰ প্ৰাৰ্থিত্বিক স্বাগতম জনাইছো'। তেওঁ লগতে কয়— 'আমি দুয়ো সন্মত হৈছিলো যে আমাৰ প্ৰতিদ্বন্দ্বীসকলৰ মাজত যুদ্ধ নহয় কিন্তু মাজত বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতাহে হ'ব। 'দিগ্বিজয় সিঙে আজি পুৱা নিশ্চিত কৰিছিল যে তেওঁ দলৰ সভাপতি পদৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে, ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে পিছত নিশ্চিত কৰিছিল যে তেওঁ নিৰ্বাচনত অৱতীৰ্ণ নহয়। আনকি তেওঁ ৰাজ্যখনৰ বিধায়কসকলৰ বিদ্ৰোহৰ বাবে ছোনিয়া গান্ধীৰ ওচৰত ক্ষমা বিচাৰে। দিগ্বিজয় সিঙে এআইচিচিৰ মুখ্য কাৰ্যালয়ৰ বাহিৰত সাংবাদিকক কয় যে তেওঁ দলৰ কেন্দ্ৰীয় নিৰ্বাচন কৰ্তৃপক্ষৰ (চিইএ) পৰা তেওঁৰ মনোনয়ন প্ৰপত্ৰ সংগ্ৰহ কৰিছে। তেওঁ কাইলৈ মনোনয়ন দাখিল কৰাৰ সম্ভাৱনা আছে। সিঙে কয়— 'আজি মই মনোনয়ন প্ৰপত্ৰ সংগ্ৰহ কৰিবলৈ ইয়ালৈ আহিছো আৰু সম্ভৱতঃ কাইলৈ দাখিল কৰিম'। তেওঁ লগতে কয় যে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত কেৱল তেওঁৰ নিজৰ আছিল আৰু তেওঁ আন কাৰোবাৰ সৈতে পৰামৰ্শ কৰিছে [illegible]

**কংগ্ৰেছ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰে অশোক গেহলটে, ছোনিয়াক ক্ষমা প্ৰাৰ্থনা, আশা থানাবান শচীন পাইলটৰ**

[illegible]

## নাও দুৰ্ঘটনাই আৰু কিমানৰ

[illegible] কৰ্মস্থলীলৈ ৰাওনা হয়। যিসকল শিক্ষকৰ পানীত সাঁতোৰাৰ কোনো অভ্যাস নাই, তেনেবোৰ শিক্ষকে যিসমূহ নাৱত বিদ্যালয়লৈ যায়, তাৰেই কোনোখনতে নাই লাইফ জেকেট, লাইফ বয় বা আন কোনো সুৰক্ষা কবচ। তথাপি সেইসকল শিক্ষকে বৃদ্ধ পিতৃ-মাতৃ,পৰিয়াল-পৰিজনৰ মুখলৈ চাই প্ৰতিদিনে নিজৰ জীৱনটো অদৃষ্টৰ হাতত সমৰ্পণ কৰি বিদ্যালয়লৈ যায়। কেতিয়াবা নাৱৰ যাত্ৰী ইমানেই বেছি হয় যে লুইতৰ পানীৰ স্পৰ্শ কৰিবলৈ মাত্ৰ কিঞ্চিত দূৰত্ব থাকে। তথাপি কোনেও কাৰো কথালৈ ভ্ৰূক্ষেপ নকৰে। প্ৰতিবাদ কৰিলেও উপায় নাই। যিসকল শিক্ষকে চৰাঞ্চলত চাকৰি কৰা নিযুক্তি-পত্ৰ যিদিনাই লাভ কৰিছিল, সিদিনাখনেই তেওঁলোকে সম্ভাব্য মৃত্যুৰ দলিলতহে যেন স্বাক্ষৰ কৰিছিল। এয়া যদিও শুনিবলৈ অশুৱনি তথাপি এয়া যে এদিন নহ'ব কোনে ক'ব পাৰে। ব'হাগ আৰু ফাগুন মাহত লুইতৰ মাজত হোৱা বা-মাৰলিৰ চাক্ষুষ অভিজ্ঞতাই এতিয়াও গাৰ নোম শিহৰিত কৰে। তাৰ লগতে নাওসমূহৰ মেচিন মাজতে বন্ধ হোৱা, অনভিজ্ঞ চালকৰ দৌৰাত্ম্য আদিতো আছেই। গতিকে চৰকাৰে এতিয়াই যদি অসমৰ আন আন অঞ্চলৰ লগতে ধুবুৰীৰ নাও ঘাটসমূহত চোকা নজৰ নিদিয়ে, তেন্তে আমিও এদিন খবৰ যে নহ'ম সেয়া নিশ্চিত। আজি যেনেকৈ নিমাতীঘাটৰ নৌকা দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ ঘৰত শাসক-বিৰোধী, দল-সংগঠনৰ সমবেদনা দিয়াৰ প্ৰতিযোগিতা চলিছে, নিঃসন্দেহে আমাৰ ক্ষেত্ৰতো হ'বগৈ। তেতিয়া হয়তো আমাৰ অনুপস্থিতিত চৰকাৰে বৰ বৰ কথা ক'ব, দলঙৰ দাবী তুলিব ইত্যাদি ইত্যাদি।

কথাবোৰ অত্যন্ত নিষ্ঠুৰ কিন্তু সত্য। অসমত এতিয়া কোনে কাৰ কথা শুনে। সকলোৱে ৰজাঘৰীয়া আমোলমোলত অন্ধ। চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপিৰ দৰে নিমাতীঘাটত এতিয়া চৰকাৰী ফেৰী চলাচল হ'ল। কিন্তু ইমান দিন সেই ফেৰীবিলাক কিয় বন্ধ আছিল। সেয়া তদন্ত হ'বনে? কৰ'না মহামাৰীৰ বাবে প্ৰাথমিক বিদ্যালয়সমূহ বন্ধ হৈ আছে। তেনে সময়ত ৰজাঘৰীয়া মেল-মিটিং ঠিকেই চলিছে, কিন্তু পৰীক্ষা আৰু বিদ্যালয় খুলি দিব পৰা নাই। ইয়াৰ মাজতে অসমৰ ভৌগোলিক বিষয়ৰ কোনো জ্ঞান নথকা একাংশ বিষয়াই গুৱাহাটীৰ বন্ধ কোঠালিত নিৰ্দেশনা দিছে শিক্ষকসকলক বিদ্যালয়ত উপস্থিত হ'বলৈ। কেইদিনমান আগতে পৰিবহণ বিভাগৰ চেক্ৰেটাৰী যাদৱ শইকীয়াই সমগ্ৰ অসমৰ নদী ঘাটসমূহত এটা ইঞ্জিনযুক্ত মেচিন নাও বন্ধ কৰাৰ জৰুৰী নিৰ্দেশ দিছে। লগতে মেৰিন ডাবল ইঞ্জিনৰ বাবে নাৱৰ মালিকসকলক আঠ লাখ টকাকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু ধুবুৰীৰ ঘাটসমূহত ডাবল ইঞ্জিন নাও আছে জানো? তেন্তে নাও বন্ধ থাকিব। তেনে সময়ত একমাত্ৰ জলপথেই যাৰ সম্বল, তেওঁলোক কেনেকৈ বিদ্যালয়লৈ যাব। আনহাতে, যোৱা ৭ ছেপ্টেম্বৰ তাৰিখে সমগ্ৰ শিক্ষা অভিযানৰ বিষয়া বি কল্যাণ দেৱে সমূহ শিক্ষককে বিদ্যালয়ত উপস্থিত থাকি অনলাইন ক্লাছ কৰাৰ নিৰ্দেশ দিছে। এতিয়া কথা হ'ল, যিহেতু এটা মেচিনযুক্ত নাও বন্ধ, তেনে সময়ত শিক্ষকসকল স্কুললৈ যাব কিহেৰে? স্কুল যদি যোৱাৰ উপায়ে নাথাকে, তেনে ক্ষেত্ৰত বহিঃ জিলাৰ শিক্ষকসকলৰ বাবে এখন আছুতীয়া চৰকাৰী নিৰ্দেশনা প্ৰয়োজন নাইনে? ধুবুৰীৰ মৰ্মন্তুদ ঘটনাটোৱে অসমৰ শিক্ষা বিভাগ, চৰকাৰ আৰু প্ৰশাসনক নিশ্চয় কিবা এটি শিকনি দিব আমাৰ মনে নধৰে। নাও দুৰ্ঘটনাৰ শোক বাৰ্তাত বাদে আন একোৱে যেন দিব নোৱাৰে। কিমান সপোন বুকুত বান্ধি শিক্ষকসকলে এই ভয়াৱহ আসন্ন মৃত্যুকো ভয় নকৰি দেশৰ সেৱা আগবঢ়াই আছে, সেয়া যেতিয়ালৈকে প্ৰশাসনে নুবুজিব তেতিয়ালৈ এনে ঘটনাবোৰ একাংশৰ ৰোমাঞ্চকৰ বিষয় হৈয়ে থাকিব।

## মাজুলীৰ দুৰ্ঘটনাৰ পিছতো

লগে এনেকুৱা এখন নাটক কৰে ৰাইজে ভাবিবলৈ বিশ্বাস কৰে যে অসমত আৰু এনে দুৰ্ঘটনাৰ পুনৰাবৃত্তি নহ'ব। পিছে আজি আভ্যন্তৰীণ জল পৰিবহণ বিভাগ আৰু চৰকাৰক অংগুষ্ঠ প্ৰদৰ্শন কৰি অধিক যাত্ৰী কঢ়িয়াই ধুবুৰীত দুৰ্ঘটনাত পতিত হয় এখন নাও। এই দুৰ্ঘটনাত ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাস নিখোঁজ হৈ পৰে। চক্ৰ বিষয়া সঞ্জু দাসে এঘাৰজনীয়া এটি দলৰ সৈতে অভিশপ্ত নাওখনত গৈছিল আমিনেৰচৰ পৰিদৰ্শন কৰিবলৈ। ত্ৰিশগৰাকীৰো অধিক যাত্ৰীক লৈ যাত্ৰা কৰা নাওখনে ধুবুৰী-ফুলবাৰীৰ নিৰ্মীয়মাণ দলঙৰ কাষত দুৰ্ঘটনাত পতিত হয়। এছ ডি আৰ এফে সদৰী কৰা মতে পানীৰ তলত থকা খুঁটাত নাওখনে খুন্দা মৰাত পানী সোমাই নাওখন বুৰাই পেলায়। যাত্ৰীসকলে প্ৰাণৰ মমতাত পানীত সাঁতুৰি জীৱন বচাবলৈ সক্ষম হয় যদিও সন্ধানহীন হৈ পৰে চক্ৰ বিষয়া সঞ্জু দাসসহ কেইবাজনো যাত্ৰী। ইতিমধ্যে জিলা প্ৰশাসনৰ বিষয়াৰ লগতে এছ ডি আৰ এফ, এন ডি আৰ এফ দলে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে যদিও এই বাতৰি যুগুতোৱালৈ বিষয়াগৰাকীৰ সন্ধান পোৱা নাই। প্ৰশ্ন হৈছে নাওখনৰ চলাচল কৰাৰ অনুমতি কোনে প্ৰদান কৰিছিল। যাত্ৰীৰ বাবে প্ৰয়োজনীয় লাইফ জেকেট আছিল নে? চালকগৰাকীৰ অনুজ্ঞা-পত্ৰ আছে নে নাই ইত্যাদি অনেক প্ৰশ্ন উত্থাপিত হৈছে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিষয়াগৰাকী 'কাৰ্গো'ত যাত্ৰা কিয় কৰিছিল বুলি আশ্চৰ্য প্ৰকাশ কৰি তদন্তত পোহৰলৈ আহিব বুলি মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাৰ ভাষ্যই হাতনাও, ভুটভুটি আদি বিনা দ্বিধাই একাংশ বিষয়াক মেনেজ কৰি চলি থকাৰ অভিযোগ সত্যত পৰিণত হোৱা বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। নিয়ম মাফিক তদন্ত হ'ব, কোনোবা কেইজনমানক চৰকাৰে নিলম্বিত কৰিব, এনে দৰেই চলি থাকিব জনসাধাৰণক লৈ খেলি থকা খেলখন।

## অবিবাহিত মহিলায়ো কৰিব

এইক্ষেত্ৰত আদালতে ২০২১ চনৰ 'গৰ্ভধাৰণৰ আইন' সংশোধনৰ বিষয়টো উত্থাপন কৰে। বহুতৰে মনত ইমান দিনে প্ৰশ্ন জাগি আছিল যে অবিবাহিত মহিলাসকলে গৰ্ভৱতী হ'লে গৰ্ভপাত কৰাব পাৰিবনে নাই? আদালতে প্ৰদান কৰা গুৰুত্বপূৰ্ণ ৰায়টোৰ পিছত সেই সম্পৰ্কীয় বিভ্ৰান্তি আঁতৰিল। আনহাতে, উচ্চতম ন্যায়ালয়ে 'বৈবাহিক ধৰ্ষণ' সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয় যে 'বৈবাহিক ধৰ্ষণো' 'ধৰ্ষণ'। এই সন্দৰ্ভত ন্যায়াধীশ চন্দ্ৰচূড়ে কয় যে এগৰাকী বিবাহিত মহিলাও যৌন নিৰ্যাতন বা ধৰ্ষণৰ বলি হ'ব পাৰে। পত্নীৰ সন্মতি অবিহনে স্বামীৰ দ্বাৰা এগৰাকী মহিলা গৰ্ভৱতী হ'ব পাৰে। উল্লেখ্য আমাৰ দেশত, 'বৈবাহিক ধৰ্ষণ'ক আইনী অপৰাধ বুলি গণ্য কৰা নহয়। সেই অৰ্থত, উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণ লক্ষণীয় বিচাপে বিবেচিত হৈছে। উচ্চতম ন্যায়ালয়ৰ মতে, গৰ্ভপাতৰ ক্ষেত্ৰত বিবাহিত আৰু অবিবাহিত মহিলাৰ মাজত গৰ্ভধাৰণৰ চিকিৎসা সমাপ্তি (এমটিপি) আইনৰ অধীনত কোনো পাৰ্থক্য নাথাকিব। অভূতপূৰ্ব সিদ্ধান্তটোত বৈবাহিক ধৰ্ষণৰ বিষয়টোও উল্লেখ কৰা হৈছে। ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয়, গৰ্ভপাতৰ সন্দৰ্ভত এগৰাকী বিবাহিত আৰু অবিবাহিত মহিলাৰ মাজত পাৰ্থক্য কৰাটো অসাংবিধানিক। তিনি মাহ পূৰ্বে উচ্চতম ন্যায়ালয়ে এক বৈপ্লৱিক সিদ্ধান্ত লৈছিল যে এগৰাকী অবিবাহিত গৰ্ভৱতী মহিলাক গৰ্ভপাতৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগে। ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, সূৰ্যকান্ত আৰু এ এছ বোপান্নাৰ নেতৃত্বত এখন বিচাৰপীঠে গৰ্ভপাতৰ গোচৰৰ ৰায় প্ৰদান কৰাৰ সময়ত এই কথা কৈছিল। আজি উচ্চতম ন্যায়ালয়ে বিবাহোত্তৰ অসন্মতিসূচক শাৰীৰিক সম্পৰ্ককো ধৰ্ষণ হিচাপে গণ্য কৰা হ'ব বুলি মন্তব্য কৰিছে। গৰ্ভধাৰণৰ চিকিৎসা সমাপ্তি (এমটিপি) আইনৰ অধীনত গৰ্ভধাৰণ সমাপ্ত কৰাৰ ওপৰত ৰায় প্ৰদান কৰে। এক গুৰুত্বপূৰ্ণ ৰায়দানত উচ্চতম ন্যায়ালয়ে কয় যে গৰ্ভপাতৰ উদ্দেশ্যে বিবাহৰ পাছত অসন্মতিসূচক যৌন সম্পৰ্ককো ধৰ্ষণ হিচাপে গণ্য কৰা হ'ব। ন্যায়ালয়ে কৈছিল যে এজন স্বামীয়ে তেওঁৰ পত্নীৰ ওপৰত কৰা যৌন নিৰ্যাতনকো আইনখনৰ ধাৰাৰ অধীনত ধৰ্ষণ হিচাপে গণ্য কৰা হ'ব। আদালতে এমটিপি আইনৰ অধীনত গৰ্ভধাৰণ সমাপ্ত কৰাৰ সন্দৰ্ভত বিবাহিত মহিলাৰ সৈতে সমতাত অনাৰ বিষয়ত এটা গোচৰৰ শুনানি গ্ৰহণ কৰি আছিল। সমগ্ৰ দেশৰ অবিবাহিত মহিলাসকলৰ বাবে এক সকাহ স্বৰূপে আদালতে ইয়াৰ ৰায়ত ৰায় দিছিল যে সকলো মহিলাই তেওঁলোকৰ বিবাহৰ স্থিতি নিৰ্বিশেষে সুৰক্ষিত আৰু আইনী গৰ্ভপাতৰ অধিকাৰী। ইয়াৰ ৰায়ত, উচ্চতম ন্যায়ালয়ে স্পষ্টকৈ কৈছিল যে গৰ্ভপাতৰ ক্ষেত্ৰত বিবাহিত আৰু অবিবাহিত মহিলাৰ মাজত কোনো বৈষম্য থাকিব নোৱাৰে। ভাৰতৰ সকলো মহিলাৰে সুৰক্ষিত আৰু আইনসন্মত গৰ্ভপাত কৰাৰ অধিকাৰ আছে বুলি উচ্চতম ন্যায়ালয়ে মন্তব্য কৰে। ইয়াৰ ৰায় দিয়াৰ সময়ত আদালতে কৈছিল যে বিবাহিত মহিলাসকল যৌন নিৰ্যাতন আৰু ধৰ্ষণৰ পৰা বাচি যাব পাৰে। উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰিছিল যে এগৰাকী মহিলা তেওঁৰ স্বামীৰ সৈতে সন্মতিবিহীন যৌন সম্পৰ্কৰ ফলত গৰ্ভৱতী হ'ব পাৰে। আদালতে কৈছিল যে এজন অন্তৰংগ সংগীৰ দ্বাৰা যৌন হিংসা বহুতৰ বাবে এক জীৱন্ত অভিজ্ঞতা, আনহাতে, এমটিপি আইন স্থিৰ হৈ থাকিব নালাগে আৰু পৰিৱৰ্তনশীল সামাজিক বাস্তৱতাৰ বিষয়ে বিবেচনা কৰিব নালাগে। ভাৰতীয় দণ্ডবিধিৰ (আইপিচি) ধাৰা ৩৭৫ ত 'বৈবাহিক ধৰ্ষণ ব্যতিক্ৰম' ধাৰাক প্ৰত্যাহ্বান জনাই কেইবাটাও ৰাজহুৱা স্বাৰ্থৰ মোকৰ্দমা (পিআইএল) দাখিল কৰাৰ পিছত বিষয়টো আদালতলৈ লৈ যোৱা হৈছিল। ধাৰাটোত কোৱা হৈছে যে এজন পুৰুষে নিজৰ পত্নীৰ ওপৰত কৰা যিকোনো যৌন কাৰ্য ধৰ্ষণ নহয় যেতিয়ালৈকে পত্নী নাবালক নহয়। ধাৰা ৩৭৫ত বিভিন্ন কাৰ্যৰ সংজ্ঞা দিয়া হৈছে, যদি এগৰাকী মহিলাৰ সন্মতিৰ বিপৰীতে, বলপূৰ্বক, প্ৰৱঞ্চনা বা বলপূৰ্বকভাৱে বা সন্মতি দিবলৈ অক্ষম মহিলাৰ বাবে কৰা হয় সেয়া ধৰ্ষণ বুলি সংজ্ঞায়িত কৰা হয়।

## উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ

কৰিছে। যাত্ৰা আৰম্ভ কৰা আৰু সমাপ্ত কৰা ষ্টেচনসমূহ আৰু ষ্টপেজত বহুসংখ্যক সূচীবদ্ধ, বিশেষ ৰে'লৰ সময়সূচী সংশোধন কৰা হৈছে। লগতে যাত্ৰাৰ সময় হ্ৰাস কৰাৰ উদ্দেশ্যে কিছুসংখ্যক ৰে'লৰ গতিবেগ বৃদ্ধি কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধিক্ষেত্ৰৰ অধীনত ৫৫খনমান ৰে'লৰ যাত্ৰাৰ সময় ১৫ মিনিটৰ পৰা ১৫৫ মিনিটলৈ হ্ৰাস কৰা হৈছে। কিছুমান উল্লেখনীয় ৰে'লৰ ভিতৰত ১২৪২৩ (ডিব্ৰুগড় টাউন-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ)ৰ সময় ২০ মিনিট, ১৩২৮১ (ডিব্ৰুগড়-ৰাজেন্দ্ৰনগৰ এক্সপ্ৰেছ)ৰ সময় ৯০ মিনিট, ১৫৭৫৪ (গুৱাহাটী-আলিপুৰদুৱাৰ জংচন এক্সপ্ৰেছ)ৰ সময় ৮০ মিনিট, ১২৪২৪ (নিউ দিল্লী-ডিব্ৰুগড় টাউন ৰাজধানী এক্সপ্ৰেছ)ৰ সময় ৫৫ মিনিট, ১৩১৮১ (কলকাতা-শিলঘাট টাউন কাজিৰঙা এক্সপ্ৰেছ)ৰ সময় ৭৫ মিনিট, ১৫৪৭৮ (গোমতীনগৰ-কামাখ্যা এক্সপ্ৰেছ)ৰ সময় ৬০ মিনিট, ১৫৪১৭ (আলিপুৰদুৱাৰ জংচন-শিলঘাট টাউন ৰাজ্যৰাণী এক্সপ্ৰেছ)ৰ সময় ৬৫ মিনিট, ১৫৬২৯ (তাম্বাৰম-শিলঘাট টাউন নগাঁও এক্সপ্ৰেছ)ৰ সময় ৬৫ মিনিট। ১৫৬৪৭ (লোকমান্য তিলক-গুৱাহাটী এক্সপ্ৰেছ)ৰ সময় ৭০ মিনিট, ১৫৯০৪ (চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ)ৰ সময় ১৫৫ মিনিট, ২০৫০৪ (নিউ দিল্লী-ডিব্ৰুগড় ৰাজধানী এক্সপ্ৰেছ)ৰ সময় ৫০ মিনিট আদি ৰে'লসমূহৰ যাত্ৰাৰ সময় হ্ৰাস কৰা হৈছে। গুৱাহাটীত ৰে'লসমূহৰ আগমন-প্ৰস্থানৰ সময় যেনে-১২৫০৪ (আগৰতলা-এছএমভিটি বেংগালুৰু হমছফৰ এক্সপ্ৰেছ), ১২৪২৩ (ডিব্ৰুগড় টাউন-নিউ দিল্লী ৰাজধানী এক্সপ্ৰেছ), ১২৫১৬ (শিলচৰ-কোয়াম্বাটুৰ এক্সপ্ৰেছ), ১৩২৮১ (ডিব্ৰুগড়-ৰাজেন্দ্ৰনগৰ এক্সপ্ৰেছ), ১২৪২৪ (নিউ দিল্লী-ডিব্ৰুগড় টাউন ৰাজধানী এক্সপ্ৰেছ), ১৫৯৩৩ (নিউ তিনিচুকীয়া-অমৃতসৰ এক্সপ্ৰেছ), ১৫৬৪৫ (লোকমান্য তিলক-ডিব্ৰুগড় এক্সপ্ৰেছ), ১৫৯১০ (লালগড়-ডিব্ৰুগড় অৱধ অসম এক্সপ্ৰেছ) আদি ৰে'লসমূহৰ সময়সূচী পৰিৱৰ্তন কৰা হৈছে। গুৱাহাটীৰ পৰা প্ৰস্থান কৰিবলগীয়া ৰে'ল নং.য ১৫৬১৩ (গুৱাহাটী-মুৰ্কংচেলেক লাচিত এক্সপ্ৰেছ) আৰু ১৫৭৫৪ (গুৱাহাটী-আলিপুৰদুৱাৰ জংচন চিফুং এক্সপ্ৰেছ)ৰ প্ৰস্থানৰ সময় সলনি কৰা হৈছে। নিউ জলপাইগুৰিৰ পৰা প্ৰস্থান কৰিবলগীয়া ৰে'ল নং ১৩২৪৫ (নিউ জলপাইগুৰি-ৰাজেন্দ্ৰনগৰ কেপিটেল এক্সপ্ৰেছ) আৰু ১৫৭০৩ (নিউ জলপাইগুৰি-বঙাইগাঁও)ৰ প্ৰস্থানৰ সময় সলনি কৰা হৈছে। আলিপুৰদুৱাৰ জংচনৰ পৰা প্ৰস্থানৰ কৰিবলগীয়া ৰে'ল নং ১৫৭৬৮ (আলিপুৰদুৱাৰ জংচন-শিলিগুৰি জংচন এক্সপ্ৰেছ) আৰু ১৫৪১৭ (আলিপুৰদুৱাৰ জংচন-শিলঘাট টাউন ৰাজ্যৰাণী এক্সপ্ৰেছ)ৰ প্ৰস্থানৰ সময় সলনি কৰা হৈছে। কাটিহাৰৰ পৰা প্ৰস্থান কৰিবলগীয়া ৰে'ল নং ১৩০৩৪ (কাটিহাৰ-হাওড়া এক্সপ্ৰেছ)ৰ প্ৰস্থানৰ সময় সলনি কৰা হৈছে। বিভিন্ন ইণ্টাৰচিটী পেছেঞ্জাৰ ৰে'লৰ প্ৰস্থানৰ সময়সূচী শিলিগুৰি, গুৱাহাটী, লিডু আদি ষ্টেচনত পৰিৱৰ্তন কৰা হৈছে। আশা কৰা হৈছে যে এই নতুন সময়সূচীয়ে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অন্তৰ্গত ৰে'লসমূহৰ উন্নত পৰিচালনত সহায় কৰিব। যাত্ৰীসকলক তেওঁলোকৰ যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে প্ৰকৃত সময়ৰ ভিত্তিত ৰে'ল চলাচলৰ অৱস্থিতি আৰু সময়সূচীৰ বিস্তৃত বিৱৰণ নেচনেল ট্ৰেইন এনকোৱাৰী ছিষ্টেমত (এনটিইএছ) চোৱাৰ বাবে অনুৰোধ কৰা হৈছে।

## অসম-অৰুণাচল সীমান্তৰ

সমস্যাক লৈ ডিব্ৰুগড়ৰ মোহনবাৰীস্থিত অৰুণাচল ভৱনত অনুষ্ঠিত হয় এই গুৰুত্বপূৰ্ণ বৈঠক। অসমৰ তিনিচুকীয়া জিলা আৰু অৰুণাচল প্ৰদেশৰ নামচাই আৰু লোহিত জিলাৰ সীমামূৰীয়া অঞ্চলত দীৰ্ঘদিন সীমা বিবাদৰ সমস্যাৰ সমাধানৰ পথত। উল্লেখ্য যে ১৫ জুলাইত অৰুণাচল প্ৰদেশৰ নামচাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ মাজত স্বাক্ষৰিত ঐতিহাসিক নামচাই ঘোষণা-পত্ৰৰ পিছত ২২ আগষ্টত অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইন আৰু অসমৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰা নামচাইত মিলিত হৈ দুয়োখন ৰাজ্যৰ সীমা বিবাদ সম্পৰ্কীয় আলোচনাত মিলিত হৈছিল। ইয়াৰ পূৰ্বে অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী মেইন আৰু মন্ত্ৰী বৰাৰ নেতৃত্বত গঠিত দুয়োখন ৰাজ্যৰ আঞ্চলিক সমিতি দুখনৰ সদস্যসকলে অসম-অৰুণাচল সীমান্তৰ নামচাই জিলাৰ বিবদমান অঞ্চলসমূহ ভ্ৰমণ কৰিছিল। আজি দুয়োখন ৰাজ্যৰ মাজত গুৰুত্বপূৰ্ণ বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদ মেলত মন্ত্ৰী চৌনা মেইনে কয় যে, ইতিপূৰ্বে গঠিত আঞ্চলিক সমিতিখনে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট আঞ্চলিক সমিতিখনৰ প্ৰতিনিধিৰ সৈতে যুটীয়াভাৱে আজি অনুষ্ঠিত হোৱা বৈঠক এক সৌহাৰ্দ্যপূৰ্ণভাৱে সম্পন্ন হোৱা বুলি উল্লেখ কৰে। ইতিমধ্যে নামচাই জিলাৰ অসম-অৰুণাচল সীমান্তৰ বিবদমান অঞ্চলসমূহ সমিতিয়ে পৰিদৰ্শন কৰাৰ পিছত স্থানীয় ৰাইজৰ সৈতে মতবিনিময় কৰাৰ লগতে এই পৰিদৰ্শনৰ ভিত্তিত আঞ্চলিক সমিতিখনে সীমা সমস্যা সমাধান পথ প্ৰশস্ত হোৱা বুলি উল্লেখ কৰে। প্ৰসংগক্ৰমে মেইন অসমৰ তিনিচুকীয়া জিলাৰ সীমাত থকা অৰুণাচলৰ লোহিত আৰু নামচাই জিলাত সীমাক লৈ কোনো সংঘাত নাই বুলি মন্তব্য কৰে। অসম-অৰুণাচলৰ বহু বছৰ পুৰণি সীমা বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ নিৰ্দেশত চুবুৰীয়া ৰাজ্য দুখনৰ সৈতে থকা সীমা বিবাদ অতি সোনকালেই নিষ্পত্তি কৰিব পৰা যাব বুলি মন্তব্য কৰে। আজিৰ বৈঠকত অৰুণাচল প্ৰদেশৰ স্বাস্থ্যমন্ত্ৰী আলো লিবাং, ডাম্বুকৰ বিধায়ক গোম টায়েং, তেজু চুণপোৱাৰ বিধায়ক কাৰিক' কাৰি, নামচাইৰ বিধায়িকা জিনগো নামছুম, লিকাঙৰ বিধায়ক জমুং এতে দেউৰী, ৰয়িঙৰ বিধায়ক মুটচু মিথি, অৰুণাচলৰ কেইবাখনো জিলাৰ উপায়ুক্ত আদিৰ বিপৰীতে অসমৰ শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়া, সাংসদ প্ৰদান বৰুৱা, তিনিচুকীয়া জিলা উপায়ুক্ত নাৰচিং পাৱাৰ আদিয়ে অংশগ্ৰহণ কৰে।

## ৮ অক্টোবৰত গুৱাহাটীলৈ

কিলা এই কথাষাৰ যেন আখৰে আখৰে ফলিয়ালে হোজাই জিলাৰ ডবকাৰ এটি পৰিঘটনাই। আজি হোজাই জিলাৰ ডবকাৰ নিজ ডবকাস্থিত বিজেপি কাৰ্যালয়ত এখন সাংগঠনিক সভা অনুষ্ঠিত হৈছিল। সভাত ভাগ লৈছিল পৰিবহণ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই। বিজেপিৰ এখন সাংগঠনিক সভা শেষ কৰি মন্ত্ৰী পৰিমল শুক্লবৈদ্য হোজাইলৈ যাবলৈ ওলাল। তেনে সময়তে মন্ত্ৰীগৰাকী যোৱাৰ সময়ত ডবকা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ মূল দিশেৰে যোৱাৰ পৰিৱৰ্তে ভুল দিশেৰে তেওঁৰ কনভয় লৈ ওলাই যায়। ভুল দিশেৰে গাড়ী চলাই দুৰ্ঘটনা সংগঠিত হোৱা সন্দৰ্ভত পৰিবহণ বিভাগে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে ব্যাপক হাৰত প্ৰচাৰ কৰিছে। লগতে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত ভুল দিশেৰে কোনো লোক গ'লে পৰিবহণ বিভাগৰ লগতে আৰক্ষীয়েও পথচাৰীক ধৰি-বান্ধি জৰিমনা বিহি আহিছে। কিন্তু মন্ত্ৰীয়ে যি ভুল কৰিলে তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস হ'বনে পৰিবহণ বিভাগ কিম্বা আৰক্ষীৰ? মন্ত্ৰীৰ এনে কৰ্মকাণ্ডক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ডবকাৰ সচেতন মহলৰ মাজত। যমুনামুখৰ এগৰাকী কংগ্ৰেছ নেতাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে- মুখ্যমন্ত্ৰীয়ে নিজে আইন উলংঘা কৰি ফুৰে তেনে ক্ষেত্ৰত মন্ত্ৰীয়ে আইন উলংঘা কৰাটো একো ডাঙৰ কথা নহয়। বিজেপিৰ কাৰণে আইন নালাগে, সাধাৰণ মানুহৰ কাৰণেহে কেৱল আইন বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কংগ্ৰেছ নেতা ৰেহান উদ্দিনে। উল্লেখ্য যে, হোজাই জিলাৰ যমুনামুখ সমষ্টিৰ ডবকাত আজি পুৱাৰ ভাগত উপস্থিত হয় ৰাজ্যৰ পৰিবহণ মন্ত্ৰী তথা হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্য। উল্লেখ্য যে, অহা ৮ অক্টোবৰত গুৱাহাটীলৈ আহিব বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমৃত শ্বাহ। দুয়োজন নেতাই সম্বোধন কৰিব লগা সভাখনত কিমানসংখ্যক বিজেপি কৰ্মকৰ্তা উপস্থিত থাকিব সেই বিষয়ে নিশ্চিত কৰিবৰ বাবে আজি হোজাই জিলাখন ভ্ৰমণৰ মূল উদ্দেশ্য বুলি মন্ত্ৰীগৰাকীয়ে সভাত উল্লেখ কৰে। পিছত ডবকাস্থিত বিজেপিৰ কাৰ্যালয়ত এখন সাংগঠনিক সভাতো ভাগ লয় মন্ত্ৰী শুক্লবৈদ্যই। আনহাতে, কালি হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰী আৰু অতিৰিক্ত উপায়ুক্ত ৰক্তিম বৰুৱাক চৰকাৰে নিলম্বন কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্যই সংবাদ মাধ্যমৰ আগত কয়- যে আইনৰ ঊৰ্দ্ধত কোনো নহয়। আইন যে সকলোৰে বাবে সমান সেয়া এইক্ষেত্ৰত প্ৰতিপন্ন হৈছে। আইনে নিজৰ পথ নিজে বাছি লয় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

## সবল নাৰী, সাক্ষৰ শিশু, সুস্থ

সামৰণী অনুষ্ঠান আজি ৰঙিয়াৰ দীপ্তেশ্বৰী আঞ্চলিক হৰিমন্দিৰ ৰাস প্ৰাংগণত আয়োজন কৰা হয়। অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে শিশুৰ পুষ্টিহীনতা তথা গৰ্ভৱতী মহিলা আৰু কিশোৰীৰ স্বাস্থ্যসম্পৰ্কীয় সজাগতা বৃদ্ধি কৰাৰ লগতে পোষণ অভিযানক এটি গণ-আন্দোলনলৈ ৰূপান্তৰিত কৰি এখন সুস্থ ভাৰতবৰ্ষ নিৰ্মাণৰ উদ্দেশ্যে ছেপ্টেম্বৰ মাহত সমগ্ৰ দেশতে ৰূপায়িত ৰাষ্ট্ৰীয় পোষণ মাহৰ ৰাজ্যিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১ ছেপ্টেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত শুভাৰম্ভ কৰিছিল। মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত এমাহজোৰা কাৰ্যসূচীৰে উদ্‌যাপিত এই কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে সামৰণি পৰে। আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী নেওগে কয় যে এখন অপৰিপুষ্টিৰ পৰা মুক্ত অসম গঢ় দিয়াৰ লক্ষ্যৰে শিশুৰ পুষ্টিহীনতা দূৰীকৰণ, গৰ্ভৱতী মহিলা আৰু কিশোৰীৰ ৰক্তহীনতা, কম ওজন আদি স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন সজাগতা বৃদ্ধি কৰাই পোষণ মাহ উদ্‌যাপনৰ প্ৰধান উদ্দেশ্য। এখন 'পৰিপুষ্ট অসম' গঢ় দিয়াৰ এই অভিযানত একো একোগৰাকী সক্ৰিয় অংশীদাৰ হ'বলৈ মন্ত্ৰীগৰাকীয়ে ৰাইজৰ প্ৰতি আহ্বান জনায়। অসমক দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে গঢ়ি তোলাৰ বাবে থকা মুখ্যমন্ত্ৰীৰ সপোনক সাকাৰ ৰূপ দিবলৈ হ'লে শিশু আৰু মহিলাসকল সু-স্বাস্থ্যৰ অধিকাৰী হ'বই লাগিব বুলি মন্তব্য কৰি এইক্ষেত্ৰত পোষণ অভিযানে যথেষ্ট সজাগতাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। মহিলাসকলৰ ৰক্তহীনতা ৰাজ্যখনৰ চাহ বাগিচা অঞ্চল আৰু চৰাঞ্চলৰ এক গুৰুতৰ সমস্যা বুলি অভিহিত কৰি এই সমস্যা দূৰীকৰণৰ বাবে চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে পোষণ অভিযানৰ তৎপৰতাত পুষ্টিহীনতাৰ পৰা স্বাভাৱিক স্বাস্থ্য ঘূৰাই পোৱা তিনিটি শিশুক বিশেষভাৱে উপহাৰৰ টোপোলা প্ৰদান কৰে। তদুপৰি পুষ্টিহীনতাত ভোগা শিশুৰ চিনাক্তকৰণ, অতিকৈ পুষ্টিহীনতাত ভোগা শিশুক পৰিপুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰলৈ প্ৰেৰণ আদি বিভিন্ন শিতানত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা জিলাসমূহকো পুৰস্কাৰ প্ৰদান কৰা হয়। পোষণ আৰু পৰিপুষ্টিৰ দিশত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে সভাস্থলীৰ চৌহদত বিভাগীয়ভাৱে স্থাপন কৰা দহখন ভিন্ন বিপণীও মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই অসমত পোষণ অভিযানৰ ক্ষেত্ৰত অৰ্জন কৰা সফলতাৰ বাবে বিভাগৰ মন্ত্ৰী অজন্তা নেওগৰ লগতে অভিযানৰ লগত জড়িত সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে। এখন পুষ্টিহীনতাত মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাতত লোৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহে নতুন দিগন্তৰ সূচনা কৰিছে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত স্থানীয় বিধায়ক ভৱেশ কলিতায়ো ভাষণ প্ৰদান কৰে। পোষণ অভিযানৰ জৰিয়তে ৰাজ্যখনৰ লক্ষ লক্ষ মহিলাই নিজৰ লগতে শিশুসকলৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ ক্ষেত্ৰত সজাগ হ'বলৈ সক্ষম হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ সপোনৰ এই অভিযানক ইয়াৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ দিশত আগবঢ়াই লৈ যোৱাৰ বাবে মন্ত্ৰী অজন্তা নেওগ আৰু বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। মহিলা আৰু শিশু বিকাশ বিভাগৰ সঞ্চালক তথা পোষণ অভিযান, অসমৰ ৰাজ্যিক প্ৰকল্প সঞ্চালক বিভাষ চন্দ্ৰ মোদীয়ে আদৰণী ভাষণ প্ৰদান কৰা ৰাজ্যিক পৰ্যায়ৰ এই অনুষ্ঠানত হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীৰ লগতে প্ৰশাসন তথা মহিলা আৰু শিশু বিকাশ বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল, ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা প্ৰতিনিধিসকল, জিলাখনৰ বিভিন্ন প্ৰান্তৰ অংগনৱাড়ী কৰ্মী-সহায়িকাসকল, স্বাস্থ্য সেৱাৰ কৰ্মীসকল তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

## মহিলা সবলীকৰণ বাদ দি

সাংস্কৃতিক প্ৰকল্পৰ প্ৰাংগণত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বাক্সা জিলাৰ উদ্যোগত অনুষ্ঠিত অসমা শাৰদীয় মেলা ২০২২ উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, আমাৰ পৰিয়াল, গাঁও আদি সকলোতে উন্নতিৰ বাবে গাঁৱে গাঁৱে লাখপতি মহিলা গঢ়ি তুলিব লাগে। এই লাখপতি মহিলাৰ দ্বাৰাহে আমাৰ মহিলাসকলৰ লগতে সকলোৱে স্বাৱলম্বী হ'ব পাৰে। আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলে ২৩খন কাপোৰৰ বিপণী খোলাৰ লগতে থলুৱাভাৱে তৈয়াৰ কৰা ভিন্ন খাদ্য-সামগ্ৰী এই শাৰদী মেলাত উপলব্ধ হৈছে। উদ্বোধনৰ পিছতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আটাইবোৰ বিপণী পৰিদৰ্শন কৰে। অসমী শাৰদীয় মেলাৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখীক 'সখী এক্সপ্ৰেছ' আঁচনিৰ অধীনত স্কুটী প্ৰদান কৰা উপলক্ষে অনুষ্ঠিত হোৱা সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, সম্প্ৰতি বেংকে মহিলাসকলক আত্মনিৰ্ভৰ হোৱাৰ বাবে ঋণ দিবলৈ আগবাঢ়ি আহিছে। ইফালে ঋণ গ্ৰহণ কৰা মহিলাসকলেও সঠিকভাৱে ঋণ পৰিশোধ কৰাৰ পৰিপ্ৰেক্ষিততে বেংকে ঋণ এই মহিলাসকলকো পুনৰ ঋণ প্ৰদান কৰে। আনহাতে, বৰ্তমানৰ চৰকাৰে মহিলাসকলক সকলো সুবিধা প্ৰদান কৰা বুলি মন্তব্য কৰি তেওঁ আজি যিসকল জীৱিকা সখীয়ে স্কুটী লাভ কৰিব সেইসকলে এই স্কুটীসমূহ সদ্ব্যৱহাৰ কৰি নিজৰ লগতে আন দহজনৰ কাম কৰিবলৈ জীৱিকা সখীৰ প্ৰতি আহ্বান জনায়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বাক্সা জিলাৰ প্ৰকল্প প্ৰবন্ধক চন্দন তালুকদাৰে আঁত ধৰা এই অনুষ্ঠানত উপস্থিত থাকি জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত প্ৰকল্প সঞ্চালক আশ্ৰাফুল আমিনে বাক্সা জিলাৰ মহিলাসকলে বেংকৰ পৰা ঋণ লৈ ইতিমধ্যে ঋণ পৰিশোধ কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে ১০০ কোটি টকা উৎপাদনৰ কাম কৰিব পৰা ক্ষমতা আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। সভাত বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়োৱে জীৱিকা সখীসকলে গ্ৰাম্য অঞ্চলৰ বহু কাম কৰা বুলি মন্তব্য কৰে। জীৱিকা সখীৰ লগতে কৃষি সখী, পশু সখীসকলে নিজ নিজ কামত দক্ষতা প্ৰদৰ্শন কৰি আহিছে বুলি মন্তব্য কৰে। এই সভাত কাৰ্যবাহী সদস্যদ্বয় ৰাকেশ ব্ৰহ্ম আৰু ধৰ্ম নাৰায়ণ দাস, এমচিএলএ মণ্টু বড়ো, উপায়ুক্ত মাচণ্ডা মেকডালিন পাৰ্টিন, ৰাজহ চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া মনোজ কুমাৰ দলে, ইউপিপিএলৰ মুছলপুৰ জিলা সমিতিৰ সভাপতি নৃপেন বড়ো, সাধাৰণ সম্পাদক মইনুল হক আদি উপস্থিত থাকে। ইয়াৰ পিছতে অবিভক্ত বাক্সা জিলাৰ ২২৩গৰাকী জীৱিকা সখীক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আনুষ্ঠানিকভাৱে স্কুটী প্ৰদান কৰে।

## এনে আইএএছ বিষয়াও আছে

কমেও দহজন লোক নিহত হোৱাৰ উপৰি ৪১জন লোক আহত হৈছিল। লক্ষ্ণৌৰ বিভাগীয় আয়ুক্ত ড° ৰোশন জেকবে ভুক্তভোগীসকলৰ পৰিয়ালৰ সৈতে বাৰ্তালাপ কৰাৰ সময়ত উচুপি উঠাৰ দৃশ্য ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰাৰ পিছতে হৃদয়ৱান বিষয়াগৰাকীক সকলোৱে প্ৰশংসা কৰিছে। ভাইৰেল ভিডিঅ'টোত আমোলাগৰাকীক এগৰাকী মাতৃৰ সৈতে বাৰ্তালাপ কৰি থকা অৱস্থাত তেওঁৰ আঘাতপ্ৰাপ্ত সন্তানৰ অৱস্থা দেখি শোকত ভাগি পৰা দেখা গৈছে। লখিমপুৰ খেৰীৰ মুখ্য চিকিৎসা বিষয়াই কৈছে যে আহতসকলৰ ভিতৰত ১২জনৰ অৱস্থা সংকটজনক আৰু তেওঁলোকক লক্ষ্ণৌৰ এটা ট্ৰমা চেণ্টাৰলৈ প্ৰেৰণ কৰা হৈছে। এতিয়া ২৯জন লোক জিলা চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। জিলা সদৰৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ দূৰত ৭৩০ নং ৰাষ্ট্ৰীয় ঘাইপথৰ আইৰা দলঙত এই দুৰ্ঘটনাটো সংঘটিত হৈছিল। বাছখনে ধৌৰহাৰাৰ পৰা লক্ষ্ণৌলৈ গৈ আছিল আৰু বিপৰীত দিশৰ পৰা অহা মিনি ট্ৰাকৰ সৈতে খুন্দা মাৰিছিল। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাটোত শোক প্ৰকাশ কৰিছে। এক শোক বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰীত সংঘটিত দুৰ্ঘটনাত মই দুঃখিত হৈছো। শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছো। আঘাতপ্ৰাপ্তসকল সোনকালে আৰোগ্য হওক। পিএমএনআৰএফৰ পৰা ২ লাখ টকা প্ৰতিজন মৃতকৰ নিকটাত্মীয়ক দিয়া হ'ব। আহতসকলক ৫০,০০০ টকা দিয়া হ'ব।'

**নেপকিন বিচৰাৰ বাবে কণ্ডমৰ কথা কৈ ছাত্ৰীক ককৰ্থনা কৰা আইএএছ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আশ্বাস মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ**

ছাত্ৰীয়ে বিচাৰিছিল নেপকিন বিনিময়ত কণ্ডমৰ কথা কৈ কৈ ওলোটাই ছাত্ৰীক ককৰ্থনা কৰিলে এগৰাকী আইএএছ বিষয়াই। ঘটনাটো বিহাৰৰ। এই ঘটনাক লৈ সমগ্ৰ দেশতে ব্যাপক প্ৰতিক্ৰিয়া হৈছে। এগৰাকী ছাত্ৰীয়ে ছেনিটাৰী পেড বিচৰাৰ পিছতে জাঙুৰ খাই উঠিছিল এগৰাকী মহিলা আইএএছ বিষয়া। তেওঁ ছাত্ৰীগৰাকীক প্ৰশ্ন কৰিছিল— এতিয়া তুমি কণ্ডমো বিচাৰিবা নেকি? বিহাৰৰ জ্যেষ্ঠ আইএএছ বিষয়া তথা মহিলা আৰু শিশু বিকাশ নিগমৰ (ডব্লিউচিডিচি) অধ্যক্ষ হৰজ্যোত কৌৰ বামৰাহৰ এনে মন্তব্যই এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। হৰজ্যোত কৌৰ বামৰাহে এগৰাকী দৰিদ্ৰ স্কুলীয়া ছাত্ৰীৰ অতি সৰু দাবীক ৰাজহুৱাভাৱে উপহাস কৰাৰ পিছতে বিতৰ্কৰ সৃষ্টি হৈছে। ছাত্ৰীগৰাকীয়ে তেওঁলোকক এটা অনুষ্ঠানত বিষয়াগৰাকীক ছেনিটাৰী নেপকিন প্ৰদান কৰিবলৈ অনুৰোধ জনাইছিল। তেওঁ সুধিছিল— 'চৰকাৰে আমাক ২০-৩০ টকাত ছেনিটাৰী নেপকিন দিব পাৰিবনে?' এই কথাতে ক্ষুণ্ণ হৈ মহিলা বিষয়াগৰাকীয়ে ছাত্ৰীগৰাকীক তেনেদৰে ভৰ্ৎসনা কৰে। উল্লেখ্য, আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংগঠনসমূহৰ সৈতে মিলি ডব্লিউচিডিচিয়ে আয়োজন কৰা 'সৱল বেটি, সমৃদ্ধ বিহাৰ' শীৰ্ষক এদিনীয়া কৰ্মশালাত এগৰাকী স্কুলীয়া ছাত্ৰীয়ে তেওঁক এনেদৰে সুধিছিল। বিষয়াগৰাকীয়ে কয়— 'এনে দাবীৰ কোনো অন্ত আছে নেকি? কাইলৈ তুমি জিন্স বিচাৰিবা, তাৰ পিছত ধুনীয়া জোতা আৰু শেষত যেতিয়া পৰিয়াল পৰিকল্পনাৰ কথা আহে, তুমি ক'ব পাৰা যে চৰকাৰে কণ্ডমো দিয়া উচিত'। মহিলা বিষয়াগৰাকীৰ এনে আচৰণৰ পিছতে বিহাৰৰ সমাজ কল্যাণ মন্ত্ৰী মদন চাহনীয়ে বিষয়টোত দুখ প্ৰকাশ কৰি কয়— 'আইএএছ বিষয়াগৰাকীয়ে ছোৱালীজনীৰ মনোবল বৃদ্ধি কৰাৰ পৰিৱৰ্তে তেওঁক নিৰুৎসাহিত কৰাহে দেখা গ'ল। এয়া উচিত নহয়। তেওঁ এনে কথা কোৱাৰ পৰা বিৰত থাকিব লাগিব'। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে বৃহস্পতিবাৰে কয় যে জ্যেষ্ঠ আইএএছ বিষয়াগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। কুমাৰে এই বিষয়ত এখন বৈঠকো অনুষ্ঠিত কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে মহিলাসকলক সহায় কৰি আছে আৰু সকলো কথা নিৰীক্ষণ কৰি আছে। ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, ৰাষ্ট্ৰীয় মহিলা আয়োগেও বিহাৰ মহিলা আৰু শিশু বিকাশ নিগমৰ এম ডি ভামৰাই শিক্ষাৰ্থীসকলক দিয়া মন্তব্যৰ লিখিত ব্যাখ্যা বিচাৰিছে। তেওঁক সাত দিনৰ ভিতৰত উত্তৰ দিবলৈ কোৱা হৈছে।

## গোৰেশ্বৰত এচিদ আক্ৰমণ

কালি নিশা এটা দুৰ্বৃত্তৰ দলে মাণিক দেৱ নাথ (৩৫) নামৰ কাঠ মিস্ত্ৰী এজনক এচিদেৰে আক্ৰমণ কৰা ঘটনাই এলেকাটোত তীব্ৰ প্ৰতিক্ৰিয়া আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে দুৰ্বৃত্তৰ দ্বাৰা এচিদ আক্ৰমণত গুৰুতৰভাৱে আহত যুৱকজনে অইন দিনাৰ দৰে কালি নিশা কেৰ্পাভিঠা চ'ক বজাৰৰ পিনৰ পৰা নিজৰ ঘৰ অভিমুখে গৈ আছিল। এনেতে পূৰ্বৰ পৰাই ৰৈ থকা দলটোৱে মাণিক দেৱনাথে ঘৰ পাবলৈ প্ৰায় দুই ফাৰ্লং পথ থকা সময়তে জনশূন্য ঠাইত এন্ধাৰৰ সুযোগ লৈ দুৰ্বৃত্তই এচিদেৰে মাণিকক আক্ৰমণ কৰি পলাই যায়। দুৰ্বৃত্তৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈ ৰাজপথত চটফটাই আৰ্তনাদ কৰি থকাত স্থানীয় লোক ঘটনাস্থলীত উপস্থিত হৈ তেওঁক উদ্ধাৰ কৰি প্ৰথমে গোৰেশ্বৰস্থ ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰায় আৰু পিছত উন্নত চিকিৎসাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে। উক্ত নৃশংস ঘটনাটো সংঘটিত হোৱাৰ পিছত আহত যুৱকজনৰ পৰিয়ালৰ ফালৰ উক্ত গাঁৱৰেই বিপিন ৰাজবংশী (৪৮), দেৱেন ৰাজবংশী, (৪২), কনক ৰাজবংশী (২৮) আৰু পিংকু বিশ্বাস (৩০) নামৰ যুৱককেইজনে এচিদ আক্ৰমণ কৰা বুলি অভিযোগ কৰি এজাহাৰ দাখিল কৰে। আহত মাণিক দেৱনাথেও আৰক্ষী আৰু সংবাদ মাধ্যমৰ আগত উক্ত যুৱককেইজনে আক্ৰমণ কৰা বুলি ভাষ্য দিয়ে। মুমূৰ্ষু অৱস্থাত চিকিৎসাধীন হৈ থকা মাণিক দেৱনাথৰ পত্নীয়েও উক্ত যুৱককেইজনে কিছু দিন পূৰ্বে এটা হাঁহক কেন্দ্ৰ কৰি তেওঁৰ স্বামীক মৃত্যুৰ ভাবুকি দিয়াৰ উপৰি তেওঁৰ কন্যাক অপহৰণ কৰাৰ ভাবুকি দিয়া বুলি অভিযোগ উত্থাপন কৰে। উক্ত ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে বিশেষ গুৰুত্ব দিয়ে আৰু জোৰ অনুসন্ধান কৰি সোধা-পোছাৰ বাবে পিংকু বিশ্বাসৰ বাহিৰে অন্য তিনিজন অভিযুক্তক আটক কৰে। ইপিনে আটকাধীন যুৱককেইজন নিৰ্দোষী বুলি দাবী কৰি কেৰ্পাভিঠা গাঁৱৰ অৰ্ধশতাধিক পুৰুষ -মহিলা গোৰেশ্বৰ থানালৈ আহি তেওঁলোকক মুকলি কৰি দিবলৈ দাবী জনায়।

## বিটিআৰৰ পৰা গাঁও কৰ্তনৰ

দিনৰ ১১ বজাত গোৰেশ্বৰ ৰাজহ চক্ৰৰ মুখ্যদ্বাৰৰ সন্মুখত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বিটিআৰৰ পৰা শীঘ্ৰে অবড়ো অধ্যুষিত গাঁওসমূহ কৰ্তনৰ দাবীত অবড়ো সুৰক্ষা সমিতিৰ কৰ্মীসকলে উক্ত কাৰ্যালয়ৰ সন্মুখত সমৱেত হৈ অৱস্থান কৰি শীঘ্ৰে বিটিআৰৰ পৰা অবড়ো অধ্যুষিত গাঁওসমূহ কৰ্তন কৰক, বিটিআৰ চৰকাৰ হায়! হায়,! বিটিআৰৰ পৰা বেতনা মৌজা কৰ্তন হ'ব লাগিবই, অবড়ো সুৰক্ষা সমিতি জিন্দাবাদ আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। পিছত প্ৰতিবাদকাৰীসকলে অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক যোগেশ্বৰ কলিতা, সংগঠনটোৰ গোৰেশ্বৰ ৰাজহ চক্ৰ সমিতিৰ সভাপতি ললিত ডেকা আৰু সম্পাদক মোক্তাৰ হুছেইন স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক-পত্ৰত কোৱা হয় যে বিটিচিৰ পৰা অবড়ো অধ্যুষিত গাঁওসমূহ কৰ্তনৰ বাবে ২০১১ চনৰ পৰা সংগ্ৰাম কৰাৰ লগতে আইনগতভাৱে দাবী উত্থাপন কৰি আহিছে। ঠিক তেনে সময়তে ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত বি টি আৰৰ ৩ নং দফাত গাঁও কৰ্তনৰ বিষয়টো উল্লেখ কৰা হেতুকে অবড়ো সুৰক্ষা সমিতিয়ে কোনো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা নাছিল। উল্লেখ্য যে গাঁও কৰ্তনৰ সমস্যাটো সমাধান কৰিবলৈ চৰকাৰে এখন আয়োগ গঠন কৰি দিছিল। আয়োগৰ প্ৰথমজন অধ্যক্ষৰ পৰলোকপ্ৰাপ্তি ঘটাত আশিস কুমাৰ ভূটানীক অধ্যক্ষৰ দায়িত্ব দিয়ে। কিন্তু গাঁও কৰ্তনৰ বিষয়টো কাৰ্যকৰী কৰাৰ পৰিৱৰ্তে আয়োগে বাৰে বাৰে সময় বঢ়াই সমস্যাটি লেহেমীয়া কৰি আহিছে বুলি স্মাৰক-পত্ৰত অভিযোগ উত্থাপন কৰে। স্মাৰক-পত্ৰত ৩০ ছেপ্টেম্বৰৰ ভিতৰত আয়োগক গাঁও কৰ্তনৰ প্ৰতিবেদন দাখিলৰ দাবী জনোৱাৰ লগতে বি টি আৰৰ পৰা গাঁও কৰ্তনৰ সমস্যাটো সমাধানৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনায়।

## ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চত নাথাকে কোঁচ ৰাজবংশী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ** শীঘ্ৰে ভংগ হ'ব ৰাজ্যৰ ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চ। ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চৰে হোৱা আলোচনাত উজনিৰ পাঁচ জনগোষ্ঠীৰ সৈতে হোৱা বৈঠকত কোঁচ ৰাজবংশী জনগোষ্ঠী ছাত্ৰ সন্থাক আঁতৰাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৃথকে আলোচনাৰ অন্ততঃ ছয় জনগোষ্ঠীৰ ঐক্য মঞ্চৰ পৰা আঁতৰি অহাৰ কথা ঘোষণা কৰিলে সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাই। আজি ডিব্ৰুগড় পেন্সনাৰ ভৱনত অনুষ্ঠিত হোৱা আক্ৰাছুৰ এক বৈঠকত আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি ক্ষীতিশ বৰ্মনে সংবাদ মাধ্যমৰ আগত ভৱিষ্যতে আন পাঁচ জনগোষ্ঠীৰ কোনো কাৰ্যসূচীত অংশগ্ৰহণ নকৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ৰাজ্যৰ ৫ জনগোষ্ঠীৰ জনজাতিকৰণৰ বৈশিষ্ট্য নাই বুলি অভিযোগ তুলি কয়, ঐক্য মঞ্চৰ সৈতে একত্ৰিত হৈ আন্দোলন কৰিলে জনজাতিকৰণৰ পৰা বঞ্চিত হ'ব কোঁচ ৰাজবংশীসকল। ইতিমধ্যে মুখ্যমন্ত্ৰীয়েও কোঁচ ৰাজবংশীক জনজাতিকৰণত গ্ৰীণ ছিগনেল দিয়া বুলি প্ৰকাশ কৰিছে। আনহাতে, কোঁচ ৰাজবংশীক জনজাতিকৰণ নিদিলে আক্ৰাছুৱে নৱেম্বৰ মাহৰ পৰা ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণৰো হুংকাৰ দিছে। তদুপৰি আগন্তুক নিৰ্বাচনসমূহতো বিজেপিক যোগ্য প্ৰত্যুত্তৰ দিবলৈ জিলাই জিলাই সজাগতামূলক সভাৰ আয়োজনৰ কথা সদৰী কৰিছে।

# গছত উঠাই হাইকমাণ্ডে গুৰি কাটিলে অশোক গেহলটৰ

## কংগ্ৰেছৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত ঘোষণা, ৰাজস্থানৰ দলীয় বিধায়কৰ বিসম্বাদৰ বাবে ক্ষমা খুজিলে ছোনিয়া গান্ধীক সাক্ষাৎ কৰি

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটৰ আশাত চেচা পানী পৰিল। এইজন জ্যেষ্ঠ নেতা তথা পাঁচ দশক ধৰি সংসদীয় ৰাজনীতিত সক্ৰিয় হৈ থকা অশোক গেহলটক কংগ্ৰেছৰ সভাপতি হ'বৰ বাবে গান্ধী পৰিয়ালে প্ৰস্তাৱ দি অৱশেষত সেইপ্ৰস্তাৱ প্ৰত্যাহাৰ কৰিলে। যাৰ বাবে বয়োজ্যেষ্ঠ নেতাজন দলীয় মঞ্চত কেৱল অপমানিত হোৱাই নহয়, ওলোটাই কংগ্ৰেছৰ হাইকমাণ্ডৰ ওচৰত ক্ষমা বিচাৰিব লগা হ'ল। উল্লেখ্য যে ছোনিয়া গান্ধীয়ে তদৰ্থ সভাপতি হিচাপে যোৱা দুবছৰতকৈ অধিক কাল কাৰ্যনিৰ্বাহ কৰি আছে। এজন স্থায়ী সভাপতি নিৰ্বাচনৰ বাবে জি-২৩ শীৰ্ষক ২৩ জন জ্যেষ্ঠ নেতাই জনোৱা আহ্বান গুৰুত্ব নিদিয়া হাইকমাণ্ডে এইসকলক বিদ্ৰোহী বুলি অভিহিত কৰি দলৰ মজিয়াত একাষৰীয়া কৰিছে। ফলত ইয়াৰে এজন নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাম নবী আজাদে কংগ্ৰেছ ত্যাগ কৰিবলৈ বাধ্য হ'ল। হিমাচলৰ কংগ্ৰেছৰ নেতা আনন্দ শৰ্মাই দল এৰিব বুলি চৰ্চা চলি আছে। আনহাতে গান্ধী পৰিয়ালৰ ঘনিষ্ঠ হোৱাৰ হেতুকে ছোনিয়া গান্ধীৰ অসুস্থতাৰ সময়ত অশোক গেহলটক ভাৱপ্ৰাপ্ত সভাপতিৰ দায়িত্ব ল'বলৈ স্বয়ং ছোনিয়া গান্ধীয়ে প্ৰস্তাৱ দিয়া বুলি চৰ্চা চলিছিল। কিন্তু ভাৱপ্ৰাপ্ত দায়িত্ব ল'বলৈ অস্বীকাৰ কৰা গেহলটে ওলোটাই ছোনিয়া গান্ধী বা ৰাহুল গান্ধীৰ হাতত কংগ্ৰেছৰ নেতৃত্ব থাকিব লাগে বুলি মত ব্যক্ত কৰি আহিছিল। গান্ধী পৰিয়ালক বিসম্বাদীৰ কবলৰ পৰা সুৰক্ষা দি থকা সকলৰ অন্যতম বুলি পৰিচিত অশোক গেহলটে গান্ধী পৰিয়ালৰ অৱৰ্তমানত সভাপতিৰ পদত অধিষ্ঠিত হৈ গান্ধী পৰিয়ালৰে নিৰ্দেশ অনুসৰি দল পৰিচালনা কৰিবলৈ সাজু হৈছিল। কিন্তু কেনা লাগিল ৰাজস্থানৰ কংগ্ৰেছী বিধায়কসকলৰ বিদ্ৰোহৰ বাবে। কিয়নো ৰাহুল গান্ধীৰ ঘনিষ্ঠ শচীন পাইলটক মুখ্যমন্ত্ৰী হিচাপে গ্ৰহণ নকৰিবলৈ কংগ্ৰেছৰ ৯২ বিধায়কে স্বাক্ষৰ দান কৰে। প্ৰয়োজনত কংগ্ৰেছ দল ত্যাগ কৰিব বুলিও বিধানসভাৰ অধ্যক্ষ চি পি যোশীৰ সন্মুখত মত প্ৰকাশ কৰে। শচীন পাইলটৰ পৰিৱৰ্তে কংগ্ৰেছৰ ১০২ জন বিধায়কৰ যিকোনো এজন বিধায়কক অশোক গেহলটৰ স্থানত মুখ্যমন্ত্ৰী হিচাপে অধিষ্ঠিত কৰিবলৈ বিদ্ৰোহী বিধায়কসকলে দাবী উত্থাপন কৰিছিল। ২০২০ চনত শচীন পাইলটে চৰকাৰৰ পতনৰ বাবে ষড়যন্ত্ৰ কৰিছিল আৰু সেই সময়ছোৱাত দলৰ বিধায়কসকলে কংগ্ৰেছ ত্যাগ নকৰি চৰকাৰখন ৰক্ষা কৰিছিল। গতিকে প্ৰকৃত কংগ্ৰেছীৰ হাতত চৰকাৰৰ দায়িত্ব অৰ্পণ কৰিব লাগে বুলি বিধায়কসকলে দাবী উত্থাপন কৰিছিল। সমান্তৰালভাৱে কংগ্ৰেছৰ সভাপতি পদৰ দখল কৰিলেও ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ পদ এৰি নিদিয়ে বুলি গেহলটে মন্তব্য কৰিছিল। এই মন্তব্যত ক্ষুব্ধ হৈছিল ৰাহুল গান্ধী। সেয়েহে কংগ্ৰেছৰ মজিয়াত একব্যক্তি, এক পদ নীতি ৰাহুলে থাকিব বুলি সকিয়নী দিছিল। ৰাহুল গান্ধীৰ এই সকিয়নীৰ পিছতে গেহলটে মুখ্যমন্ত্ৰীৰ পদ এৰিবলৈ সাজু হৈছিল। কিন্তু ৰাহুল গান্ধীয়ে প্ৰক্ষেপ কৰা শচীন পাইলটক ৰাজস্থানৰ কংগ্ৰেছীয়ে মুখ্যমন্ত্ৰী হিচাপে সমৰ্থন নকৰে বুলি স্পষ্ট কৰি দিলে। গতিকে এই পৰিৱেশৰ বাবে কংগ্ৰেছৰ হাই কমাণ্ডে জগৰীয়া কৰিছে অশোক গেহলটক। ফলত বুধবাৰে বিয়লি ছোনিয়া গান্ধীক দিল্লীৰ চৰকাৰী আৱাসত সাক্ষাৎ কৰাৰ সময়ত অশোক গেহলটে ৰাজস্থানৰ পৰিস্থিতিৰ বাবে ক্ষমা বিচাৰে। লগতে সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি ঘোষণা কৰে। যোৱা এমাহ ধৰি নিজকে গান্ধী পৰিয়ালৰ ঘনিষ্ঠ হিচাপে প্ৰতিপন্ন কৰিবলৈ গৈ গান্ধী পৰিয়ালৰ অনুগামীৰ হাতত সভাপতিৰ পদটো কুক্ষীগত কৰি ৰখাৰ উদ্দেশ্যৰে গেহলটে নিজকে আগুৱাই দিছিল। কিন্তু দলীয় পৰিস্থিতিৰ বাবে এতিয়া গেহলট পিছুৱাই যাবলৈ বাধ্য হ'ল। এসময়ত গান্ধী পৰিয়ালে তেওঁক আগবঢ়াই দিয়াৰ পিছত এতিয়া পিছুৱালৈ টানি আনি একপ্ৰকাৰ মানসিকভাৱে নিৰ্যাতন আৰু অপদস্থ কৰা বুলি একাংশই আলোচনা কৰিছে। সেয়েহে কংগ্ৰেছৰ শীৰ্ষ পদবীত অধিষ্ঠিত হ'বলৈ গেহলটক গছত উঠাই দিছিল যদিও পিছ মুহূৰ্তত গছৰ গুৰি কাটি তেওঁক নিঠৰুৱা কৰা হ'ল বুলি চৰ্চিত হৈছে।





*অমৃতসৰত থকা স্বৰ্ণ মন্দিৰ দৰ্শন কৰিবলৈ পৰিয়ালৰ সৈতে বৃহস্পতিবাৰে উপস্থিত হ'ল পুষ্পা চলচ্চিত্ৰৰ জৰিয়তে খ্যাতি অৰ্জন কৰা অভিনেতা আল্লু অৰ্জুন আৰু তেওঁৰ পৰিয়াল, মন্দিৰ চৌহদতে উদযাপন কৰিলে পত্নী স্নেহা ৰেড্ডীৰ জন্মদিন*

# একতা কাপুৰ-শোভা কাপুৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি

## সেনা জোৱান আৰু তেওঁলোকৰ পত্নীক অসন্মান কৰাৰ অভিযোগ

**পাটনা, ২৯ ছেপ্টেম্বৰ ঃ** একতা কাপুৰ আৰু তেওঁৰ মাতৃ শোভা কাপুৰৰ বিৰুদ্ধে সেনা জোৱান আৰু তেওঁলোকৰ পত্নীক অসন্মান কৰাৰ অভিযোগত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে। বিহাৰৰ বেগুচৰাই আদালতে গ্ৰেপ্তাৰ পৰোৱানা জাৰি কৰিছে। প্ৰযোজনা প্ৰতিষ্ঠান অল্ট বালাজীৰ বেনাৰত একতা কাপুৰ নিৰ্মিত ৱেব ছিৰিজ 'XXX আনচেঞ্চৰড'ৰ বাবে এই সমস্যাৰ সন্মুখীন হৈছে। বুধবাৰে একতা আৰু শোভা কাপুৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰ পৰোৱানা জাৰি কৰা হৈছে।অৱশ্যে ঘটনাটো দুবছৰ আগৰ। ২০২০ চনৰ জুন মাহত সেনা বিষয়া শম্ভু কুমাৰে গোচৰ ৰুজু কৰিছিল। অভিযোগ কৰা হৈছে যে সেনা বিষয়াসকলৰ পত্নীসকলক ৱেব ছিৰিজ ' XXX আনচেঞ্চৰড'ত দেখুওৱা দৃশ্যটো তেওঁলোকৰ বাবে অসন্মানজনক।অভিযোগ যে ৱেব ছিৰিজটোৱে দেখুৱায় যে যেতিয়া সেনা বিষয়াসকলে দেশৰ বাবে তেওঁলোকৰ দায়িত্ব পালন কৰাৰ বাবে ঘৰত নাথাকে, তেওঁলোকৰ পত্নীয়ে আন পুৰুষৰ সৈতে সম্পৰ্কত লিপ্ত হয় আৰু শাৰীৰিকভাৱে ঘনিষ্ঠ হৈ পৰে।যিটো সেনা বিষয়াৰ পত্নীসকলৰ বাবে অসন্মানজনক।২০১৮ চনত সম্প্ৰচাৰিত হৈছিল ৱেব ছিৰিজ 'XXX আনচেঞ্চৰড'ৰ প্ৰথম চিজন। দ্বিতীয় চিজনটোৰ ২০২০ চনৰ জানুৱাৰীত সম্প্ৰচাৰ আৰম্ভ হৈছিল।বুধবাৰে অৱসৰপ্ৰাপ্ত সেনা বিষয়া শম্ভু কুমাৰে দাখিল কৰা গোচৰটোৰ শুনানিৰ সময়ত ন্যায়াধীশ বিকাশ কুমাৰে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। অধিবক্তা হৃষীকেশ পাঠকে জনায় যে একতা আৰু শোভা কাপুৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ কাৰণ হৈছে তেওঁলোক অ'টিটি প্লেটফৰ্ম অল্ট বালাজীৰ মালিক।অধিবক্তা হৃষীকেশ পাঠকে লগতে জানিবলৈ



দিয়ে যে সেনা বিষয়া শম্ভু কুমাৰে দাখিল কৰা গোচৰটোৰ ভিত্তিত ২০২১ চনতেই একতা আৰু শোভা কাপুৰলৈ চমন প্ৰেৰণ কৰা হৈছিল। তেওঁলোকে চমনটো গ্ৰহণো কৰিছিল। আনকি এইটোও জনোৱা হৈছিল যে ৱেব ছিৰিজটোৰ আপত্তিজনক দৃশ্যটো আঁতৰোৱা হৈছে। একতা কাপুৰেও বিষয়টোৰ বাবে ৰাজহুৱাভাৱে ক্ষমাও বিচাৰে।অৱশ্যে, চমন জাৰি কৰাৰ পিছতো তেওঁলোক আদালতত হাজিৰ হোৱা নাছিল। সেই কাৰণে তেওঁলোকৰ বিৰুদ্ধে গ্ৰেপ্তাৰ পৰোৱানা জাৰি কৰা হৈছে।

# মনোনয়ন দাখিলৰ প্ৰাকক্ষণত শচী থাৰুৰে সাক্ষাৎ কৰিলে দিগ্বিজয় সিঙক

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** বৃহস্পতিবাৰে কংগ্ৰেছৰ দুই সাংসদৰ মিলন আৰু পৰস্পৰক সাৱতি ধৰা দৃশ্যই বিভিন্ন মহলত সৰৱ চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে। এই দুই সাংসদ হ'ল দিগ্বিজয় সিং আৰু শচী থাৰুৰ। ৰাজ্যসভাৰ সদস্য দিগ্বজয় সিঙৰ বিপৰীতে শচী থাৰুৰ হ'ল কেৰালাৰ তিৰুৱনন্ত পুৰমৰ লোকসভাৰ সাংসদ। দুইজনে এইবাৰ কংগ্ৰেছৰ সভাপতি আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। সেই অনুসৰি কাইলৈ অৰ্থাৎ ৩০ ছেপ্টেম্বৰত দুয়োজনে মনোনয়ন দাখিল কৰিব। গতিকে মনোনয়ন দাখিলৰ এদিন পূৰ্বে দলটোৰ দুয়োজন জ্যেষ্ঠ নেতাই পৰস্পৰক সাক্ষত কৰে বৰ্তমানলৈকে কোনো শীৰ্ষ নেতা বা অন্যান্যসকলৰ সৈতে আলোচনা কৰা নাই বুলি সংবাদ মাধ্যমক অৱগত কৰিছে। কোনো লবী বা গোষ্ঠীৰ হৈ প্ৰতিনিধিত্ব কৰা নাই বুলিও স্পষ্ট কৰি দিছে। উল্লেখ্য যে কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতি পদৰ বাবে মনোনয়ন পত্ৰ যোৱা ২৪ ছেপ্টেম্বৰৰ পৰা প্ৰদান কৰি থকা হৈছে। ৩০ ছেপ্টেম্বৰ হ'ল মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ইফালে আঠ অক্টোবৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ভোটগ্ৰহণ হ'ব ১৭ অক্টোবৰত। আৰু ভোট গণনাৰ দিন ধাৰ্য কৰা হৈছে ১৯ অক্টোবৰ তাৰিখে।



আৰু সাৱতি ধৰে। সংবাদ মাধ্যমৰ আগত দুয়োজনে কয় যে বন্ধুত্বপূৰ্ণভাৱে দুয়োজনে প্ৰতিদ্বন্দ্বিতা কৰিব। এই প্ৰতিদ্বন্দ্বিতা শত্ৰু বা বিৰোধীৰ বিৰুদ্ধে নহয়। নিজৰ দলীয় সদস্যৰ মাজতে পাৰস্পৰিক সম্ভাৱনা অটুত ৰাখি দুয়োজনে সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে। প্ৰণিধানযোগ্য এয়ে যে দিগ্বিজয় সিঙৰ সৈতে হোৱা সাক্ষাতৰ পিছত শচী থাৰুৰে কয় যে তেওঁৰ প্ৰাৰ্থিত্বৰ প্ৰতি আদৰণি জনাইছে। টুইটাৰৰ জৰিয়তে ঠাৰুৰে কয় যে এই নিৰ্বাচন হ'ব বন্ধুত্বপূৰ্ণ। কংগ্ৰেছৰ গণতান্ত্ৰিক পৰম্পৰা অটুত ৰাখিবলৈ দুয়োজনে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি ব্যক্ত কৰিছে। বৃহস্পতিবাৰে পুৱা দিগ্বিজয় সিঙে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি ঘোষণা কৰিছে। কিয়নো বুধবাৰে সন্ধিয়াৰ ভাগত দিগ্বিজয় সিঙে সাক্ষাৎ কৰিছিল ছোনিয়া গান্ধীক। আনহাতে সভাপতি হ'বলৈ এমাহৰ পূৰ্বৰে পৰা সাজু হৈ থকা ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে মূৰকত গৈ প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰি আহে। লগতে ছোনিয়া গান্ধীৰ ওচৰত ক্ষমা বিচৰা বুলিও প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত দিগ্বিজয় সিঙে কয় যে তেওঁ ইতিমধ্যে নিৰ্বাচনী কৰ্তৃপক্ষৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে। কাইলৈ অৰ্থাৎ শুকুৰবাৰে মনোনয়ন দাখিল কৰিব। কাইলৈ দিনৰ ১১.০০ বজাৰ পৰা তিনি বজাৰ ভিতৰত মনোয়চন পত্ৰ দাখিল কৰিব বুলি ব্যক্ত কৰিছে।

# উধামপুৰত দুখনকৈ যাত্ৰীবাহী বাছত বোমা বিস্ফোৰণ

## কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণৰ পূৰ্বে সংঘটিত ঘটনাক লৈ চাঞ্চল্য







**শ্ৰীনগৰ, ২৯ ছেপ্টেম্বৰ ঃ** কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ পৰিৱেশ ৰচনা হোৱাৰ সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা সপ্তাহত উপত্যকাটো ভ্ৰমণ কৰাৰ কথা। এনে সময়তে দুখনকৈ বাছত ঘটা দুটা বোমা বিস্ফোৰণে উপত্যকাটো কঁপাই তুলিছে। কাশ্মীৰ আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে বুধবাৰে নিশা আৰু তাৰ পিছত বৃহস্পতিবাৰে পুৱা আঠ ঘণ্টাৰ ব্যৱধানত জম্মু-কাশ্মীৰৰ উধমপুৰত দুখন যাত্ৰীবাহী বাছত সন্ত্ৰাসবাদীয়ে বোমা বিস্ফোৰণ ঘটায়।বাছ ষ্টেণ্ডত ৰখাই থোৱা এখন খালী বাছত হোৱা বিস্ফোৰণৰ ফলত কোনো প্ৰাণহানি হোৱা নাই। সন্ত্ৰাসবাদীয়ে আতংক বিয়পাবলৈ এনে কৰিছে বুলি ধাৰণা কৰা হৈছে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি, বুধবাৰে নিশা প্ৰায় ১১.৪৫ বজাত উধমপুৰৰ ডোমাইল চকৰ ওচৰত ৰখাই থোৱা এখন বাছত প্ৰথমটো বিস্ফোৰণ সংঘটিত হয়।ঘটনাটোত দুজন লোক গুৰুতৰভাৱে আহত হয়। বৃহস্পতিবাৰে পুৱা প্ৰায় ৬:৩০ বজাত ডমাইল চকৰ পৰা ৪ কিলোমিটাৰ দূৰত পুৰণি বাছ ষ্টেণ্ডত ৰখাই থোৱা আন এখন বাছত বিস্ফোৰণ হয়। অৱশ্যে সেই বিস্ফোৰণত কোনো লোক আঘাতপ্ৰাপ্ত হোৱা নাই।কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অহা সপ্তাহত জম্মু আৰু কাশ্মীৰ ভ্ৰমণ কৰিব। শ্বাহৰ ভ্ৰমণৰ পূৰ্বে সন্ত্ৰাসবাদীয়ে উপত্যকাটোত আতংক বিয়পাবলৈ এনেদৰে ৰখাই থোৱা বাছত বোমা বিস্ফোৰণ ঘটোৱা বুলি সন্দেহ কৰা হৈছে।উল্লেখ্য ২০০৯ চনতো জম্মুৰ এটা বাছ ষ্টেণ্ডত ৰখাই থোৱা এখন যাত্ৰীবাহী বাছত বিস্ফোৰণ ঘটোৱা হৈছিল। ইপিনে শেহতীয়া বোমা বিস্ফোৰণৰ দায়িত্ব কোনো সংগঠনে স্বীকাৰ কৰা নাই। কালি নিৰাপত্তাবাহিনীয়ে উপত্যকাটোত তিনি জন পাক সন্ত্ৰাসবাদীক হত্যা কৰিছিল।

# উৎকোচৰ গোচৰত চিবিআইৰ জালত ৰে'লৱেৰ অভিযন্তা

## ৪০ লাখ টকাৰ গহণাৰ লগতে নগদ ৬৩ লাখ টকা জব্দ

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** কথাতে আছে এশ গৰু মাৰিলে বাঘৰো মৰণ। ঠিক তেনে দশাই হ'ল এজন ৰে'লৰ দুৰ্নীতিগ্ৰস্ত অভিযন্তাৰ।শেহতীয়াকৈ কেন্দ্ৰীয় ৰে'লৱেৰ মুখ্য যান্ত্ৰিক অভিযন্তা (পিচিএমই)ক উৎকোচৰ গোচৰত গ্ৰেপ্তাৰ কৰিছে কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো (চিবিআই)য়ে। অভিযন্তাজনৰ ছিংগাপুৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ তিনিটা বিদেশী বেংকত থকা জমা ধনৰ তথ্যৰ লগতে নগদ ২৩ লাখ,৪০ লাখ মূল্যৰ গহনা, ১৩ কোটি টকাৰ সম্পত্তিৰ তথ্যও পোৱা গৈছে। মুখ্য যান্ত্ৰিক অভিযন্তাই ২,০০,০০০ আমেৰিকান ডলাৰ বিদেশৰ বেংকত জমা কৰিছিল। সংস্থাটোৰ মতে, কলকাতাস্থিত প্ৰতিষ্ঠানটোৰ কিছু বিল, ৰে'লৰ ঠিকা, কেন্দ্ৰীয় ৰেলৱেৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ আৰু পিচিএমইৰ ওচৰত বিচাৰাধীন হৈ আছিল। যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী অশোক কুমাৰ গুপ্তাই তেনে বিল আৰু ঠিকা মোকলাই দিয়াৰ নামত উৎকোচ দাবী কৰি আহিছিল। প্ৰতিখন বিল মোকলাই দিবলৈ তেওঁ ১ লাখকৈ টকা উৎকোচ লৈছিল। নিৰ্দিষ্ট তথ্যৰ ভিত্তিত চিবিআইয়ে এটা গোচৰ পঞ্জীয়ন কৰি মুখ্য যান্ত্ৰিক অভিযন্তাজনৰ চৰকাৰী বাহনৰ চালক আব্দুল কালাম শ্বেখক গ্ৰেপ্তাৰ কৰিছিল। যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী অশোক কুমাৰ গুপ্তাই



তেওঁৰ বাহনৰ চলক আৰু আন লোকৰ জৰিয়তে উৎকোচৰ ধন সংগ্ৰহ কৰিছিল বুলি অভিযোগ উঠিছে। আন এজন অভিযুক্ত আদিত্য তিবাৰৱালকো গ্ৰেপ্তাৰ কৰা হৈছে। চিবিআইয়ে উৎকোচৰ গোচৰটো সন্দৰ্ভত মুম্বাই, কলকাতা, গাজিয়াবাদ, নয়ডা, ডেৰাডুন আৰু দিল্লীকে ধৰি দহটা স্থানত তালাচী চলায়। গুপ্তাৰ চৌহদত তালাচীৰ সময়ত প্ৰায় ২৩ লাখ নগদ ধন আৰু প্ৰায় ৪০ লাখ টকা মূল্যৰ গহনা উদ্ধাৰ হয়। চিচিবিআইয়ে যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী অশোক কুমাৰ গুপ্তাক গ্ৰেপ্তাৰ কৰি জেৰা চলাই আছে। উল্লেখ্য যে ৰে'ল বিভাগত দীৰ্ঘদিন ধৰি দুৰ্নীতিৰে একাংশই বিভাগটো কলংকিত কৰি অহা অভিযোগ উত্থাপিত হোৱাৰ সময়তে এই ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে।



*১০ হাজাৰ কোটি টকা ব্যয়েৰে আধুনিক সা-সুবিধাৰে সমৃদ্ধ আৰু উন্নীত কৰা হ'ব দিল্লী ৰে'লৱে ষ্টেচন, লগতে মুম্বাই আৰু আহমেদাবাদ ৰে'ল আস্থানো বিশ্বমানৰ কৰি তোলা হ'ব, প্ৰস্তাৱিত উন্নয়নৰ পিছত ওপৰত উল্লেখ কৰা ধৰণৰ হ'বগৈ ৰে'ল আস্থান-ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৰিলে সদৰী*

# ছাত্ৰীক বিনামূলীয়া গৰ্ভনিৰোধকৰ প্ৰসংগ উত্থাপন কৰা আই এ এছ বিষয়ালৈ কাৰণ দৰ্শোৱাৰ জাননী মহিলা আয়োগৰ

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগে বুধবাৰে বিহাৰৰ আই এ এছ বিষয়া হৰজ্যোৎ কৌৰলৈ জাৰি কৰিছে কাৰণ দৰ্শোৱাৰ জাননী। কিয়নো বিহাৰৰ মহিলা উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক পদত থকা হৰজ্যোৎ কৌৰে এগৰাকী ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ অনাহকতে গৰ্ভ নিৰোধৰ



প্ৰসংগ উত্থাপন কৰিছিল। ছাত্ৰী তথা মহিলাক বিনামূলীয়াকৈ ছেনিটেৰী নেপকিন চৰকাৰে যোগান ধৰিব নেকি বুলি এগৰাকী ছাত্ৰীয়ে মহিলা উন্নয়ন নিগমৰ বিষয়াগৰাকীক সুধিছিল। তেতিয়াই বিষয়াগৰাকীয়ে কয় যে সকলোবোৰ বিনামূলীয়াকৈ বিচাৰি থাকিলে আকাংক্ষা বাঢ়ি যাব। বিনামূলীয়া নেপকিনৰ পিছত বিনামূলীয়াকৈ জীনছৰ পেণ্ট বিচাৰিব পাৰে। জীনছৰ পেণ্টৰ সৈতে পিন্ধিবলৈ বিনামূলীয়াকৈ জোতা বিচাৰিব পাৰে। যেতিয়া বিবাহ হ'ব তেতিয়া বিনামূলীয়াকৈ গৰ্ভনিৰোধক বিচাৰিব পাৰে। বিষয়াগৰাকীয়ে লগতে কয় যে এনেদৰে বিনামূলীয়া সামগ্ৰী দাবী কৰি থাকিলে এই দেশখন পাকিস্তানলৈ পৰিৱৰ্তন ঘটিব। নাগৰিকে ধনৰ আশাত নে সামগ্ৰীৰ আশাত নে সেৱাৰ বাবে ভোট দি আহিছে। এনেকৈ এগৰাকী ছাত্ৰীক অনাহকতে এজন দায়িত্বশীল আই এ এছ বিষয়াই প্ৰসংগ সংগতিহীনভাৱে গৰ্ভনিৰোধকৰ বিষয়টো উত্থাপন কৰা কাৰ্যৰ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। এই বিষয়ত ৰাষ্ট্ৰীয় মহিলা আয়োগে বুধবাৰে বিষয়াগৰাকীলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এই নিৰ্দেশনাত কোৱা হৈছে যে বিষয়াগৰাকীয়ে আপত্তিজনকভাৱে আৰু অনাধিকাৰভাৱে এগৰাকী ছাত্ৰীক মানসিক নিৰ্যাতন দিছে। বিষয়াগৰাকীয়ে কি কাৰণত এনেধৰণৰ অহেতুক বিষয় উত্থাপন কৰি এগৰাকী ছাত্ৰীক উত্তৰ দিব লগা হ'ল সেয়া অহা সাদিনৰ ভিতৰত স্পষ্ট কৰিবলৈ কঠোৰভাৱে সকিয়াই দিয়া হৈছে। অন্যথা শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব বুলিও আঙুলিয়াই দিছে।

# গৰ্ভ নিৰোধকৰ বিষয়ত শিৱসেনা-কংগ্ৰেছ সাংসদৰ তীব্ৰ গৰিহণা

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** বিহাৰৰ এগৰাকী আই এ এছ বিষয়াই এগাৰকী ছাত্ৰীক গৰ্ভনিৰোধকৰ প্ৰসংগ উত্থাপন কৰি মানসিক নিৰ্যাতন চলোৱা কাৰ্যৰ তীব্ৰ নিন্দা কৰিছে কংগ্ৰেছ আৰু শিৱসেনা দলৰ সাংসদে। শিৱসেনাৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদীয়ে কয় যে বিজেপিয়ে বেটী বচাও বেটী পঢ়াও আঁচনিৰ জৰিয়তে যেনেদৰে দেশৰ যুৱতী আৰু মহিলাক সুৰক্ষা দিব পৰা নাই



তেনেদৰে বিহাৰ চৰকাৰেও যুৱতীৰ সমৃদ্ধিৰ বাবে গ্ৰহণ কৰা আঁচনিৰ জৰিয়তে প্ৰকৃততে যুৱতীসকলক নিৰ্যাতন চলাইছে। গতিকে এনেধৰণৰ দায়িত্বহীন মন্তব্যৰ বাবে উক্ত বিষয়াগৰাকীৰ বিৰুদ্ধে বিহাৰ চৰকাৰে কঠোৰ পদক্ষেপ ল'ব লাগে বুলি দাবী জনাইছে। কংগ্ৰেছ সাংসদ মনোজ তিৱাৰীয়েও এনে প্ৰশ্ন কৰোতা আই এ এছ বিষয়াগৰাকীৰ মানসিকতাক নিন্দা কৰিছে।



*২০২৩ বৰ্ষৰ অক্টোবৰ মাহৰ পৰা সকলো ধৰণৰ ব্যক্তিগত আৰোহী বাহনত ছটাকৈ এয়াৰ বেগ সংযোজন কৰিব লাগিব বুলি পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে ঘোষণা কৰিছে*

# আজি ইউক্ৰেইনৰ চাৰিটা অঞ্চল ৰাছিয়াৰ সৈতে হ'ব সংযুক্ত

**মস্কো, ২৯ ছেপ্টেম্বৰ ঃ** কাইলৈ অৰ্থাৎ শুকুৰবাৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে ইউক্ৰেইনৰ পৰা দখল কৰা চাৰিটা অঞ্চল ৰাছিয়ান ফেডাৰেচনত সংযুক্ত কৰিব।আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰিত এই কথা প্ৰকাশ পাইছে। যোৱা শুকুৰবাৰে ইউক্ৰেইনৰ পৰা দখল কৰা ডনেটস্ক, লুহানস্ক, খেৰচন আৰু জাপোৰিজিয়া অঞ্চলত গণভোট আৰম্ভ হৈছিল। এই ভোট বুধবাৰে সমাপ্ত হয়। ৰাছিয়াই দাবী কৰিছে যে বেছিভাগ ভোট ৰাছিয়াত যোগদান কৰাৰ পক্ষত পৰিছে। বাতৰি মতে, পুটিনে শুকুৰবাৰে চাৰিটা অঞ্চল সংযুক্ত কৰিবলৈ এক স্বাক্ষৰ কাৰ্যসূচী অনুষ্ঠিত কৰিব। উল্লেখ্য যে ক্ৰিমিয়াত যি ঘটিছিল ঠিক সেই টোৱে এইবাৰো ঘটিছে। ৰাছিয়াই ৰাষ্ট্ৰসংঘৰ নিষেধাজ্ঞা অমান্য কৰিছে আৰু পূব ইউক্ৰেইনৰ অধিকৃত অংশত গণভোট অনুষ্ঠিত কৰিছে। পুটিনে দাবী কৰিছে যে ভোটৰ ফলাফল তেওঁলোকৰ পক্ষত গৈছে। অঞ্চলটোৰ মানুহে ক্ৰেমলিনক এক অভূতপূৰ্ব উপায়েৰে সমৰ্থন কৰিছে। সেয়েহে, এইবাৰ ৰাছিয়াৰ চৰকাৰীভাৱে অধিকৃত অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰাৰ পাল। ইপিনে, গণভোটৰ ফলাফলৰ বাতৰি ৰাজহুৱা হোৱাৰ লগে লগে ইউক্ৰেনে প্ৰতিবাদ কৰিছে। আমেৰিকা আৰু ইউৰোপে কৈছে যে তেওঁলোকে এই ভোট মানি নলয়। ৰাষ্ট্ৰসংঘত ভাৰতৰ প্ৰতিনিধি ৰুচিৰা কাম্বোজে কয় যে ৰাছিয়া-ইউক্ৰেইন সংঘাত যি স্থানত উপনীত হৈছে সেয়া আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত যথেষ্ট চিন্তাৰ বিষয়। ৰাষ্ট্ৰসংঘই এইটোও সোঁৱৰাই দিছে যে আন দেশত প্ৰৱেশ কৰা আৰু অঞ্চল দখল কৰি ভোট লোৱাটো আন্তৰ্জাতিক আইনৰ উলংঘন। যুদ্ধ চলি থকাৰ সময়তে ৰাছিয়াই ইউক্ৰেইনৰ চাৰিটা অঞ্চল লুহানস্ক, ডনেটস্ক, জাপোৰিজিয়া আৰু খেৰচনত ভোট অনুষ্ঠিত কৰিছে। এই অঞ্চলবোৰ দখল কৰাৰ পিছত মস্কোৱে নিজৰ বিষয়া নিযুক্ত কৰে। শুনা গৈছিল যে ফলাফল ঘোষণা হোৱাৰ লগে লগে ৰাছিয়াৰ সৈতে অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰিবলৈ তেওঁলোকে ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনলৈ এটা বাৰ্তা প্ৰেৰণ কৰিছিল। ৰাছিয়াত সোমাবলগীয়া এই চাৰিটা অঞ্চল একেলগে ইউক্ৰেইনৰ ভূমিৰ ১৫ শতাংশ। কিয়েভ আৰু পশ্চিমীয়া দেশবোৰে কৈছে যে কোনো স্বতন্ত্ৰ, নিৰপেক্ষ গণভোট হোৱা নাই, এই সকলোবোৰ ভুৱা। ৰাছিয়াৰ দ্বাৰা নিযুক্ত লুহানস্ক প্ৰশাসনে দাবী কৰে যে ইয়াৰ ৯৮.৪ শতাংশ বাসিন্দাই ৰাছিয়াত যোগদান কৰাত সমৰ্থন কৰিছে। জাপোৰিজিয়াৰ ৰাছিয়ান প্ৰশাসনে দাবী কৰিছে যে তেওঁলোকৰ অঞ্চলৰ ৯৩.১ শতাংশ ভোট মস্কোৰ সমৰ্থনত গৈছে।একেদৰে ৰাছিয়াই খেৰচনত ৮৭ শতাংশ ভোট লাভ কৰিছে। ডনেটস্কৰ দায়িত্বত আছে এটা ৰাছিয়ান সমৰ্থিত

## শান্ত হোৱা নাই যুদ্ধবাজ ৰাষ্ট্ৰপতি পুটিন



বিচ্ছিন্নতাবাদী সংগঠন। তেওঁলোকৰ স্বঘোষিত অঞ্চল 'ডনেটস্ক পিপলছ ৰিপাব্লিক'ৰ মুৰব্বী ডেনিছ পুশিলিনে জনায় যে ৯৯.২ শতাংশ লোকে ৰাছিয়াত পক্ষত ভোট দিছে।

# ৰংদৈ সাৰ্বজনীন দুৰ্গা মন্দিৰত জীৱেশ্বৰ বৰুৱা, অনিল শৰ্মা সোঁৱৰণী পকী কোঠাৰ দ্বাৰ উদ্‌ঘাটন



দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৯ ছেপ্তেম্বৰ ঃ পৱিত্ৰ মহালয়াৰ দিনা ৰংদৈ সাৰ্বজনীন দুৰ্গোৎসৱ উদযাপন সমিতিয়ে কপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি জীৱেশ্বৰ বৰুৱা, অনিল শৰ্মাৰ সোঁৱৰণ উৎসৰ্গিত দুটি পকী কোঠাৰ দ্বাৰ উদ্‌ঘাটন কৰে প্ৰকৃতি প্ৰেমী তথা 'দৈনিক জনমভূমি' কাকতৰ প্ৰাক্তন গোলাঘাটৰ সাংবাদিক অপূৰ্ব বল্লভ গোস্বামীয়ে। সংস্কৃত পণ্ডিত তথা বাহনা উচ্চ ইংৰাজী বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক তথা দুৰ্গা পূজা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি জীৱেশ্বৰ বৰুৱা আৰু নাজিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অনিল শৰ্মাৰ সোঁৱৰণত পৰিয়ালবৰ্গই আগবঢ়োৱা কোঠা দুটাৰ দ্বাৰ মাংগলিকভাৱে উদ্‌ঘাটন কৰি ব্যক্তি দুজনৰ জীৱন পৰিক্ৰমা সম্পৰ্কত তাত্ত্বিকভাৱে অপূৰ্ব বল্লভ গোস্বামীয়ে ভাষণ প্ৰদান কৰে। ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পৱিত্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত দ্বাৰ উদ্‌ঘাটন সভাত বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন হাজৰিকাই দয়াজ্ঞান ব্যক্তিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি পৰিয়াল বৰ্গক এনে কাৰ্যৰ বাবে ধন্যবাদ জনায়। অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষক হৰেন শৰ্মা, কমল বৰা, মুকুল বৰা, টীয়কৰ কৃতী শিক্ষক তথা লেখক হিমেন ভট্টাচাৰ্য, কৃতী শিক্ষক পৱন শৰ্মা, অচিন্ত্য শৰ্মা, যাদব বৰুৱা, যতীন শৰ্মা, প্ৰয়াত জীৱেশ্বৰ শৰ্মাৰ সহধৰ্মিণী সাবদা বৰুৱা, প্ৰয়াত অনিল শৰ্মাৰ সহধৰ্মিণী অৰ্চনা গোস্বামী শৰ্মা, অৰুণ শৰ্মা দ্বাৰ উদ্‌ঘাটন সভাত উপস্থিত থাকে। উল্লেখ্য, সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাত বক্তাসকলে জীৱেশ্বৰ বৰুৱাৰ পৰিয়ালৰ পুত্ৰ, বোৱাৰী, জী, জোঁৱাই, নাতি-নাতিনী আৰু অনিল শৰ্মাৰ পৰিয়ালবৰ্গই সকলোৰে দ্বাৰ উদ্‌ঘাটনী সভাত উপস্থিত থকা সকলোকে কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰে।

## নিৰাপত্তাহীনতাত ভুগিছে ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি ছামচুল ইছলাম

# দেহৰক্ষী নিয়োগ কৰাৰ দাবী চৰকাৰক

দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২৯ ছেপ্তেম্বৰ ঃ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি সুৰক্ষা দিয়াৰ দায়িত্ব চৰকাৰৰ। কিন্তু ধুবুৰীত এজন প্ৰভাৱশালী ৰাজনীতিবিদে নিৰাপত্তাহীনতাত ভুগি অহাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ বিৱৰণী মতে, ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি ছামচুল ইছলামৰ জীৱনলৈ নামি আহিছে ভয়-ভাবুকি আৰু শংকা। যাৰ বাবে নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে দেহৰক্ষী বিচাৰি চৰকাৰৰ ওচৰত আহ্বান জনায়। উল্লেখ্য যে, ছামচুল ইছলামক ২০০১ চনৰ ১১ ডিচেম্বৰ তাৰিখত এন ডি এফ বিয়ে অপহৰণ কৰি নি ৮১ দিন ৰখাৰ পিছত যিকোনো পন্থাৰে উগ্ৰপন্থী সংগঠন এন ডি এফ বিৰ কবলৰ পৰা জীৱন্তে আহিবলৈ সক্ষম হৈছিল। যাৰ পৰিপ্ৰেক্ষিতত ২০১০ চনৰ পৰা ২০১২ চনলৈ চৰকাৰে দেহৰক্ষী নিয়োগ কৰিছিল যদিও দুবছৰ পিছত দেহৰক্ষী উঠাই লয়। ২০১৩ চনৰ পৰা ২০২২ চনৰ বৰ্তমানলৈকে এটাৰ পিছত আনটো ভাবুকিয়ে নিদ্ৰাহৰণ কৰিছে ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি ছামচুল ইছলামৰ। ইফালে, নব-নিযুক্ত ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব লাভ কৰাৰ সাত মাহ ধৰি ইছলামৰ উপৰি ইছলামৰ পৰিয়ালৰ প্ৰতি ভাবুকি দ্বিগুণ বৃদ্ধি পোৱাৰ অভিযোগ উঠিছে। এনেকি ১৮ ছেপ্তেম্বৰৰ পৰা ২৬ ছেপ্তেম্বৰলৈ দলটোৰ ভিতৰত'ৰাত সভাপতিৰ আসনক লৈ চলা গৃহ কন্দলে বাৰুকৈ চিন্তিত হৈ পৰিছে নৱ-নিযুক্ত সভাপতি ইছলামে। ২৭ ছেপ্তেম্বৰৰ ৰাতি আনুমানিক ৮ মান বজাত বগৰীবাগৰ বাহিৰৰ ঘাইপথত তিনি-চাৰিজন দুৰ্বৃত্তৰ দলে মুখত ক'লা কাপোৰ বান্ধি গাড়ীৰ সন্মুখত আগভেটা দি গাড়ীৰ পৰা বলপূৰ্বকভাৱে নমাই সভাপতিৰ পদ এৰি দিবলৈ ধমকি দিয়ে। সভাপতিৰ পদ এৰি নিদিলে ইছলামৰ লগতে পৰিয়ালটো সম্পূৰ্ণভাৱে নিঃশেষ কৰিব বুলি ভাবুকি দিয়াত ছামচুল ইছলামে ভাত-পানী এৰিবলগীয়া হৈছে। যাৰ ফলত ছামচুল ইছলামক শীঘ্ৰে দেহৰক্ষী নিয়োগ কৰি ইছলামৰ লগতে পৰিয়ালটোক সুৰক্ষা দিবলৈ শাসকীয় বিজেপি চৰকাৰক কাতৰ আহ্বান জনাইছে ইছলামে। স্মৰ্তব্য যে, এন ডি এফ বিৰ নেতা ৰঞ্জন দৈমাৰীৰ যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় আৰু কংগ্ৰেছ দলৰ সভাপতি আসনক কেন্দ্ৰ কৰি ভীতিগ্ৰস্ত হৈ পৰিছে ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি ছামচুল ইছলামে। ইছলামৰ জীৱনক নিৰাপত্তাৰ প্ৰতি চৰকাৰ আৰু জিলা প্ৰশাসনে কেনেদৰে পদক্ষেপ লয় সেয়া সময়তহে লক্ষণীয় হ'ব।

## গুৱাহাটী দুৰ্গাসৰোবৰত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজন

দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৯ ছেপ্তেম্বৰ ঃ বিগত বৰ্ষৰ দৰে এইবেলিও গুৱাহাটীৰ দুৰ্গাসৰোবৰস্থিত শংকৰ-মাধৱ প্ৰতিভা কেন্দ্ৰৰ উদ্যোগত আৰু পশ্চিম গুৱাহাটীৰ দুৰ্গা সৰোবৰ, পশ্চিম শান্তিপুৰ, ভূতনাথ, কালীপুৰ, নামনি কামাখ্যা আৰু নীলাচলপুৰৰ ৰাইজৰ সহযোগত শ্ৰীমন্ত শংকৰ ক্ষেত্ৰত মহাপুৰুষজনাৰ ৫৭৪সংখ্যক জন্মোৎসৱতি দুৰ্গাসৰোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ৪, ৫ আৰু ৬ অক্টোবৰত আয়োজন কৰা এই জন্মোৎসৱৰ কাৰ্যসূচী অনুসৰি ৪ অক্টোবৰত পুৱাই অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছত দিনৰ ১১ মান বজাৰ পৰা সুৰেন্দ্ৰনাথ চৌধুৰীৰ সোঁৱৰণত অসম ভিত্তিত বৰগীত প্ৰতিযোগিতা আৰু হৰিকৃষ্ণ দাস আৰু কনলতা দাসৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৫ অক্টোবৰত উষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত লৈ নগৰ কীৰ্তন, সাংস্কৃতিক শোভাযাত্ৰা আৰু সন্ধিয়া ভাওনা, নাট-নৃত্য আদি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে ৬ অক্টোবৰত আই মাতৃসকলৰ নাম কীৰ্তনৰ উপৰি ধৰ্মীয় অন্যান্য কাৰ্যসূচীৰে অনুষ্ঠানৰ সমাপ্তি ঘটিব। জন্মোৎসৱৰ কাৰ্যসূচীত আয়োজিত বৰগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ৯৪৩৫০৪৮৮৪১, ৯৪৩৫০১৯৮৪৫৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ মহোৎসৱৰ আয়োজক সমিতিয়ে ইচ্ছুক ৰাইজক আহ্বান জনাইছে।

# শিৱসাগৰত ব'ৰ্ডিং খেলপথাৰত অসমী শাৰদী মেলা ২০২২

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৯ ছেপ্তেম্বৰ ঃ মহিলা সবলীকৰণক অগ্ৰাধিকাৰ দি বিভিন্ন সময়ত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে ৰাজ্যিক আৰু জিলা পৰ্যায়ত বিভিন্ন মেলাৰ আয়োজন কৰি আহিছে। ৰাজ্যখনৰ আন আন জিলাৰ লগতে শিৱসাগৰতো স্থানীয় ব'ৰ্ডিং খেলপথাৰত ২৮ ছেপ্তেম্বৰৰ পৰা ৩০ ছেপ্তেম্বৰলৈ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, শিৱসাগৰৰ জিলা প্ৰকল্প প্ৰবন্ধন শাখাৰ উদ্যোগত তিনিদিনীয়াকৈ অসমী শাৰদীয় মেলা ২০২২ আয়োজন কৰা হৈছে। অসমী শাৰদীয় মেলা ২০২২ৰ উদ্বোধনী অনুষ্ঠানত আজি মুখ্য অতিথি হিচাপে উপস্থিত থাকে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ। মেলা উদ্বোধন কৰি সাংসদ গগৈয়ে কয় যে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আত্মসহায়ক গোট গঠনৰ যোগেদি গাঁৱৰ দৰিদ্ৰ মহিলাসকলৰ জীৱিকাৰ উন্নতৰ প্ৰয়াস অব্যাহত ৰাখিছে। ৰাজ্যৰ অন্যান্য জিলাৰ সমান্তৰালকৈ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, শিৱসাগৰ জিলাৰ অধীনত আত্মসহায়ক গোট, গ্ৰাম্য সংগঠন, আৰু মণ্ডল সংগঠন গঠন কৰি দৰিদ্ৰ মহিলাসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে নিৰলস প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। উল্লেখ্য, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, শিৱসাগৰৰ অধীনত বৰ্তমানলৈ ৭১৭১টা আত্মসহায়ক গোট, ৩৬৭টা গ্ৰাম্য সংগঠন আৰু ১৫টা মণ্ডল সংগঠন গঠন কৰা হৈছে। জিলাখনত অভিযানৰ অধীনত ৪৯৩৫টা আত্মসহায়ক গোটে ঘূৰ্ণীয়মান পুঁজি, ৪০৭৬টা আত্মসহায়ক গোটে সামূহিক বিনিয়োগ পুঁজি লাভ কৰাৰ লগতে ৪৯৭০টা আত্মসহায়ক গোটে বেংকযোগে ৭৪.৩২ কোটিৰ ঋণ লাভ কৰি বিভিন্ন জীৱিকাৰ সৈতে জড়িত হৈ আৰ্থিক স্বাৱলম্বিতাৰ বাট মুকলি কৰিছে। এই মেলাত জিলাখনৰ ৫টা উন্নয়ন খণ্ডৰ ২৫খন আত্মসহায়ক গোটৰ বিপণীয়ে অংশগ্ৰহণ কৰিছে। এই বিপণীসমূহত আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন কৰা খাদ্য সম্ভাৰৰ লগতে উৎপাদনৰ মুগা, নুনি আৰু কপাহী বোৱা কাপোৰ, আচাৰ আৰু বাঁহ-বেতৰ দ্বাৰা নিৰ্মিত বিভিন্ন সামগ্ৰী উপলব্ধ হ'ব। আজিৰ এই মেলা উদ্বোধনী অনুষ্ঠানত শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱৰ উপৰি শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ মঞ্জু চেতিয়া, সমাজকৰ্মী মানস সন্দিকৈ, বিশিষ্ট উদ্যোগী ৰবীন্দ্ৰ বৰা আৰু মেলাত অংশগ্ৰহণ কৰা পল্লৱজ্যোতি গগৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়াই অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক ডাঃ সুৰজ জ্যোতি গগৈয়ে।

## তামুলপুৰত ৰাস মহোৎসৱৰ প্ৰস্তুতি

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ ছেপ্তেম্বৰ ঃ তামুলপুৰ আঞ্চলিক হৰি মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত তামুলপুৰৰ ৰাস মহোৎসৱ উদযাপনৰ ব্যাপক আয়োজন কৰা হৈছে। ইতিমধ্যে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীক সভাপতি, নলিনী ডেকাক কাৰ্যকৰী সভাপতি আৰু উৎপল কুমাৰ দাসক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰি পূৰ্ণপ্ৰস্তুতি চলাই থকা হৈছে। ৭ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে সাতদিনীয়াকৈ তামুলপুৰ আঞ্চলিক হৰিমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱত ওজাপালি, ঢুলীয়া আদি অনুষ্ঠানৰ উপৰি শেষৰ দিনা অৰ্থাৎ ১৩ নৱেম্বৰৰ সন্ধিয়া সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় শিল্পী বিপিন চাওদাঙে অংশগ্ৰহণ কৰাৰ কথা।

# ডিব্ৰুগড় জিলা মহিলা মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৯ ছেপ্তেম্বৰ ঃ ডিব্ৰুগড় জিলাৰ বন সমজুৱাৰ অন্তৰ্গত জকাই সংৰক্ষিত বনাঞ্চলত অৱস্থিত জকাই উদ্ভিদ উদ্যানৰ প্ৰেক্ষাগৃহত কৰি ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা মহিলা মৰ্চাৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহক সভা জিলা মহিলা মৰ্চাৰ সভানেত্ৰী মামুন গগৈ মিত্ৰৰ পৌৰোহিত্যত অনুষ্ঠিত হৈ যায়। বিজেপি মহিলা মৰ্চাৰ ডিব্ৰুগড় জিলা সম্পাদিকা উৰ্মিলা মুডাই আঁত ধৰা বিজেপি মহিলা মৰ্চা ডিব্ৰুগড় জিলাৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহক সভাত বিজেপি দলীয় সাংগঠনিক স্থিতি শক্তিশালী কৰা জিলা মহিলা মৰ্চাই বিজেপি দলীয় ভেটি মজবুত কৰা আগন্তুক সময়ত বিজেপি মহিলা মৰ্চাই ল'বলগীয়া কাৰ্যসূচী আৰু মহিলা মৰ্চাই ৰূপায়ণ কৰিবলগীয়া বিভিন্ন দিশ সম্পৰ্কে পৰ্যালোচনা কৰে। কাৰ্যনিৰ্বাহক সভাত অসম ৰাজ্যিক বিজেপিৰ উপ-সভাপতি অজয় কোঁৱৰে ভাৰতীয় জনতা পাৰ্টীৰ ইতিহাস গঠন হোৱা সময়ৰ পৰা বৰ্তমান পৰ্যন্ত ভাৰতীয় জনতা পাৰ্টীয়ে দলীয় স্থিতি সমগ্ৰ ভাৰতবৰ্ষত দলটোৱে তৃণমূলৰ পৰ্যায়ৰ অৰ্জন কৰা সফলতাৰ ওপৰত আলোকপাত কৰে। সভাত ডিব্ৰুগড় জিলা বিজেপিৰ সভাপতি জগদীশ ৰাজকোঁৱৰে ডিব্ৰুগড় জিলা বিজেপি মহিলা মৰ্চাক গঠনমূলক 'যোগাত্মক দৃষ্টিভংগীৰে বিজেপি দলটোৰ দলীয় নীতি-আদৰ্শৰে সমাজ তথা দেশসেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলা বিজেপি মহিলা মৰ্চাৰ সভাত অসম ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভানেত্ৰী দীপিকা দুৱৰী, মধুমিতা দত্ত, ডিব্ৰুগড় জিলা প্ৰভাৰী বঞ্জনা দত্ত, সহঃ প্ৰভাৰী কল্পনা ভৰালী, ডিব্ৰুগড় জিলা মহিলা মৰ্চাৰ উপ-সভানেত্ৰী পুষ্পাঞ্জলি সোণোৱাল, জিলা বিজেপিৰ সম্পাদক ব্ৰজেন গগৈ, ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, জকাই গাঁও পঞ্চায়তৰ সভাপতি পূৰ্ণানন্দ গগৈ, বিজেপি খনিকৰ মণ্ডলৰ সভাপতি অভয় সোণোৱাল, বিজেপি যুৱনেতা দিগন্ত সোণোৱাল, বিকাশ গগৈ, প্ৰোণ সোণোৱাল প্ৰমুখ্যে বিজেপি ডিব্ৰুগড় মহিলা মৰ্চাৰ সদস্য-বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।



*কামৰূপ মহানগৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয় স্থানান্তৰ কৰাৰ বিৰুদ্ধে উকীল সন্থাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে, বৃহস্পতিবাৰে*

## লাহৰীঘাটৰ অমৰাগুৰিত গৰু চুৰি

দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৯ ছেপ্তেম্বৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত অমৰাগুৰি গাঁৱৰ ২নং ৱাৰ্ডত ২৭ ছেপ্তেম্বৰৰ নিশা তিনিজন দৰিদ্ৰ ব্যক্তি ক্ৰমে চামছুল হক, ডামেছ আলী আৰু আবুল বাশ্বাৰৰ ঘৰৰ গোহালিৰ পৰা এটা এটাকৈ তিনিটা গো ধন চোৰে চুৰি কৰি নি প্ৰায় ২০০ মিটাৰ দূৰৈত গো ধনকেইটাক কাটি মাংসখিনি লৈ যায় আৰু অৱশিষ্ট বস্তুখিনি খাৰৈত পেলাই থৈ যায়। পুৱা তিনিও গৃহস্থই গোহালিত গৰু নাপাই ওচৰে-পাঁজৰে সন্ধান কৰিবলৈ গৈ জলকীয়াবাড়ী গাঁৱৰ উত্তৰে শ্মশানৰ লগতে তেওঁলোকে পোহনীয়া গো-ধনৰ অৱশিষ্ট বস্তুখিনি চাই নিজৰ গৰু বুলি চিনাক্ত কৰে। স্থানীয় বহু লোক উপস্থিত হৈ লাহৰীঘাট থানাত ফোন কৰি অৱগত কৰাৰ লগে লগে লাহৰীঘাট থানাৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰি আছে। একাংশ স্থানীয় লোকৰ মতে ড্ৰাগছ খোৱা বা ড্ৰাগছ সৰবৰাহকাৰী লোকে এই চুৰি কাৰ্যত জড়িত বুলি অভিযোগ উত্থাপন কৰিছে। গাঁওবাসী বাহিনীৰ কৰ্তব্যৰ গাফিলতিৰ বাবে হয়তো চোৰে এনে কাৰ্য কৰিবলৈ সাহস পাইছে বুলিও প্ৰশ্ন উত্থাপিত হৈছে।



## উৎকোচ লৈ আটক সহকাৰী উপ-পৰিদৰ্শক অম্বুক কুমাৰ নাথ

দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৯ ছেপ্তেম্বৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত দুৰ্নীতি নিবাৰক শাখাৰ অভিযান। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অভিযান চলাই থকা দুৰ্নীতি নিবাৰক শাখা অভিযানত আটক হৈছে বহু বিষয়া-কৰ্মচাৰী। সমান্তৰালকৈ মঙলবাৰে লাহৰীঘাটত দুৰ্নীতি নিবাৰক শাখা জালত পৰিল লাহৰীঘাট থানাৰ সহকাৰী উপ-পৰিদৰ্শক অম্বুক কুমাৰ নাথ। দুৰ্নীতি নিবাৰক শাখাই উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলায় লাহৰীঘাট থানাত কৰ্মৰত উপ-পৰিদৰ্শকগৰাকীক। লাহৰীঘাট থানাত কল্প হোৱা এটা গোচৰ নিষ্পত্তিৰ নামত উৎকোচ হিচাপে দাবী কৰিছিল উপ-পৰিদৰ্শকগৰাকীয়ে। দাবী কৰা উৎকোচৰ টকা লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলায় দুৰ্নীতি নিবাৰক শাখাই।



# যোৰহাটত কাৰ পাকিংস্থলীত জ্বলন্ত অৱস্থাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৯ ছেপ্তেম্বৰ ঃ যোৰহাট নগৰৰ মাজমজিয়াত সংঘটিত হৈছে এক অমানৱীয় ঘটনা। নগৰখনত অৰ্ধনিমিত পৰিত্যক্ত অৱস্থাত থকা যোৰহাটৰ বহুমলীয়া কাৰ পাকিং দ্বিতীয় মহলাত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হৈছে। স্থানীয় কোনো লোকে এই মৃতদেহটো প্ৰত্যক্ষ কৰি সদৰ আৰক্ষী খবৰ দিয়ে। উক্ত ব্যক্তিজনক জীৱন্তে জ্বলাই দিয়া সন্দেহ কৰা হৈছে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ জ্বলন্ত অৱস্থাত থকা মৃতদেহটো প্ৰত্যক্ষ কৰে। বাতৰি লিখা পৰ্যন্ত ব্যক্তিজনৰ পৰিচয় উদ্ধাৰ কৰিব পৰা নাই, ইতিমধ্যে আৰক্ষীয়ে ঘটনা অনুসন্ধান আৰম্ভ কৰি তদন্ত অব্যাহত ৰাখিছে। কিয় কোনে কি কাৰণত এজন ব্যক্তিক জীৱন্তে জ্বলাই হত্যা কৰিবলৈ বাধ্য হ'ল। এই ঘটনা সংঘটিত হৈছে যোৰহাট সদৰ থানা নিচেই কাষত। প্ৰশ্ন হয়, জনসাধাৰণৰ সেৱা অৰ্থে উৎসৰ্গিত যোৰহাট আৰক্ষী আইন-শৃংখলা ৰক্ষা কৰাত ব্যৰ্থ হৈছে নেকি, সকলোৰে মনত এতিয়া এনে ধৰণ প্ৰশ্নৰ অৱতাৰণা হৈছে। উল্লেখ্য যে যোৰহাটৰ মাজমজিয়াস্থিত বহু মহলীয়া কাৰ পাকিং অৰ্ধনিমিত অৱস্থাত বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত পৰি থকা বাবে একাংশ লোকে উক্ত স্থানত অসামাজিক কাৰ্যকলাপ তথা মদ-ভাং আদি কামত ব্যৱহাৰ কৰি আহিছে। ফলত উক্ত স্থান একাংশ লোকৰ বাবে অসামাজিক কাৰ্যকলাপৰ ঘাটিলৈ পৰিণত হৈছে। এই অসামাজিক কাৰ্য-কলাপৰ বহিঃ প্ৰকাশৰ ফলত এনেধৰণ অমানৱীয় ঘটনা সংঘটিত হ'ল। আৰু এগৰাকী ব্যক্তিক এনেদৰে জীৱন্তে জ্বলাই হত্যা কৰাৰ সন্দেহ উপজিছে। বৰ্তমান এই ঘটনাই এতিয়া সমগ্ৰ জিলাখনতে ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। কোনে এই ঘটনা সংঘটিত কৰিলে নতুবা কোনো দুষ্ট চক্ৰই জীৱন্তে জ্বলাই উক্ত ব্যক্তিজনক কাৰ পাকিংস্থলীত পেলাই দিলে নেকি এয়া আৰক্ষীৰ নিৰপেক্ষ তদন্তত্বহে পোহৰলৈ আহিব।

## বৃহত্তৰ শুৱালকুছিত শ্ৰীশ্ৰীদুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি

# ৬০ ফুট উচ্চতাৰ বৃহদাকায় ৰাৱণ দাহনৰ বাবে সাজু শুৱালকুছিবাসী

দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৯ ছেপ্তেম্বৰ ঃ কামৰূপ জিলাৰ ধৰ্ম আৰু কৰ্মৰ মিলনথলীস্বৰূপ বৃহত্তৰ শুৱালকুছিত শক্তি ৰূপিনী শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ পূজাৰ ব্যাপক প্ৰস্তুতি চলিছে। গাঁওখনৰ কেওঁপাৰা, অশোকাষ্টমী ক্ষেত্ৰ, মাজটোল, ন-পাৰা, নাজ্জাদল, শুৱালকুছিতে পাঁচখন বংশৰ আৰু বাৰণবৈত দুখন, বাথান, শ্ৰীহাটী, শিঙিমাৰী, দৰা আদিত একোখনকৈ দুৰ্গা পূজাৰ পূৰ্ণপ্ৰস্তুতি চলাই আছে। পহিলা অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ চলিব লগা পূজাসমূহত বিভিন্ন কাৰ্যক্ৰমণিকাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰিব। কাৰ্যসূচী অনুসৰি শুৱালকুছি সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিৰ দৈনিক মাংগলিক পৰ্বৰ উপৰি সপ্তমীত নাগাৰা নাম, অষ্টমীত বৃগী বৃগী নৃত্য প্ৰতিযোগিতা, নৱমীত উদীয়মান কণ্ঠশিল্পী পাপৰী গগৈৰ গীতৰ শৰাই আৰু দশমীত প্ৰায় ৬০ ফুট উচ্চতাৰ বৃহদাকায় দশানন (ৰাৱণ) বধ। উল্লেখ্য যে উক্ত আকৰ্ষণীয় ৰাৱণ বধ কাৰ্যসূচী প্ৰত্যক্ষ কৰাৰ বাবে অগণন লোকে প্ৰতি বছৰে অশোকাষ্টমী ক্ষেত্ৰত ভিৰ কৰে। এই বেলিও ব্যতিক্ৰম নহ'ব বুলি আশা প্ৰকাশ কৰে পৰিচালনা সমিতিয়ে। আনহাতে, শত বৰ্ষৰ দুৱাৰ-ডলিত কেওঁ পাৰাৰ ঈশ্বৰ শ্ৰীশ্ৰীগোপাল সত্ৰ ৰাইজ গযৰহে উদ্‌যাপন কৰা পূজাত আন বছৰৰ দৰে এই বাৰো মাংগলিক দিশৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ উপৰি ৰাইজৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশন কৰিব শ্ৰীকৃষ্ণৰ দধি মন্থন নৃত্য আৰু নাট প্ৰদৰ্শন। ৰাইজৰ সহযোগ বিচাৰিছে উদ্‌যাপন সমিতিয়ে।

## লামডিংত ব্ৰাউন ছুগাৰসহ ধৃত এজনক

দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ২৯ ছেপ্তেম্বৰ ঃ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীৰ ড্ৰাগছ, দুৰ্নীতি, দালাল আৰু নিষিদ্ধঘোষিত নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে যিমানেই সক্ষম হৈছে তেনে সময়ত অতি গোপনে ড্ৰাগছ সৰবৰাহকাৰীয়ে চলাই আছে ড্ৰাগছ তথা অবৈধ নিচাজাতীয় দ্ৰব্যৰ বমবমীয়া ব্যৱসায়। ড্ৰাগছ সৰবৰাহকাৰী যদি ডালে ডালে লামডিং ৰে'ল আৰক্ষীও পাতে পাতে। পুনৰবাৰ আকৌ লামডিং ৰে'ল আৰক্ষীৰ বৃহৎ সফলতা। পুনৰবাৰ লামডিং



ৰে'ল আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰ জব্দ কৰাৰ লগতে এজনক আটক কৰে। নিষিদ্ধঘোষিত ড্ৰাগছে যুৱ-প্ৰজন্মৰ ভৱিষ্যৎ ধ্বংসৰ পথলৈ ঠেলি দিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত ড্ৰাগছ সেৱন কৰাৰ ফলত বহু যুৱকৰ মৃত্যু হোৱা বাতৰিৰ সিৰনাম দখল কৰি আহিছে বাজ্যত বিভিন্ন প্ৰান্তত ড্ৰাগছবিৰোধী অভিযান চলাই থকাৰ সময়ত একাংশ চলাই আছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। একাংশ ড্ৰাগছ সৰবৰাহকাৰীয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কথা কেৰেপ নকৰে নেকি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ পিছত আৰু একাংশ ড্ৰাগছ মাফিয়া ভয় নকৰে অসম আৰক্ষীক। লামডিং ৰে'ল আৰক্ষীয়ে 2 কোটি ৫০ লাখ টকাৰ ব্ৰাউন ছুগাৰ জব্দ কৰে। লামডিং ৰে'লৰে সুৰক্ষা বাহিনীৰ চি আই বি আৰু তিনিচুকীয়াৰ আৰ পি এফৰ বিশেষ টাস্ক ফ'ৰ্চৰ অভিযানত জব্দ হৈছে ব্ৰাউন ছুগাৰখিনি। ডিমাপুৰৰ পৰা চাপৰমুখলৈ গৈ থকা অৱস্থাত জব্দ কৰে। ৩১ বাকচত ৪২১.৮৬ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰে।

## লাহৰীঘাটৰ বগলীপাৰাত ড্ৰাগছসহ এজনক আটক

দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৯ ছেপ্তেম্বৰ ঃ মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ যুঁটীয়া অভিযানত গোপন সূত্ৰৰ পৰা খবৰ দি ২৬ ছেপ্তেম্বৰত বগলীপাৰাৰ পৰা গ্ৰেপ্তাৰ হয় এজন ড্ৰাগছ সৰবৰাহ কাৰী। আটক কৰা ড্ৰাগছ সৰবৰাহকাৰীজন উতলাৰবী গাঁৱৰ নজৰুল ইছলাম (৩২)। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা সন্দেহযুক্ত ড্ৰাগছ ভৰ্তি ৪৯টা কণ্টেইনাৰ, ড্ৰাগছ ভৰ্তি পলিথিন আৰু এটা মোবাইল ফোন জব্দ কৰে আৰক্ষীয়ে। সম্প্ৰতি ধৃত লোকজনক আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৭১.৩০ গ্ৰাম। ধৃত লোকজনে দীৰ্ঘদিনৰে পৰা এনে ব্যৱসায়ত জড়িত আছে।



*শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক ৰক্ষা পৰিষদৰ দ্বাৰা আয়োজন কৰা কথক আৰু সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰিছে অনিতা শৰ্মা, কৃপাবাণী দাস বৰা আৰু সেউজীপ্ৰিয়া বৰঠাকুৰে*

# নাওকাটাত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন

## আমি শিপাক পাহৰিব নালাগে ঃ নাট্য সমালোচ, সাংবাদিক অতুল মজুমদাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ ছেপ্তেম্বৰ ঃ সংস্কৃতি পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সুদীৰ্ঘ ৭৫ বছৰ পূৰ্বে লভিতা নাটক লিখিছিল। অসমৰ জাতীয় জীৱনৰ পটভূমিত লভিতা অসমীয়া জাতিৰ এক আজন্ম সাংস্কৃতিক সমন্বয়ৰ প্ৰতীক। এই মন্তব্য বিশিষ্ট নাট্য সমালোচক, সাংবাদিক অতুল মজুমদাৰৰ। তামুলপুৰ জিলাৰ নাওকাটাত অসম নাট্য সন্মিলনীৰ নাওকাটা শাখাৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে ২৭ ছেপ্তেম্বৰত অনুষ্ঠিত অসম নাট্য সন্মিলনৰ ৬৪সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিশিষ্ট অতিথিৰ ভাষণত তেওঁ কয়— 'আমি আমাৰ শিপাক কেতিয়াও পাহৰি যাব নালাগে'। অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ বৰুৱাই। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাই তেওঁৰ বক্তব্যত উল্লেখ কৰে সফল অভিনয়ৰ ক্ষেত্ৰত কথা নোকোৱাকৈও শৰীৰৰ অংগী-ভংগীৰেও অভিনেতা তথা অভিনেত্ৰী এগৰাকীয়ে তেওঁৰ মুকবাণীৰ ধাৰাৱৈ সময়ত আৰু মনৰ অৱস্থা কিমান ভাল অভিনয়ৰ প্ৰকাশ কৰিব পাৰে আৰু সেয়াই হৈছে নাটক, সেয়াই জীৱনৰ সত্তা, যি যাত্ৰাৰ মাজত থাকে অফুৰন্ত মৰম, ভালপোৱা আৰু বিশ্বাস। তেওঁ পুনৰ কয় যে জাতীয় নাট্যশালা স্থাপন কৰি চৰকাৰে সেয়া বাস্তৱায়িত দেখুওৱক। অসমৰ নাট্য সংস্কৃতিৰ প্ৰতিটো উপাদান, তথা আৰু ইতিহাস সংৰক্ষণ নহ'লে সময়ে আমাক ক্ষমা নকৰিব। ৰাজ্য চৰকাৰে ক্ৰীড়া ক্ষেত্ৰক দিয়া গুৰুত্বৰ দৰে নাট্য ক্ষেত্ৰতো সুদৃষ্টি প্ৰদান কৰক। তেতিয়া পেটত গামোচা বান্ধি নাটক বলিয়া শিল্পীৰ পুত্ৰ-কন্যাই লঘোণে থাকিব নালাগিব, তেওঁবিলাকেও এখন ভাল স্কুলত বিদ্যা গ্ৰহণ কৰিব পাৰিব। অসমৰ নাট্য আন্দোলনটো বা নাট্য চৰ্চাক চিৰজাগ্ৰত কৰি ৰাখিবলৈ সফলতা অৰ্জন কৰা অনুষ্ঠানটোৰ নামেই অসম নাট্য সন্মিলন। ভাৰতৰ প্ৰান্তে প্ৰান্তে নাট্য সাহিত্য এলাগি হৈ আহিছে। ইয়াৰ মূল কাৰণ হৈছে যৌক্তিক নেতৃত্বৰ অভাৱ। অনুষ্ঠানত অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে তেওঁৰ ভাষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাই ৫৫০ বছৰ পূৰ্বে চিহ্নযাত্ৰা নাট ভাওনাৰ জৰিয়তে প্ৰচেলনীয়া থিয়েটাৰ আৰম্ভ কৰিছিল। সেই নাট্য ধাৰাটো এটি শক্তিশালী ৰূপত বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰাৰ উপৰি এইক্ষেত্ৰত অসমৰ যি স্থিতি আছে তাক প্ৰতিষ্ঠা কৰিবলৈ পৰৱৰ্তী সময়ত নাট্যপ্ৰেমীসকলে অসমত অসম নাট্য সন্মিলনৰ জন্ম দিছিল। আজি অসম নাট্য সন্মিলনীৰ ৬৪বছৰীয়া প্ৰতিষ্ঠা দিৱস। অসমৰ জনসাধাৰণে এই নাট্য আন্দোলনটোক সক্ৰিয় কৰাৰ লগতে অসমৰ জাতীয় জীৱনত অসমৰ যি সংস্কৃতি আছে, জাতিতত্ত্বগীয়া যি সমন্বয় আছে, সেই সমন্বয় সুদৃঢ় কৰি আগন্তুক দিনত অসমৰ নিজৰ বৈশিষ্ট্য, মান, সন্মান আৰু সৌন্দৰ্য প্ৰতিষ্ঠা কৰিব বুলি আশা প্ৰকাশ কৰে। লগতে নাট্য সাহিত্যৰ ক্ষেত্ৰত যি দৰে গল্প কবিতা বা উপন্যাসক সাহিত্যত স্থান দিয়া হয় ঠিক সেইদৰে নাটকক সাহিত্যত গুৰুত্ব দিয়া হোৱা নাই বুলি আক্ষেপ কৰে সভাপতিগৰাকীয়ে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত অসম নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰে সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস, বক্সাপীঠ মণ্ডল জিলা নাট্য সন্মিলনীৰ পতাকা উত্তোলন কৰে কনক কৃষ্ণ দেৱনাথ আৰু নাওকাটা শাখাৰ পতাকা উত্তোলন কৰে সভাপতি কনোৰাম কলিতাই। ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰে অসম নাট্য সন্মিলনীৰ কাৰ্যকৰী সভাপতি মাণিক গোস্বামীয়ে। অনুষ্ঠানৰ মুকলি সভাত অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা এসময়ৰ এগৰাকী বিশিষ্ট নাট্যকৰ্মী ৰজনীকান্ত মহন্ত, বিশিষ্ট নাগাৰা নামৰ পাঠক মদন নাথ আৰু বিশিষ্ট ওজা মদন ডেকাক গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। সভাত স্থানীয় কণ্ঠশিল্পী প্ৰধান শিক্ষক সুশীল কলিতা, প্ৰতিভা নাথ আৰু শিশুশিল্পী ৰাখী কুমাৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।



বৰ্ষাপাৰাত ভাৰত-দক্ষিণ আফ্রিকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন টি-২০ৰ বাবে গুৱাহাটীৰ উপস্থিত হোৱা ভাৰতীয় দলৰ খেলুৱৈসকল, বৃহস্পতিবাৰে

# গুৱাহাটীত উপস্থিত ভাৰত-দক্ষিণ আফ্রিকা

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্রিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা দক্ষিণ আফ্রিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচত অংশ লোৱাৰ বাবে আজি আহি মহানগৰীত উপস্থিত হৈছে দক্ষিণ আফ্রিকা আৰু ভাৰতীয় দলটো।আবেলি ৪.১৫ বজাত আহি গুৱাহাটীৰ বিমান বন্দৰত উপস্থিত হয় দুয়োটা দল। লোকপ্রিয় গোপীনাথ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা উভয় দলক তিনি তিনিতৰপীয়া নিৰাপত্তাৰ মাজেৰে লৈ অনা হয় হোটেল ৰেডিছন ব্লুলৈ। বিহু নৃত্য আৰু অসমীয়া গামোছা পিন্ধাই উভয় দলক আদৰণি জনোৱা হয়। আজি নিশা উভয় দল হোটেলত থাকে। কাইলৈ দক্ষিণ আফ্রিকা আৰু ভাৰতীয় দলে অনুশীলন কৰিব। বি চি চি আয়ে জনোৱা অনুসৰি ভাৰতীয় ক্রিকেট দলে কাইলৈ দুপৰীয়া এক বজাৰ পৰা চাৰি বজালৈ নেট অনুশীলন কৰিব। তদুপৰি পহিলা অক্টোবৰৰ দিনা টীম ইণ্ডিয়াই আবেলি পাঁচ বজাৰ পৰা নিশা আঠ বজালৈ অনুশীলন কৰিব বৰ্ষাপাৰা ষ্টেডিয়ামত। ইফালে, দক্ষিণ আফ্রিকা দলে কাইলৈ পূৱা নেট অনুশীলন তথা নিশা বৰ্ষাপাৰা ষ্টেডিয়ামত অনুশীলন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্রিকেট মেচ। ইতিমধ্যে মেচৰ সকলো টিকট শেষ হৈছে। কিন্তু আজি বতৰ বিভাগে দিয়া আগজাননী অনুসৰি বৰষুণে মেচত ব্যাঘাত জন্মাব পাৰে।

# টি-২০ বিশ্বকাপৰ পৰা বাহিৰ হ'ল যশপ্রীত বুমৰাহ

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** অহা অক্টোবৰত অষ্ট্রেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ পূৰ্বে ভাৰতীয় দলৰ বাবে দুখৰ খবৰ। অলৰাউণ্ডাৰ ৰবীন্দ্র জাডেজাৰ পাছত পেচ বলাৰ যশপ্রীত বুমৰাহো টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ পৰা আঘাতৰ বাবে বাহিৰ হৈছে। আজি বি চি চি আইৰ এগৰাকী বিষয়াই জনোৱা মতে, পিঠিত আঘাত পোৱাৰ বাবে বুমৰাহক ছমাহৰ বাবে খেলৰ পৰা আঁতৰি থাকিবলৈ চিকিৎসকে নিৰ্দেশ দিছে। এতিয়া টি-২০ বিশ্বকাপৰ মূল দলত বুমৰাহৰ স্থানত দীপক চাহাৰ বা মহম্মদ ছামীয়ে খেলিব পাৰে। উল্লেখ্য যে দুয়োজনকে বিচিচিআইয়ে এই সন্মানীয় প্রতিযোগিতাখনৰ বাবে ষ্টেণ্ড বাই খেলুৱৈ হিচাপে নিৰ্বাচন কৰিছে।



# ৰেজেক আলী ফুটবলত ৰঙিয়া জিলা ক্রীড়া সন্থা ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্রীড়া প্রতিনিধি, নলবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** ঘগ্রাপাৰ আঞ্চলিক ক্রীড়া সন্থাৰ উদ্যোগত ঘগ্রাপাৰ হাইস্কুল খেলপথাৰত চলি থকা ৫৬সংখ্যক স্বৰ্গীয় ৰেজেক আলী সোঁৱৰণী প্রাইজমানি চলন্ত ট্রফী ফুটবল প্রতিযোগিতাত আজি দ্বিতীয়খন ছেমি ফাইনেলত ৰঙিয়া জিলা ক্রীড়া সন্থাই খানাপাৰা এফ চিক ৩-১ গ'লত হৰুৱাই ফাইনেলত প্রৱেশ কৰে। ৰঙিয়া দলৰ হৈ ২৯মিনিটত চফিকুলে ১টা আৰু ৬৭, ৭১ মিনিটত আইনউদ্দিনে ২টা গ'ল দি দলক বিজয়ী কৰোৱাই। আনহাতে খানাপাৰাৰ হৈ ৩৩ মিনিটত ওৱাৰখাতিংয়ে ১টা গ'ল দিবলৈহে সক্ষম হয়। খেলখন পৰিচালনা কৰিছিল গকুল দাস, দুলু তালুকদাৰ, ধ্রুৱজ্যোতি কলিতা আৰু আনছাৰউদ্দিন আহমেদে। ২ অক্টোবৰত চুড়ান্ত খেলত অংশগ্রহণ কৰিব ৰঙিয়া জিলা ক্রীড়া সন্থা আৰু ডিমাকুছি ছানৰাইজে।

# প্রথম টি-২০ত ভাৰতৰ বিৰুদ্ধে আত্মসমৰ্পণ দক্ষিণ আফ্রিকাৰ

**তিৰুৱন্তপৰুম, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্রথমখন মেচত আঠ উইকেটত জয়লাভ কৰি শৃংখলাটোত ১-০ ৰ অগ্রগতি লৈছে। তিৰুৱন্তপুৰমত হোৱা মেচত পোনতে বেটিং কৰি দক্ষিণ আফ্রিকা দলে ২০ অভাৰত আঠ উইকেট হেৰুৱাই মাত্র ১০৬ ৰাণ কৰে। আলহী দলৰ চাৰিজন বেটাৰ শূণ্যতে আউট হয়। কিন্তু কেশৱ মহাৰাজে ৪১, মাৰ্কৰামে ২৫ আৰু পাৰ্ণিলে ২৪ ৰাণ কৰি দক্ষিণ আফ্রিকাৰ দলীয় স্ক'ৰ শতক পাৰ কৰায়। ভাৰতৰ হৈ অৰ্শ্বদ্বীপ সিঙে তিনিটা তথা দীপক চাহাৰ আৰু হাৰ্ষল পেটেলে দুটাকৈ উইকেট পায়। অভিজ্ঞ অশ্বিনে উইকেট নাপালেও চাৰি অভাৰত আঠ ৰাণহে খৰছ কৰে। প্রত্যুত্তৰত, ভাৰতে ১৬.৪ অভাৰত দুটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰে। ৰোহিত (০) আৰু বিৰাট (৩) ব্যৰ্থ হয় যদিও ৰাহুল (৫১) আৰু সূৰ্যকুমাৰে (৫০) অপৰাজিত বেটিং কৰি দলক বিজয়লক্ষ্যত উপনিত কৰায়। উল্লেখ্য যে অহা অক্টোবৰত অষ্ট্রেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্রিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্রেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্রিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ লৈছে টীম ইণ্ডিয়াই। এই তিনিখন মেচে বিশ্বকাপলৈ সাজু হোৱাৰ বাবে ভাৰতৰ অন্তিম সুযোগ। দক্ষিণ আফ্রিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ প্রথম মেচখন তিৰুৱন্তপুৰমত হোৱাৰ পাছত দুয়োটা দল আজি গুৱাহাটীলৈ ৰাওনা হৈছে। অহা দুই অক্টোবৰত অসম ক্রিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব দক্ষিণ আফ্রিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। ইফালে, শৃংখলাৰ তৃতীয় টি-২০ খন চাৰি অক্টোবৰত ইন্দোৰত হ'ব।

গুজৰাট ৰাষ্ট্রীয় ক্রীড়া

# আজি অভিযান আৰম্ভ কৰিব অসমৰ আৰ্চাৰী, ভাৰোত্তোলন, এথলেটিকছ দলে

**আহমেদাবাদ, ২৯ ছেপ্টেম্বৰ ঃ** চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত কাইলৈৰ পৰা আৰম্ভ হ'ব আৰ্চাৰী, এথলেটিকছ আৰু ভাৰোত্তোলন। ইয়াৰে আৰ্চাৰী খেল হ'ব আহমেদাবাদত। আনহাতে, গান্ধী নগৰত অনুষ্ঠিত হ'ব এথলেটিকছ আৰু ভাৰোত্তোলন। তিনিওবিধ খেলতে অসমে পদক লাভ কৰাৰ সম্ভাৱনা আছে। আজি অসম আৰ্চাৰী দলৰ মেনেজাৰ পুলিন সাহাই জনোৱা অনুসৰি অসমৰ আঠজনীয়া দলে ইণ্ডিয়ান আৰু অলিম্পিক উভয় শাখাতে একক তথা দলীয়ত খেলিব। ইফালে, ভাৰোত্তোলনত অসমৰ পদক জয়ৰ সম্ভাৱনাও এশ শতাংশ। কাৰণ বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্রতিনিধিত্ব কৰা অসম কন্যা পপী হাজৰিকাই চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত খেলিব নতুন আশাৰে। অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে জনোৱা অনুসৰি পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত আশানুৰূপ প্রদৰ্শন কৰিবলৈ সক্ষম হ'ব। ইফালে, ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। উল্লেখ্য যে গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিব ৰাষ্ট্রীয় অভিলেখ গঢ়া অম্লান বৰগোহাঁই আৰু অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী 'ধিং এক্সপ্রেছ' খ্যাত হিমা দাসে। সেয়েহে পুৰুষ আৰু মহিলাৰ ১০০ আৰু ২০০ মিটাৰ দৌৰৰ সোণৰ পদক অম্লান আৰু হিমাই লাভ কৰিব বুলি আশাবাদী অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ। উল্লেখ্য যে গুজৰাট ৰাষ্ট্রীয় ক্রীড়াৰ এথলেটিকছত হিমা আৰু অম্লানৰ লগতে অসমৰ এটা ছজনীয়া দলে খেলিব। কাইলৈ পুৰুষ আৰু মহিলাৰ ১০০ মিটাৰৰ হিটছ আছে।

দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্রতিযোগিতা

# ল'ৰা-ছোৱালীৰ একক শাখাত ভাৰতীয়ৰ মাজতে স্বৰ্ণ জয়ৰ যুঁজ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰ নৱাগত শ্বাটলাৰসকলে অনবদ্য প্রদৰ্শন কৰি চলিত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্রতিযোগিতাৰ ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধ্বৰ ল'ৰা-ছোৱালীৰ একক, ডাবলছ আৰু মিক্সড ডাবলছৰ ফাইনেলত প্রৱেশ কৰিছে। অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্রীড়া প্রকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত চলি থকা আন্তৰ্জাতিক প্রতিযোগিতাখনৰ ফাইনেল কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ১৫ বছৰ অনূৰ্দ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ফাইনেলত ভাৰতৰ নিশা কৌড় ভাট'য়ে দেশৰে তনবী ৰেড্ডী আন্দলুৰিৰ মুখামুখি হ'ব। আজি হোৱা ছেমিফাইনেলত উভয় শ্বাটলাৰে পৰাস্ত কৰে নেপালৰ প্রতিদ্বন্দ্বীক। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ফাইনেলখন ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলাৰ মাজত হ'ব। উভয়ৰে আজি ছেমিফাইনেলত শ্রীলংকাৰ প্রতিদ্বন্দ্বীক হৰুৱায়। ইফালে, ১৫ বছৰ অনূৰ্দ্ধ্বৰ ল'ৰা একক শাখাৰ ফাইনেলত প্রৱেশ কৰিছে ভাৰতৰ প্রতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ। আজি দুই ভাৰতীয় শ্বাটলাৰে ছেমিফাইনেলত প্রতিদ্বন্দ্বী বাংলাদেশৰ খেলুৱৈক পৰাস্ত কৰে। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধ্বৰ ল'ৰা একক শাখাৰ ফাইনেলত প্রৱেশ কৰিছে ভাৰত ৰছাৰাছৱাট সংস্কাৰ আৰু প্রনয় ছেট্টিগৰে। তেওঁলোকে ছেমিফাইনেলত বাংলাদেশ আৰু শ্রীলংকাৰ শ্বাটলাৰক পৰাস্ত কৰি স্বৰ্ণ জয়ৰ যুঁজলৈ উন্নীত হয়।

# এটা বৰ্ষত টি-২০ত ভাৰতৰ সৰ্বাধিক ৰাণ কৰা বেটাৰ সূৰ্যকুমাৰ যাদৱৰ

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** টীম ইণ্ডিয়াৰ মিডল অৰ্ডাৰ বেটাৰ সূৰ্যকুমাৰ যাদবে এটা বৰ্ষত টি-২০ ত ভাৰতৰ সৰ্বাধিক ৰাণ কৰা বেটাৰৰূপে পৰিগণিত হৈছে। উল্লেখ্য যে সূৰ্যকুমাৰে (৫০) কালি দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্রথমখন মেচত এই সফলতা লাভ কৰিবলৈ সক্ষম হয়। এতিয়া সূৰ্যৰ মুঠ ৰাণ হ'ল ৭৩২। ইয়াৰপূৰ্বে শিখৰ ধৱনে ২০১৮ ত টি-২০ ত ৬৮৯ ৰাণ কৰিছিল। উল্লেখ্য যে ভাৰতে দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্রথমখন মেচত আঠ উইকেটত জয়লাভ কৰি শৃংখলাটোত ১-০ ৰ অগ্রগতি লৈছে। তিৰুৱন্তপুৰমত হোৱা মেচত পোনতে বেটিং কৰি দক্ষিণ আফ্রিকা দলে ২০ অভাৰত আঠ উইকেট হেৰুৱাই মাত্র ১০৬ ৰাণ কৰে। আলহী দলৰ চাৰিজন বেটাৰ শূণ্যতে আউট হয়। কিন্তু কেশৱ মহাৰাজে ৪১, মাৰ্কৰামে ২৫ আৰু পাৰ্ণিলে ২৪ ৰাণ কৰি দক্ষিণ আফ্রিকাৰ দলীয় স্ক'ৰ শতক পাৰ কৰায়। ভাৰতৰ হৈ অৰ্শ্বদ্বীপ সিঙে তিনিটা তথা দীপক চাহাৰ আৰু হাৰ্ষল পেটেলে দুটাকৈ উইকেট পায়। অভিজ্ঞ অশ্বিনে উইকেট নাপালেও চাৰি অভাৰত আঠ ৰাণহে খৰছ কৰে। প্রত্যুত্তৰত, ভাৰতে ১৬.৪ অভাৰত দুটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰে। ৰোহিত (০) আৰু বিৰাট (৩) ব্যৰ্থ হয় যদিও ৰাহুল (৫১) আৰু সূৰ্যকুমাৰে (৫০) অপৰাজিত বেটিং কৰি দলক বিজয়লক্ষ্যত উপনিত কৰায়।



গুজৰাট ৰাষ্ট্রীয় ক্রীড়া ঃ লন বলত ছোৱালীৰ দল পৰাস্ত

# শ্বুটিঙৰ ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত অসমৰ হৃদয়

**আহমেদাবাদ, ২৯ ছেপ্টেম্বৰ ঃ** অসমৰ প্রতিভাবান শ্বুটাৰ হৃদয় হাজৰিকাই চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত প্রত্যাশিত আৰম্ভণি কৰি ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত প্রৱেশ কৰিবলৈ সক্ষম হৈছে। কাইলৈ অনুষ্ঠিত হ'ব ফাইনেল। উল্লেখ্য যে গুজৰাট ৰাষ্ট্রীয় ক্রীড়াত অসমৰ যিসকল খেলুৱৈৰ পৰা পদক আশা কৰা হৈছে তাৰ ভিতৰত আছে প্রতিভাবান শ্বুটাৰ হৃদয়ো। ইতিমধ্যে ৰাষ্ট্রীয় আৰু আন্তৰ্জাতিক প্রতিযোগিতাত পদক লাভ কৰি দক্ষতা প্রতিপন্ন কৰিছে অসম সন্তানজনে। প্রথমবাৰৰ বাবে ৰাষ্ট্রীয় ক্রীড়াত খেলা হৃদয়ে কাইলৈ ৰাষ্ট্রীয় ক্রীড়াৰ শ্বুটিংস্থলী আহমেদাবাদ ৰাইফল ক্লাবত হ'ব লগা ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত নিজৰ লক্ষ্যত সঠিকভাবে বন্দুকৰ গুলি নিক্ষেপ কৰিব পাৰিলেই অসমে প্রথমটো পদক শ্বুটিঙৰ পৰা লাভ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে হৃদয়ৰ লগতে ৰাষ্ট্রীয় ক্রীড়াত অসমৰ হৈ প্রতিনিধিত্ব কৰা আনগৰাকী শ্বুটাৰ হ'ল শ্রেয়াছি মজুমদাৰ। হৃদয় আৰু শ্রেয়াছিয়ে ১০ মিটাৰ এয়াৰ ৰাইফলছৰ মিক্সড শাখাত খেলিব। কিন্তু আজি লন বলত অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটো ১০-১১ ত পৰাস্ত হয়। কিন্তু কাইলৈ গুজৰাটৰ বিৰুদ্ধে খেলিব লগা মেচত জয়ী হ'লে ছেমি ফাইনেলত প্রৱেশ কৰিব অসম।

# ৰেজেক আলী ফুটবলত ৰঙিয়া ফাইনেলত

**অগ্রদুত বাৰ্তা, ঘগ্রাপাৰ, ২৯ ছেপ্টেম্বৰ ঃ** ঘগ্রাপাৰ আঞ্চলিক ক্রীড়া সন্থাৰ উদ্যোগত ঘগ্রাপাৰ হাইস্কুল খেলপথাৰত চলি থকা ৰেজেক আলী সোঁৱৰণী চলন্ত ট্রফী ফুটবল প্রতিযোগিতাৰ আজি অনুষ্ঠিত ছেমিফাইনেলত আৰ ডি এচ এ ৰঙিয়া দলে ৩-১ গ'লত খানাপাৰা এফ চিক পৰাজিত কৰি ফাইনেল খেল প্রৱেশ কৰে। অহা দুই অক্টোবৰ ফাইনেল খেলখন আৰ ডি এচ এ ৰঙিয়া আৰু ডিমাকুছি ছানৰাইজ মাজত অনুষ্ঠিত হ'ব।

# ডাবলছ-মিক্সড ডাবলছৰ ফাইনেলত ভাৰতীয় শ্বাটলাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** চলিত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্রতিযোগিতাৰ আজি ১৫ বছৰ অনূৰ্দ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ ছেমিফাইনেলত ভাৰতৰ প্রতীক কৌণ্ডিল্য আৰু নিশা কৌড় ভাট'য়ে শ্রীলংকাৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্রৱেশ কৰিছে। তদুপৰি আনখন ছেমিফাইনেলত ভাৰতৰ অভিনৱ গাৰ্গ আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে নেপালক হৰুৱাই ফাইনেললৈ উত্তৰণ কৰে। ইফালে, ১৭ বছৰ অনূৰ্দ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ ছেমিফাইনেলত ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু আইছানি তিৱাৰীয়ে শ্রীলংকাৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে এই শাখাৰ আনখন ছেমিফাইনেলত ভাৰতৰ প্রনয় ছেট্টিগৰ আৰু ৰামু ৰুজুলাই শ্রীলংকাৰে যুটিক হৰুৱাই ফাইনেলত স্থান নিশ্চিত কৰে। ইফালে, ১৫ বছৰ অনূৰ্দ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত প্রৱেশ কৰিছে ভাৰতৰ নিশা কৌড় ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে। তেওঁলোকে ছেমিফাইনেলত ভূটানক হৰুৱায়। কাইলৈ ফাইনেল খেলিব শ্রীলংকা-মালদ্বীপৰ বিজয়ীৰ বিৰুদ্ধে। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত প্রৱেশ কৰিছে ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা। তেওঁলোকে পৰাস্ত কৰে শ্রীলংকাৰ যুটিক। এতিয়া ফাইনেলত মুখামুখি হ'ব ভূটান বা নেপালৰ। ইফালে, ১৫ বছৰ অনূৰ্দ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত প্রৱেশ কৰিছে ভাৰতৰ প্রতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ। আজি তেওঁলোকে মালদ্বীপক পৰাস্ত কৰে। কাইলৈ ফাইনেলত মুখামুখি হ'ব ভূটান বা নেপালৰ। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত প্রৱেশ কৰিছে ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু প্রনয় ছেট্টিগৰে। তেওঁলোকে ছেমিফাইনেলত পৰাস্ত কৰে ভূটানক। ফাইনেলৰ প্রতিদ্বন্দ্বী হ'ব বাংলাদেশ বা শ্রীলংকা।

# জি এছ এ ফুটবল লীগত পুলিচ-ৰেলৱেৰ ড্র'

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্রীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত বুধবাৰে অসম পুলিচ ব্লুজ আৰু এন এফ ৰেলৱে এছ চিৰ মাজৰ খেলখন ১-১ গ'লত ড্র হয়। ২৯ মিনিটত জিতু আহমেদে গ'ল দি ৰেলৱেক অগ্রগতি দিয়ে যদিও ৪০ মিনিটত ৰোহিত টায়েগামে অসম পুলিচৰ হৈ সমতা স্থাপন কৰে। আনহাতে জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত কামৰূপা এফ চিয়ে ৰাজবাৰী ক্লাবৰ বিৰুদ্ধে ৰাকঅ'ভাৰ লাভ কৰে।

# খুমটাইৰ নৰাযোগীত মেগা ফুটবল টুৰ্ণামেণ্টৰ শুভাৰম্ভ

## ফুটবল খেলুৱৈ ৰূপত সাংসদ কামাখ্যা প্রসাদ তাছা আৰু বিধায়ক মৃণাল শইকীয়া

## গ্রাম্য পৰ্যটনৰ প্রচাৰ আৰু প্রসাৰৰ বাবে বিধায়ক মৃণাল শইকীয়াৰ এই পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ ক্রীড়া প্রতিনিধি, খুমটাই, ২৯ ছেপ্টেম্বৰ ঃ** গ্রাম্য পৰ্যটনৰ প্রচাৰ আৰ প্রসাৰৰ বাবে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ প্রচেষ্টাত আয়োজন কৰা হৈছে মেগা ফুটবল টুৰ্নামেণ্ট। বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত "Destination Khumtai খুমটাইলৈ যাছও বলক' অনুষ্ঠানৰ সৌজন্যত খুমটাইৰ নৰাযোগী খেলপথাৰত ২৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছে মেগা ফুটবল টুৰ্ণামেণ্ট। অসমৰ চাৰিটা আগশাৰীৰ ফুটবল দলে অংশগ্রহণ কৰিছে আমন্ত্রণমূলক মেগা ফুটবল প্রতিযোগিতাখনিত। বৃহস্পতিবাৰৰ পৰা অনুষ্ঠিত হোৱা প্রতিযোগিতাখন শুভ উদ্বোধন কৰে সাংসদ কামাখ্যা প্রসাদ তাছাই। উল্লেখ যে এই প্রতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানতে সাংসদ কামাখ্যা প্রসাদ তাছা আৰু বিধায়ক মৃণাল শইকীয়াক দেখা গ'ল ফুটবল খেলুৱৈ ৰূপত। দুইজন ৰাজনৈতিক নেতাই ফুটবল খেলি ৰোমন্থন কৰিলে অতীতৰ স্মৃতি। খুমটাইৰ নৰাযোগীত নতুনকৈ নিৰ্মাণ কৰা খেলপথাৰখনত পোন প্রথমবাৰৰ বাবে আয়োজন কৰা হ'ল এই মেগা ফুটবল টুৰ্নামেণ্টখন। অতি আটকধুনীয়াকৈ আয়োজন



কৰা ফুটবল প্রতিযোগিতাৰ উদ্বোধনী খেলখন উপভোগ কৰিবলৈ শ শ লোকে ভিৰ কৰিলেহি। আনহাতে অসমৰ চাৰিটা আগশাৰীৰ ফুটবল দল ক্রমে নাহৰকটীয়া ফুটবল একাডেমি, ওদালগুৰি ফুটবল ক্লাব, গোলাঘাট কচিং চেন্টাৰ আৰু নেঘেৰিটিং ফুটবল একাডেমিয়ে অংশগ্রহণ কৰিছে প্রতিযোগিতাখনিত। উদ্বোধনী খেলখনত গোলাঘাট কছিং চেন্টাৰে নাহৰকটীয়া ফুটবল একাডেমিৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা আগবঢ়াই ২-১ ব্যৱধানত জয়লাভ কৰে। সাংসদ কামাখ্যা প্রসাদ তাছাই সংবাদ মাধ্যমৰ সন্মুখত খুমটাইৰ বিধায়ক মৃণাল শইকীয়াক ভূয়সী প্রশংসা কৰে। ৰাজ্যত গ্রাম্য পৰ্যটনৰ ভেটি খুমটাইৰ পৰাই আৰম্ভ হোৱাৰ কথা প্রকাশ কৰি আগন্তুক দিনত ৰাজ্যৰ বিভিন্ন প্রান্তক আকৰ্ষণীয় পৰ্যটনস্থলীলৈ ৰূপান্তৰিত কৰিবলৈ উদ্যোগ ল'বলৈ ৰাইজক অনুৰোধ জনায়। আনহাতে অসমত ফুটবলৰ প্রশিক্ষকৰ সংখ্যা বৃদ্ধি কৰিবলৈও ক্রীড়া বিভাগক সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনায়। গ্রামাঞ্চলত বহু প্রতিভাৱান খেলুৱৈ আছে সেইসকলক ৰাষ্ট্রীয় তথা আন্তৰাষ্ট্রীয় পৰ্যায়লৈ উলিয়াই নিবলৈ ৰাজ্যৰ ক্রীড়া বিভাগক সক্রিয় ভূমিকা ল'বলৈ আহ্বান জনাইছে সাংসদ গৰাকীয়ে। আনহাতে পিএফআইক পাঁচ বছৰলৈ ভাৰত চৰকাৰে নিষিদ্ধ কৰা সিদ্ধান্তক আদৰণি জনালে সাংসদ কামাখ্যা প্রসাদ তাছাই। তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে বিদেশৰ টকাৰে দেশীয় ব্যৱস্থাটোক অশান্তি কৰিবৰ কাৰণে পিএফআইয়ে যি চিন্তা কৰিছে, তাৰ বাবে তেওঁলোকক ইয়াতকৈও কঠোৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। কেৱল পাঁচ বছৰলৈ নহয় কোনো কালেই পিএফআইৰ দৰে শক্তি উদ্ভৱ হ'ব নোৱাৰাকৈ নিষিদ্ধ কৰিবলৈ কেন্দ্রীয় চৰকাৰক অনুৰোধ সাংসদগৰাকীৰ। পিএফআইৰ সমৰ্থক সকলোকে ভৱিষ্যতে কোনো ভাৰত বিৰোধী কামত লিপ্ত নহ'বলৈ সকিয়নী প্রদান কৰিলে কামাখ্যা প্রসাদ তাছাই।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্রিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্রকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্রিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্রুগড়-৭৮৬৬০২ত মুদ্রিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্রকাশিত আৰু মুদ্রিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্রিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্রীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্রযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

সত্যমেৱ জয়তে

অসম চৰকাৰ
লোকনিৰ্মাণ (পথ) বিভাগ

PWD

শাৰদীয় দুৰ্গোৎসৱত মহানগৰবাসীলৈ উপহাৰ

# অবিৰাম প্ৰয়াসৰ দুৰন্ত গতি
# সুচল যাতায়াতেৰে ক্ষিপ্ৰ প্ৰগতি

## আৰ্য নগৰ চাৰিআলিত ২ লেনযুক্ত উৰণীয়া সেতুৰ শুভ উদ্বোধন





### বৈশিষ্ট্য

- দৈৰ্ঘ্য – ৭৯০ মিটাৰ
- কেৰেজৱেৰ প্ৰস্থ – ২ লেন
- ভায়াডাক্ট – ৫৩৫ মিটাৰ
- স্পেনৰ সংখ্যা – ১৫
- ছাৰ্ভিচ ৰোড – ১ আৰু ১/২ লেন

নিৰ্ধাৰিত ৩০ মাহৰ পৰিৱৰ্তে ১৯ মাহতেই সম্পূৰ্ণ নিৰ্মাণকাৰ্য

মুঠ ব্যয় ১৪৯.০৭ কোটি টকা

### আনুষংগিক কাম

- ভৰলু নৈৰ ওপৰত বৰ্তমানৰ কালভাৰ্ট সম্প্ৰসাৰণ
- আইলেণ্ড, ৰ'টাৰী, ডিভাইডাৰ আদি নিৰ্মাণ
- আলোকসজ্জা
- ইউটিলিটী সেৱাসমূহৰ স্থানান্তৰ
- ইউটিলিটী ডাক্ট নিৰ্মাণ
- ড্ৰেইন আৰু পদপথ আদি নিৰ্মাণ/পুনৰ্নিৰ্মাণ
- বাট-পথৰ উন্নয়ন
- জিৰাটৰ ভূমি অধিগ্ৰহণ আৰু ক্ষতিপূৰণৰ ব্যৱস্থা
- ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ বাবে পাৰ্কিং জ'ন

দিনাংক ঃ ৩০ ছেপ্টেম্বৰ ২০২২

সময় ঃ পুৱা ১১ বজা

স্থান ঃ আৰ্য নগৰ, গুৱাহাটী

**উদ্বোধক**

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**সন্মানীয় উপস্থিতি**

শ্ৰীঅশোক সিংহল
মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ

শ্ৰীমতী কুইন ওজা
সাংসদ, গুৱাহাটী লোকসভা সমষ্টি

শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য
বিধায়ক, পূব গুৱাহাটী সমষ্টি

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা
বিধায়ক, পশ্চিম গুৱাহাটী সমষ্টি

শ্ৰীঅতুল বৰা
বিধায়ক, দিছপুৰ সমষ্টি

Janasanyog /D/13198/ 22



তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Subscribe to Asom Barta  Whatsapp 'Assam' at 8287912158